● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

দেওবৰীয়া দৈনিক

অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩
www.dainikagradoot.in

দিগ্‌দৰ্শন

মানুহে তথ্য, সংখ্যা অথবা সমীকৰণতকৈ গল্পৰ কথাত ভাবি ভাল পায়। গল্পটো যিমানে সৰল, সিমানেই সুবিধাজনক।

য়ুভাল নোৱা হাৰাৰি
ইজৰাইলৰ ইতিহাসবিদ

৫ ৰহস্যৰে ভৰা বিশ্বৰ ১২ খন নিষিদ্ধ স্থান
১৫ ৰাহুলক টেষ্ট দলৰ সহঃ অধিনায়কৰ দায়িত্ব
৪ গণতন্ত্ৰ আৰু গুণ্ডামি একে নহয়

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৭৩তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ৩ পুহ ১৪২৮ ভাস্কৰাব্দ ১৯ ডিচেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 19 December 2021 মূল্য ঃ ৯.০০ টকা

ধনৰ সদ্ব্যৱহাৰেৰে নদন-বদন হ'ব বিটিচি

■ শান্তি ঘূৰাই অনাটো একাংশই বিচৰা নাছিল ঃ মুখ্যমন্ত্ৰী ড° শৰ্মা
■ ঐতিহাসিক চুক্তিৰ অপব্যাখ্যা হৈছে ■ ক্ষমতাৰ এশ শতাংশ বৃদ্ধি

অগ্ৰদূত বাৰ্তা
কোকৰাঝাৰ, ১৮ ডিচেম্বৰ ঃ 'যোৱা এটা বছৰ অত্যন্ত কঠিন আৰু প্ৰত্যাহ্বানৰ সময় আছিল। এই প্ৰত্যাহ্বান অতিক্ৰমি বিটিআৰ প্ৰশাসনে শান্তিপূৰ্ণ পৰিৱেশেৰে উন্নয়নৰ এক নতুন দিগন্তলৈ ধাৱমান হোৱাৰ দিশে অগ্ৰসৰ হৈছে।' এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। বিটিআৰত মিত্ৰজোঁটৰ পৰিষদৰ এবছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজিত এক অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে লগতে কয়, 'আজি বিটিআৰত কোনো অস্ত্ৰৰ শব্দ নাই। প্ৰতিটো ক্ষেত্ৰতে বিকাশে এটা ১০ পৃষ্ঠাত চাওক

'কঠোৰ' আইনতো ৰোধ হোৱা নাই গৰুৰ চোৰাং সৰবৰাহ

চোৰাং ব্যৱসায়ীক নাকী লগোৱাত ব্যৰ্থ

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১৮ ডিচেম্বৰ ঃ অসমত গৰুৰ চোৰাং সৰবৰাহ ৰোধৰ বাবে ৰাজ্য চৰকাৰে প্ৰণয়ন কৰা অসম পশুধন সংৰক্ষণ আইনখন কেবিনেট বৈঠকে সংশোধনৰ সিদ্ধান্ত ল'লেও ১০ পৃষ্ঠাত চাওক

■ আন এক অসাধ্য সাধনৰ দিশে অগ্ৰসৰ চিকিৎসা বিজ্ঞান ■ সম্ভাৱনাৰ দুৱাৰ মুকলি

প্ৰতিষেধকৰ দ্বাৰাই ৰোধ হ'ব পাৰে বাৰ্ধক্যৰ লক্ষণ

■ নিউজ ব্যুৰ'
নতুন দিল্লী, ১৮ ডিচেম্বৰ ঃ বয়স বাঢ়ি অহাৰ লগে লগে অধিকাংশ মানুহেই নিজৰ স্বাস্থ্য-শৰীৰ আদিক কেন্দ্ৰ কৰি অধিক সচেতন হৈ পৰে। শৰীৰত বাৰ্ধক্যৰ লক্ষণ ফুটি উঠিলেই বিভিন্ন ধৰণৰ সতৰ্কতামূলক ব্যৱস্থা ল'বলৈ আৰম্ভ কৰে। বহু মহিলাই হয়তো মাত্ৰাধিক প্ৰসাধনেৰে বাৰ্ধক্যৰ চিন বা মুখৰ বলিৰেখা ঢাকিবলৈ প্ৰয়াস কৰে। অৱশ্যে প্ৰতিষেধকৰ দ্বাৰাই আগন্তুক দিনত মানুহক জৰাগ্ৰস্ততাৰ পৰা ৰক্ষা কৰাটো সম্ভৱ হৈ উঠিব। আধুনিক চিকিৎসা বিজ্ঞানে বহু অসাধ্যই ১০ পৃষ্ঠাত চাওক

কেন্দ্ৰীয় চৰকাৰৰ আশংকা ■ তিনি সপ্তাহৰ ভিতৰতে ৯০খন দেশলৈ বিয়পিল

অ'মিক্ৰনে আনিব ক'ভিডৰ তৃতীয় ঢৌ

■ নিউজ ব্যুৰ'
নতুন দিল্লী, ১৮ ডিচেম্বৰ ঃ সংখ্যাতত্ত্বৰ সকলো হিচাপক চেৰাই গৈ দ্ৰুত হাৰত বিয়পিছে কৰ'না ভাইৰাছৰ নতুন প্ৰজাতি অ'মিক্ৰন। ইয়াতে ক'ভিডৰ তৃতীয় লহৰৰ আশংকা কৰিছে কেন্দ্ৰীয় চৰকাৰে। বিশেষজ্ঞৰ মতে, ১০ পৃষ্ঠাত চাওক

■ নামজাৰি নোহোৱাকৈ লাখ টকাত বিক্ৰী কৰিলে মাটি

লামডিং বনাঞ্চলৰ উচ্ছেদিতক গোপনে সংস্থাপন দিলে দালালে

অগ্ৰদুত বাৰ্তা
চামগুৰি,১৮ ডিচেম্বৰ ঃ লামডিং হস্তী সংৰক্ষিত বনাঞ্চলত বেদখল উচ্ছেদৰ পাছতে নগাঁও জিলাৰ চামগুৰি ৰাজহ চক্ৰৰ অধীনস্থ ১০ পৃষ্ঠাত চাওক

প্ৰতিজন অসমীয়াৰ ঋণৰ বোজা হ'ল ৩২,০২৪ টকা

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১৮ ডিচেম্বৰ ঃ শেহতীয়াকৈ ভাৰতীয় ৰিজাৰ্ভ বেংকে প্ৰকাশ কৰা 'হেণ্ডবুক অৱ ষ্টেটিছটিকছ্ অন ইণ্ডিয়ান ষ্টেট্‌ছ-২০২-২১'ৰ তথ্য অনুসৰি আজিৰ দিনটোত অসমৰ মুঠ ঋণৰ পৰিমাণ ১,০২,৪৭৬ কোটি টকা। এই অনুসৰি বৰ্তমান প্ৰতিজন ১০ পৃষ্ঠাত চাওক

এপিএছচি কেলেংকাৰিৰ অভিযুক্তৰ বিৰুদ্ধে ধাৰা আৰোপ আদালতৰ

■ গোচৰৰ শুনানি ১২ জানুৱাৰীৰ পৰা

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১৮ ডিচেম্বৰ ঃ কাৰাবন্দী ৰাকেশ পালৰ অধ্যক্ষকালত অসম লোকসেৱা আয়োগ (এপিএছচি)ৰ নিযুক্তি প্ৰক্ৰিয়াত সংঘটিত কেলেংকাৰিত অভিযুক্ত হৈ বৰ্খাস্ত হোৱা ৪৪জন ৰাজপত্ৰিত বিষয়াৰ বিচাৰ প্ৰক্ৰিয়া অহা ১০ পৃষ্ঠাত চাওক

কৃষিকাৰ্যত নৱপ্ৰজন্মৰ শিক্ষিত যুৱক-যুৱতী জড়িত হৈছে

আঠাবিহীন সুগন্ধী পূৰৈ বৰণীয়া চাউল 'লাবণ্য' উন্মোচন কৃষিমন্ত্ৰীৰ

ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা
যোৰহাট/খুমটাই, ১৮ ডিচেম্বৰ ঃ 'অসম চৰকাৰে পৰম্পৰাগতভাৱে কৰি অহা খেতিৰ পৰিৱৰ্তে অধিক মূল্য থকা মানবিশিষ্ট শস্যৰ খেতিৰ জৰিয়তে কৃষকৰ আয় বৃদ্ধিত গুৰুত্ব আৰোপ কৰিছে। উদ্যান শস্যৰ খেতিৰ লগতে মৌ-পালন আদিৰ ১০ পৃষ্ঠাত চাওক

নিয়োগ

ßÂ¿ùßÂîÂ±, ÷Å¥¤±ý×, ¿ð{ïÍ, ÎõÑá±ùÅ]n, ÎäÂi§±ý×, ÎöÂËù±] Õ±¿ðîÂ ¿äÂ¿ßÂÈù±] üý±ûþßÂ] ›¶Ëûþ±æò/ ïßÂ±, Îà±»±] õÉ»¦š± Õ±Ëâ/

Swift Services, ßÂ¿ùßÂîÂ±

LOST

I have lost my H.S. Mark sheet, Certificate Vide Roll 0353 No - 20071 of 2021 and Migration Certificate Vide Regd. No- 070174/2019-20

Soyeed Ashikur Islam Kalipara, Gobardhanpara Dhubri, Assam.

জ্যোতিষী

আপোনাৰ যিকোনো সমস্যা যিমান কঠিন নহওক কিয় বা জটিল নহওক, ১০০% guarantee সহ সমাধান পাবই। মায়ং প্ৰশিক্ষণ জ্যোতিষী।

আচাৰ্য্য ডি. শৰ্ম্মা
(M) ঃ 8099336044

পদ খালী

Direct Posting গুৱাহাটীৰ কোম্পানীত মেনেজাৰ, ডুপাৰভাইজাৰ আৰু পেকেজিং কাম কৰাৰ বাবে বহুত যুৱকৰ প্ৰয়োজন। থকা-খোৱা **Free**। দৰমহা ৩৫,০০০/- টকালৈকে।

Perfect Jobsite Dispur 98640 20419, 8011007148

ASTROLOGY/ জ্যোতিষী

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৱচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- **9954021556, 9947066469.**

পঞ্জাব নেশ্যনল বেঙ্ক punjab national bank

[illegible]

ই-মেইল : rsa0256@pnb.co.in, ফোন নং : 0376-2520636

অধিগ্ৰহণ জানিনী [স্থাৱৰ সম্পত্তি (নিয়মাৱলী ৮ (১) ৰ বাবে]

[illegible]

ক্ৰ নং	শাখাৰ নাম/ঋণ লওতা/ঋণ দাতাৰ নাম, ঠিকনাৰ টৈতে একাউণ্ট	স্থাৱৰ সম্পত্তিৰ বিৱৰণ	(১) দাবী জানিবৰ তাৰিখ (২) অধিগ্ৰহণ জানিনৰ তাৰিখ	দাবী জানিবৰ বকেয়া ধনৰ পৰিমাণ
১	নৱপ্ৰহাৰ শাখা [illegible]	[illegible]	০৯.০৯.২০২১ ১৮.১২.২০২১	১,০৬,৫৯৪.০০ টকা + সুদ ও অন্য [illegible]
২	[illegible]	[illegible]	[illegible]	[illegible]
৩	[illegible]	[illegible]	[illegible]	[illegible]
৪	[illegible]	[illegible]	[illegible]	[illegible]

তাৰিখ : ১৯-১২-২০২১
স্থান : [illegible]

শৈলজা নন্দা দাস, মুখ্য প্ৰবন্ধক
প্ৰাধিকৃত বিভাগ, পঞ্জাব নেশ্যনল বেঙ্ক

AFFIDAVIT

My wife's title was recorded in all documents as Chandana Baro . After marriage she has been using my title Narzary. So I declared this by an affidavit before the notary Baksa on 17 -12-2021 that Chandana Baro and Chandana Narzary is the same person.

Soniram Narzary

PRESS NOTICE

The Superintending Engineer, PWD, Guwahati Building Circle-II, Chandmari, Guwahati-3 on behalf of Governor of Assam invites item rate bids in electronic tendering system for the work 'Establishment of i) 32/42 bedded Paediatrics Care Unit, ii) 10 bedded Intensive Care Unit, iii) RT PCR laboratory and iv) LMO tank with MGPS LMO tank with MGPS at District Hospital/SDCH in various districts of Assam under ECRP-II **(LMO tank with MGPS at Sonapur District Hospital, Hojai Civil Hospital and B.P. Civil Hospital)'** with an approximate value of work of **Rs.2,39,60,975.00** from APWD registered Class-I (A/B) contractors having experience of similar nature of work. Details of the bids may be seen at e-procurement portal website : www.assamtenders.gov. in and also in the office of the undersigned during office hours. The bidders must be enrolled in www.assamtenders.gov. in for participating in the bidding process.

Sd/-
Superintending Engineer, P.W.D
Guwahati Building Circle-II
Chandmari, Guwahati-3

Janasanyog/C/9358/21

ভাষিক সংখ্যালঘু ব'ৰ্ডৰ অধ্যক্ষক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

ভূৰাগাঁও, ১৮ ডিচেম্বৰ ঃ মৰিগাঁও জিলাৰ ভূৰাগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত বৰডোবাটুপ পঞ্চায়ত প্ৰাংগণত মৰিগাঁও জিলা বাঙালী পৰিষদৰ উদ্যোগত অনুষ্ঠিত সম্বৰ্ধনা সভাত আজি অংশগ্ৰহণ কৰে ভাষিক সংখ্যালঘু ব'ৰ্ডৰ অধ্যক্ষ শিলাদিত্য দেৱে। শিলাদিত্যই ভাষিক সংখ্যালঘু ব'ৰ্ডৰ অধ্যক্ষ পদ লাভ কৰাৰ বাবে বাঙালী পৰিষদে আয়োজন কৰিছিল এই সম্বৰ্ধনা অনুষ্ঠান। সংগঠনটোৰ তৰফৰ পৰা শিলাদিত্যই জাপি, শৰাই, গামোচা আদিৰে বিপুল আদৰণি গ্ৰহণ কৰে। আজি বিতৰ্কিত বিধায়কজনে বিতৰ্কমূলক বক্তব্যৰ বিপৰীতে বাঙালী জাতিৰ উত্তৰণত জাতিটোৰ বিয়োগাত্মক দিশসমূহৰ বিষয়ে বিশ্লেষণাত্মক বক্তব্য আগবঢ়াই সকলোকে জাতিৰ উন্নয়নৰ হকে কাম কৰিবলৈ আহ্বান জনায়।

০৫৬৬৯/০৫৬৭০ কামাখ্যা-কচুভেলি সাপ্তাহিক স্পেচিয়েলৰ চলাচল

[illegible]

ৰেল নং ০৫৬৬৯ কামাখ্যাৰ পৰা বৃহস্পতিবাৰে ২৩-১২-২০২১ ৰ পৰা ১৩-০১-২০২২ পৰ্যন্ত			ৰেল নং ০৫৬৭০ কচুভেলিৰ পৰা শনিবাৰে ২৪-১২-২০২১ ৰ পৰা ১৩-০১-২০২২ পৰ্যন্ত	
আগমন	প্ৰস্থান	ষ্টেচন	আগমন	প্ৰস্থান
[illegible]	[illegible]	[illegible]	[illegible]	
[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]	[illegible]

[illegible]

উত্তৰপূৱ সীমান্ত ৰেলৱে

অসম লোকসেৱা আয়োগ
ASSAM PUBLIC SERVICE COMMISSION
Jawaharnagar, Khanapara, Guwahati-781 022

No. 50PSC/CON/Exam-37/2018-2019 Dated Guwahati the 18th December, 2021

NOTIFICATION

The Assam Public Service Commission hereby declares today, the 18th December, 2021, the result of the Examination held for recruitment to the post of ***Child Development Project Officer & Allied Cadres under Social Welfare Department, Assam*** (Advt. No. 04/2019 Dtd. 03/08/2019) which was conducted by the Commission ***w.e.f. 01/11/2020***. Candidates bearing the following Roll Numbers are declared to have qualified for the Interview. The date of Interview will be notified shortly.

Serially, in order of Roll Numbers only (horizontally):

10024	10043	10060	10063	10084	10097	10100	10113
10124	10132	10139	10154	10159	10171	10181	10183
10189	10222	10232	10235	10238	10249	10265	10269
10273	10281	10286	10292	10299	10308	10309	10323
10343	10348	10358	10364	10382	10387	10398	10405
10412	10417	10419	10420	10433	10438	10442	10444
10457	10462	10465	10473	10490	10556	10561	10589
10627	10786	10870	10936	11104	11181	11199	11219
11281	11407	11413	11426	11456	11526	20007	20016
20041	20096	20104	20113	20123	20131	20148	20151
20196	20221	20222	20234	20250	20286	20301	20305
20310	20323	20346	20363	20373	20374	20376	20388
20391	20423	20428	20508	20515	20583	20599	20612
20616	20659	20675	20684	20687	20691	20711	20730
20789	20791	20800	20802	20834	20854	20861	20868
20872	20903	20932	20999	21066	21072	21077	21082
21088	21092	21104	21141	21145	21147	21177	21204
21249	21287	21299	21310	21313	21321	21327	21339
21341	21370	21439	21440	21444	21445	21453	21460
30008	30016	30044	30045	30065	30085	30123	30126
30127	30194	30226	30270	30275	30285	30391	30518
30519	30533	30599	30668	30672	30805	30808	30812
30825	30985	31027	31092	31112	31154	31199	31204
31273	31350	31430	31522	31536	31538	31572	31598
31678	31703	31708	31743	31860	31871	32082	32089
32092	32118	32119	32133	32134	32179	32218	32223
32233	32239	32250	32306	32321	32340	32358	32378
32430	32485	32551	32569	32576	32582	32588	32596
32602	32604	32614	32644	32666	32688	32689	32693
32695	32701	32733	32734	40037	40092	40097	40200
40206	40216	40262	50016	50061	50074	50096	50107
60011	60016	60020	60029	60030	60036	60050	60051
60075	60085	60098	60100	60104	60106	60108	60116
60138	70076	70143	70173	70195	70232	70276	70335
70427	70495	70503	70543	70605	80060	80088	80129
80239	80307	80323	80329	80348	80450	80456	80515
80522	80558	80646	80671	80703	80757	80937	81061
81219	81255	90088	90105	90137	90189	90195	90221
90222	90228	90242	90249	90280	90282	90300	90366
90441	90449	90456	90468	90497	90571	90602	90691
90749	90756	90776	90779	90793	90803	90814	90823
90871	90899	90910	90911	90926	90938	90995	91004
91006	91021	91033	91038	91069	91090	91100	91132
91181	91198	91222	91228	91267	91395	91414	91423
91520	91570	91586	91665	91666	91673	91714	91717
91725	91735	91745	91860	91871	91882		

N.B.: The Commission will not be responsible for any typing/printing mistakes.

Janasanyog/D/11510/21

Principal Controller of Examinations,
Assam Public Service Commission,
Jawaharnagar, Khanapara, Guwahati-22

আজিৰ দিনটো

কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

৩ পুহ ৰবিবাৰ ১৯ ডিচেম্বৰ

সূৰ্যোদয় ঃ ঘঃ ৬।৮।৪৮, **সূৰ্যাস্ত ঃ** ঘঃ ৪।৩০।১৬। **তিথি ঃ** পূৰ্ণিমা, দং ৭।০।৫৬ ঘঃ ৮।৫৭।১০। **নক্ষত্ৰ ঃ** মৃগশিৰা, দং ২৫।৪৯।৫৪ ঘঃ ৪। ২৮।৪৬। **যোগ ঃ** শুভ, দং ১০।৫০।২১ ঘঃ ১০।২৮।৫৬। **কৰণ ঃ** বৱ। **জন্মত ঃ** মিথুনৰাশি, বৈশ্যবৰ্ণ মতান্তৰে শূদ্ৰবৰ্ণ, দেৱগণ, কুকুৰৰ অস্থি, মাহেন্দ্ৰযোগ, অষ্টোত্তৰী ৰবি, বিংশোত্তৰী মঙ্গলৰ দশা, ঘঃ ৪।২৮।৪৬ যোৱাত মনুষ্যগণ, সাপৰ অস্থি, অষ্টোত্তৰী চন্দ্ৰ, বিংশোত্তৰী ৰাহুৰ দশা। **আদ্যঋতু হ'লে ঃ** সাতদিনীয়া পতিহিতা যোগ, ঘঃ ৪।২৮।৪৬ যোৱাত সাতদিনীয়া কান্ত যোগ। **মৰণত দোষ ঃ** এপদ। **যোগিনী ঃ** বায়ুকোনত, ঘঃ ৮।৫৭।১০ যোৱাত পূবত। **যাত্ৰা ঃ** শুভ, অমৃতযোগ, ঘঃ ৮।৫৭।১০ যোৱাত নাই পাপযোগ দোষ। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** মাছ-মাংস ঘঃ ৮।৫৭।১০ যোৱাত কোমোৰা খোৱা, নিষেধ।

দিনটোৰ ৰাশিফল

মেষ ঃ মানসিক অস্থিৰতা দূৰ হ'ব। তথাপিও শৰীৰটো অৱশযেন অনুভৱ হ'ব। সন্তানৰ উচ্চ শিক্ষাৰ বাতৰিয়ে মনত আনন্দ দিব। প্ৰাপ্তি ধন লাভৰ সম্ভাৱনা। যান-বাহন কিনাৰ বাবে চেষ্টা চলাব পাৰে।

বৃষ ঃ ব্যৱসায়ত উন্নতি লাভৰ সম্ভাৱনা। আৰ্থিকত খৰচৰ মাত্ৰা বৃদ্ধি পাব। মাটি-বাৰীৰ লেন-দেনত সাৱধান হ'ব। মামলা-মোকৰ্দমাত ক্ষতি হোৱাৰ সম্ভাৱনা। আৰক্ষী তথা সামৰিক বাহিনীত কাম কৰা সকলৰ বাবে পদোন্নতিৰ যোগ দেখা যায়। বিবাহৰ যোগ।

মিথুন ঃ সন্তানৰ সাফল্যই আপোনাক আনন্দিত কৰিব। প্ৰতিবেশীৰ লগত সদ্ভাৱ ৰাখিব। বিদ্যা ক্ষেত্ৰত শুভ ফল লাভৰ পৰা বঞ্চিত হ'ব পাৰে। দূৰ ভ্ৰমণৰ যোগ দেখা যায়। বিবাহযোগ্যই বিয়াৰ কথা চিন্তা কৰিব পাৰে।

কৰ্কট ঃ কৰ্মক্ষেত্ৰত নানা বেমেজালিৰ বাবে মনটো অস্থিৰ হ'ব পাৰে। খেলা-ধূলাৰ লগত জড়িতসকলে সুফল পাব। মাটি-বাৰী ক্ৰয় কৰাৰ ক্ষেত্ৰত তৃতীয় ব্যক্তিৰ লগত যোগাযোগ নকৰিব। সন্তানৰ বাবে চিন্তা থাকিব। প্ৰেমত আগবাঢ়িব পাৰে।

সিংহ ঃ পানী লগা, কাহ আদি ৰোগ হ'ব পাৰে। শৰীৰ মধ্যম। কৰ্মক্ষেত্ৰত মানসিক অস্থিৰতা বৃদ্ধি পাব। মোকৰ্দমা আদিত সফলতা আহিব। ঘৰুৱা শান্তি বিৰাজমান। ওচৰ-চুবুৰীয়াৰ লগত মনোমালিন্য হ'ব পাৰে। সাৱধান হওক। প্ৰেমত শুভ।

কন্যা ঃ ব্যৱসায় সম্প্ৰসাৰণৰ যোগ দেখা যায়। দৈহিক দিশত পেটৰ ৰোগ হোৱাৰ সম্ভাৱনা। আত্মবিশ্বাসেৰে সৃষ্টিমূলক কাম কৰিলে সফল হ'ব। যান-বাহন কিনাৰ ক্ষেত্ৰত বাধা নাই। সন্তানৰ ক্ষেত্ৰত শুভ।

তুলা ঃ কৰ্মক্ষেত্ৰত সহকৰ্মীৰ ব্যৱহাৰত সন্তোষ নাপাব পাৰে। বিদ্যাত জটিলতা কম। দাম্পত্যত নিজৰ বিচাৰক অগ্ৰাধিকাৰ দিব লাগিব। আৰ্থিকত মধ্যম প্ৰভাৱ। দেহ বৰ সুস্থ নাথাকিব। মান-সন্মানৰ প্ৰশ্নত বিচলিত হ'বও পাৰে। অংশীদাৰী ব্যৱসায়ত শুভ।

বৃশ্চিক ঃ আৰ্থিক উন্নতিৰ চেষ্টা কৰিলেও খৰচৰ মাত্ৰা বাঢ়িব। ঘৰুৱা তথা কৰ্মস্থানত বিশেষ আহুকাল নাপাব। পিতৃৰ খুব বেয়া নহয়। অৱশ্যে শাৰীৰিক যত্ন ৰখাটো দৰকাৰ হ'ব। বিদ্যাত অনুকূল।

ধনু ঃ বৈসয়িক ক্ষেত্ৰত নিজৰ দুৰ্বলতাৰ বাবে সমস্যাত পৰিব পাৰে। কৰ্মস্থানত সামগ্ৰিক ক্ষেত্ৰত আশাপূৰ্ণ যোগাযোগ পাব। বিশ্বাসযোগ্য বন্ধু-বান্ধৱৰ পৰা আগছোৱাত উপকৃত হ'ব। বিয়া-বাৰুৰ বাধা পাব।

মকৰ ঃ দাম্পত্যত বিশেষ পৰিৱৰ্তন নাই। সন্তানৰ বাবে মাধ্যম। নিকট আত্মীয়ৰ কোন খবৰত চিন্তিত। বিয়া-বাৰুৰ যোগাযোগ শুভ। ব্যৱসায়ী সকলৰ দূৰ ভ্ৰমণ সফল হ'ব পাৰে। ভাই-ভনীৰ পৰা সহৃদয়তা নাপাব।

কুম্ভ ঃ চাকৰিয়াল ব্যক্তিসকলৰ বদলিৰ সম্ভাৱনা দেখা যায়। বিদ্যাত অশুভ নহ'ব। কৰ্মত তৎপৰতা থাকিব। শৰীৰৰ প্ৰতি যত্ন ৰখাটো দৰকাৰ।

মীন ঃ আপোনাৰ মানসিক ৰোগ বৃদ্ধি পাব। মনোবল বৃদ্ধি পাব। মাতৃৰ শুভ। ধন-বিতৰ উন্নতিৰ অনুভৱ। কৰ্মক্ষেত্ৰত সামান্য বাধাৰ কাৰকতা।

শব্দ-বেহু ঃ ১৯ডিচেম্বৰ ২০২১



পথালিয়ে ঃ

১। পৃথিৱী, বিশেষ উদ্দেশ্যত আটল মানুহৰ সমনি দেয়, গছ কাটি আদিৰে সজা লোক মানুহৰ প্ৰতিকৃতি (৫) ৩। কাৰীঃ কুৰি হকা বা দুৰ্গ হৈ হকা (৩) ৫। চৰুৰে পথা গুৰুটি কোলত জন্মা হৈ হকা বগা মেলি (৪) ৬। গাছান, তিৰিজ পিছ ওৰে (২) ৭। মাটিত বহা গাড়ীৰ তলৰ দীঘলীয়া সাচি (২) ৯। মাল-সজ্জা কৰি ওৱা গাড়ী (৩) ১১। যাই নামৰ বাহিৰে থকা আন নাম (২) ১৩। চহৰ নৰে পেৰা এবিধ পক্ষীয়া (২) ১৫। বৰ ভাই বা গভীৰ, সহজে বুজিব নোৱাৰা (৩) ১৬। লৰিজনিলৈ পথা এবিধ হাতথৰা চোলা (২) ১৮। জ্যোতিৰশাস্ত্ৰ মতে সাতটাকৈ নক্ষত্ৰ-চক্ৰৰ ২৬টো (২) ১৯। দিনৰ ঠিক মাজভাগৰ সময়বিধি (৫) ২১। উৎসৱ, বিশেষ দিন বা তিথিত হোৱা পক্ষীয় উৎসৱ (৩) ২৩। বিয়া-পৰাগ, পৰ্ব আদিত নতুন সন্ধ্যা পথাৰী চালি (২) ২৫। ঈশ্বৰ, মৰাপাচল জনীৰে তৈয়াৰী মেৰ পোঙা (২) ২৬। দুকাল হৈ জন্মা আৰু পিছত দুৰ্ণ বয়স হোৱা মহাভাৰতৰ এজন বীৰ (৪) ২৭। চকুৰ সোঁবৰ বা মণিৰ পথা শক্তি, লাজ-জন নথকা (৪) ২৮। আকেল, পাণ আদি নামহী এই ইৰ পথা সংৰক্ষ কৰি থাকা এঠাইত বেয়া লোক (৪)

খিয়কৈ ঃ

১। হুপোৱা কিতাপ-পত্ৰৰ কোনো অধ্যায়ৰ শেষৰ খালী অংশত কুৰি দিয়া ছবি আদি (৪) ২। লোকালয়তে নচলা বা উচলম ধৰ্ম নমনা লোক (৩) ৩। অৰ্থহীন, বিশিষ্টভাৱে শান্তি (৪) ৪। চক্ৰ মাৰাল লিংগ (৫) ৬। নাৰে পৰা বস্তু উঠে বা-পৰে বা কৰ ঠাই (২) ৮। [illegible]

৫। সমোটী
কাপেৰ, শৰ [illegible] (৫) ১০। [illegible] চক্ৰৰ [illegible] (৩) ১১। মুখৰ দুৰ্ভিক্ষ গুৰুত্ব [illegible] (২) ১২। [illegible] এবিধ সুগন্ধ পাম (২) ১৪। [illegible], ঘাতৰি-কাকত বেছি [illegible] (৩) ১৬। [illegible], মুচলমান সন্ন্যাসী (৩) ১৭। [illegible] কিন্তু [illegible] ডাঙৰ [illegible] [illegible] (২) ১৮। পাৰিশ্ৰমিক [illegible] [illegible] হৰা মহিলা, [illegible] (২) ২০। [illegible], [illegible] (৪) ২১। [illegible] [illegible] পাছত [illegible] কল (২) ২২। [illegible] [illegible] [illegible] (২-২) ২৪। [illegible] [illegible] [illegible] [illegible] [illegible] (৩) ২৫। টকা-পইচা [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] (৩)

উত্তৰ অহা সংখ্যাত

১৮ ডিচেম্বৰ ২০২১ সংখ্যাৰ উত্তৰ ঃ

পথালিয়ে ঃ ২। [illegible] ৪। [illegible] ৭। [illegible] ৯। [illegible] ১০। [illegible] ১২। [illegible] ১৩। [illegible] ১৬। [illegible] ১৮। [illegible] ২১। [illegible] ২২। [illegible] ২৪। [illegible] ২৫। [illegible]

খিয়কৈ ঃ ১। [illegible] ৩। [illegible] ৪। [illegible] ৫। [illegible] ৬। [illegible] ৮। [illegible] ১১। [illegible] ১৪। [illegible] ১৫। [illegible] ১৭। [illegible] ১৮। [illegible] ২০। [illegible] ২২। [illegible] ২৩। [illegible]

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ১৯ ডিচেম্বৰ, ২০২১ দেওবাৰ পৃষ্ঠা তিনি

সংবিধানে চৰকাৰী ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত দায়িত্ব প্ৰদান কৰিছে

ডিব্ৰুগড় চহৰত পূৰ্ব-পূৰ্বোত্তৰ ক্ষেত্ৰৰ সংযুক্ত ক্ষেত্ৰীয় ৰাজভাষা সন্মিলন

বিশেষ সংবাদদাতা

ডিব্ৰুগড়, ১৮ ডিচেম্বৰ ঃ ভাৰত চৰকাৰৰ কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ ৰাজভাষা বিভাগৰ উদ্যোগত ডিব্ৰুগড়ত প্ৰথমবাৰ অনুষ্ঠিত হয় পূৰ্ব আৰু পূৰ্বোত্তৰ ক্ষেত্ৰৰ সংযুক্ত ক্ষেত্ৰীয় ৰাজভাষা সন্মিলন। গোৱা, কাণপুৰ আৰু হায়দৰাবাদৰ পাছত ডিব্ৰুগড়ত আজি ভাৰত চৰকাৰৰ *আঠ পৃষ্ঠাত চাওক*

সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱাৰ ডেৰশ বছৰীয়া জন্মজয়ন্তী উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

লখিমপুৰ, ১৮ ডিচেম্বৰ ঃ নতুন প্ৰজন্মক অসমীয়া সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱাৰ জাতীয়তাবোধৰ কৰ্মৰাজিক চিনাকি তথা উদ্বুদ্ধ কৰাৰ লক্ষ্যৰে লখিমপুৰ সচেতন নাগৰিক মঞ্চৰ উদ্যোগত পদ্মনাথ গোহাঞি বৰুৱাৰ ডেৰশ বছৰীয়া জন্মজয়ন্তী আজি জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহ আৰু গান্ধী ময়দান শিশু উদ্যানৰ প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। লখিমপুৰ নাগৰিক মঞ্চৰ সভাপতি উদয়শংকৰ হাজৰিকাই পতাকা উত্তোলনেৰে আৰম্ভ কৰা অনুষ্ঠানটোত মূল সভাত পদ্মনাথ গোহাঞি বৰুৱাৰ সাহিত্য কৃতি আৰু জাতীয়তা ভাবধাৰাৰ সন্দৰ্ভত বক্তব্য আগবঢ়ায় সাহিত্যিক বিনয় কুমাৰ মজুমদাৰে। মুকলি সভাখন উদ্বোধন কৰি লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ অধ্যাপক জয়ন্ত বৰদলৈয়ে কয়, 'অসমীয়া ভাষাৰ সংকট কালত পদ্মনাথ গোহাঞি বৰুৱাই জোনাকী যুগত বৈপ্লৱিক আন্দোলনৰ নেতৃত্বতে অসমীয়া ভাষাই প্ৰাণ পাই উঠিছিল; কিন্তু পৰিতাপৰ কথা বৰ্তমান ইয়াৰ মূল্যায়ন মুঠেই হোৱা নাই। পদ্মনাথ গোহাঞি বৰুৱাক নৱ প্ৰজন্মই কিমানে চিনি পায় সেয়া সন্দেহৰ উৰ্ধৱত। পদ্মনাথ গোহাঞি বৰুৱা পুস্তিকা প্ৰস্তুত কৰি ছাত্ৰ-ছাত্ৰীৰ মাজত বিতৰণ কৰাৰ কথা তেওঁ সদৰী কৰে। সমাজ সংগঠক উদয় শংকৰ হাজৰিকাই সঞ্চালনা কৰা সভাখনত বিশিষ্ট সাহিত্যিক চামচুল *আঠ পৃষ্ঠাত চাওক*

পূব-পূৰ্বোত্তৰ ক্ষেত্ৰৰ সংযুক্ত ক্ষেত্ৰীয় ৰাজভাষা সন্মিলনয় ডিব্ৰুগড়ত, শনিবাৰে।

নগৰবেৰাৰ নলতলাত অগ্নিকাণ্ডত গৃহ ভস্মীভূত

আলোপতি, ১৮ ডিচেম্বৰ ঃ কামৰূপ জিলাৰ বকো সমষ্টিৰ নগৰবেৰা আৰক্ষী থানাৰ অন্তৰ্গত নলতলাত আজি সংঘটিত হয় এক অগ্নিকাণ্ডৰ ঘটনা। উক্ত অগ্নিকাণ্ডত গাঁওখনৰ বাদশা আলীৰ দুটা ঘৰ ভস্মীভূত হয়। পৰিয়ালৰ লোকে উল্লেখ কৰা মতে, দুটা গৃহত থকা গুৰুত্বপূৰ্ণ নথিপত্ৰ, আচবাবৰ লগতে সকলো বয়বস্তু সম্পূৰ্ণৰূপে জুইত জাহ যায়। অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ জানিব পৰা নাই যদিও জুইশালৰ পৰা সূত্ৰপাত হোৱাৰ আশংকা ব্যক্ত কৰিছে স্থানীয় একাংশ লোকে। পাছত স্থানীয় লোকে অগ্নি নিৰ্বাপণ কৰিবলৈ সক্ষম হয়।

সোঁতৰ বিপৰীতে

জাগীৰোডত মূল্যবৃদ্ধিৰ বিৰুদ্ধে কংগ্ৰেছৰ প্ৰতিবাদী যাত্ৰা

অগ্ৰদূত বাৰ্তা

জাগীৰোড, ১৮ ডিচেম্বৰ ঃ অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ বিৰুদ্ধে জাগীৰোড ব্লক কংগ্ৰেছৰ উদ্যোগত আজি ৰূপায়ণ কৰে এক প্ৰতিবাদী যাত্ৰা। জাগীৰোডৰ মাজমজিয়াৰে উলিওৱা এই যাত্ৰাত অংশগ্ৰহণ কৰি শাসনাধিষ্ঠিত বিজেপি চৰকাৰক সমালোচনা কৰে নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে। আনহাতে, জাগীৰোড সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী পীযুষ হাজৰিকাই অসমত যুগ যুগলৈ কংগ্ৰেছে চৰকাৰ গঠন কৰিব নোৱাৰে বুলি কৰা মন্তব্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে। সাংসদ বৰদলৈয়ে কয়, 'কংগ্ৰেছৰ শিপা *আঠ পৃষ্ঠাত চাওক*

মুছলমুৰত বন্যহস্তীৰ উপদ্ৰৱ ঃ চাৰিটা ঘৰ লণ্ডভণ্ড

অগ্ৰদূত বাৰ্তা

মুছলপুৰ, ১৮ ডিচেম্বৰ ঃ বাগ্‌সা জিলাৰ বিভিন্ন প্ৰান্তত বন্যহস্তীৰ উপদ্ৰৱ অব্যাহত আছে। যোৱা নিশাও এটা হাতীৰ জাকে মুছলপুৰ মহকুমাৰ পাখামাৰা ব্ৰহ্মপুৰ অঞ্চলত উপদ্ৰৱ চলায়। হাতীৰ জাকটোৱে পাখামাৰাৰ সুমিত্ৰা ব্ৰহ্ম, ধিংৰা ব্ৰহ্ম, *আঠ পৃষ্ঠাত চাওক*

পংজাব নেশ্যনল বেঙ্ক ...ভৰোসে কা প্ৰতীক ! | punjab national bank ...the name you can BANK upon !

নগাঁও সঙ্ঘ কাৰ্যালয়, হুলধৰ ভূঁঞা মাৰ্কেট, নগাঁও-৭৮২৫০৩
টেলিফোন ঃ (০৩৬৭২) ২৩০৩৯৯, ২৫২৫৪২, ফেক্স ঃ ০৩৬৭২ - ২৫২৫৪২, ই-মেইল ঃ cs8287@pnb.co.in
(সংশোধিত এছ এল -১৩ এ)

দখল জাননী

একেই অনুমোদিত বিষয়াৰ দ্বাৰা এজনতকৈ অধিক ঋণীৰ স্থাৱৰ সম্পত্তিৰ বাবে সাধাৰণ দখল জাননী
(স্থাৱৰ সম্পত্তিৰ বাবে)

বিষেষ,
পাঞ্জাব নেচনেল বেঙ্কে/পাঞ্জাব নেচনেল বেঙ্কৰ অনুমোদিত বিষয়া/সমূহৰ হিকিতৰিটিবিলাকে এছ ৰিকভাৰী কাহন অফ ফাইনেন্সিয়েল এছেট্ছ এণ্ড এনফোৰ্চমেণ্ট অফ ছিকিউৰিটি ইণ্টাৰেষ্ট এক্ট, ২০০২ৰ অনুসৰি আৰু হিকিতৰি ছিকিউৰিটি ইণ্টাৰেষ্ট (এনফোৰ্চমেণ্ট) ৰুলছ ২০০২ৰ অধীনত অৰ্পিত ক্ষমতাৰে তলত উল্লিখিত ঋণীৰ বিপৰীতে তলত উল্লেখ কৰা তাৰিখে সম্পত্তিৰ দখল লোৱা হয়।
ঋণীক আৰু সাধাৰণতে জনসাধাৰণক এই জাননী জাৰী কৰা হল যে নিম্নস্বাক্ষৰকাৰীয়ে উল্লিখিত আইনৰ ধাৰা ১৩(৪) সপ্ত-ধাৰা (৪) সীল উপৰি কল ৮ অৰে মা ছিকিউৰিটি ইণ্টাৰেষ্ট (এনফোৰ্চমেণ্ট) ৰুলছ ২০০২ৰ অধীনত অৰ্পিত ক্ষমতাৰে তেওঁলোকৰ নামৰ বিপৰীতে তলত উল্লেখ কৰা তাৰিখে সম্পত্তিৰ দখল লোৱা হয়।
ঋণীক আৰু সাধাৰণতে জনসাধাৰণক সতৰ্ক কৰা হয় যে সম্পত্তিখিনি উপলব্ধ সময়ৰ ভিতৰতে উদ্ধাৰ কৰাৰ বাবে ঋণীৰ/জামিনদাৰৰ/বন্ধকদাতাৰ মৃষ্টি আকৰ্ষণ কৰা হ'ল।
ইয়াৰ দ্বাৰা বিশেষকৈ ঋণী/সকলক আৰু সাধাৰণতে সাধাৰণক উক্ত সম্পত্তি সম্পৰ্কে লেন দেন নকৰিবলৈ সতৰ্ক কৰি দিয়া হ'ল আৰু কৰিলে সেয়া পাঞ্জাব নেচনেল বেঙ্ক দ্বাৰা কৰা হলৰ পৰিণাম আৰু সুদৰ বিনিময়ৰত হ'ব।

ক্ৰ. নং.	শাখাৰ নাম	একাউণ্টৰ নাম	ক) ঋণী খ) জামিনদাৰ গ) সম্পত্তিৰ মালিকৰ নাম	বন্ধকী থকা সম্পত্তিৰ বিৱৰণ	দাবী জাননীৰ তাৰিখ	দখল জাননী সংলগ্ন কৰা তাৰিখ	দাবী জাননী তাৰিখত পাব লগীয়া ধন	অনুমোদিত বিষয়া/ সমূহৰ নাম
১	মৈৰাবাৰী	অৰুণ কুমাৰ ঘোষ	ক) মাইকেল ইছলাম আনছাৰি (মেচাৰ্ট অফ ৰুৰল ঘোষৰ প্ৰ্যাক্টিছনাৰ), পিতা - প্ৰয়াত ৰ্ক্ষহাকদ্দিন খ) মাকিলা বেগম, স্বামী - মাইকেল ইছলাম আনছাৰি গ) মাইকেল ইছলাম আনছাৰি, পিতা - প্ৰয়াত ৰ্ক্ষহাকদ্দিন	মাইকেল ইছলাম, পিতা - প্ৰয়াত আনছাৰুদ্দিন নামত থকা ৰাজহুৱা ৰাস্তাৰ পশ্চিম, পোষ্ট অফিছ-মৈৰাবাৰী, জিলা-নাগাঁও, জিলা-মৈৰাবাৰী, জিলা-নাগাঁও (আসাম)ত থকা নং ৩০১১ (পুৰণি) / ৬১৩ (নতুন), পট্টা নং ৩৬১ (পুৰণি) / ৩৮৯ (নতুন)ৰ অধীনত ১৫ লোচা পৰিমাণৰ মাটি আৰু বিল্ডিং।	২৬/০৬/২০২১	১৩/১২/২০২১	৯,১৭,৩০৪.২৮ টকা	শ্ৰী ৰাজেশ কুমাৰ
২	মৈৰাবাৰী	ছিটি মুল্ল	ক) ইফতিকাৰ হুছেইন (মেচাৰ্ট ছিটি মুল্লৰ কৰ্তৃপক্ষীয়াৰী), পিতা - মোঃ হাকুৰ আলী খ) হাফিজুৰ ৰহমান, পিতা - আকবৰ আলী গ) শ্ৰী ইফতিকাৰ হুছেইন, পিতা - মোঃ হাকুৰ আলী	শ্ৰী ইফতিকাৰ হুছেইন, পিতা - মোঃ হাকুৰ আলীৰ নামত বিভাগ ৰেকৰ্ডত কৰ্ম ইলাকা, মৌজা-মৈৰাবাৰী, জিলা-নাগাঁও (আসাম)ত থকা নং ৩২৪, পট্টা নং ৪০৪ ৰ অধীনত ১ বিঘা ১ কঠা পৰিমাণৰ মাটি আৰু বিল্ডিং।	২৬/০৬/২০২১	১৩/১২/২০২১	২৫,২৪,৮৯২.৫৮ টকা	শ্ৰী ৰাজেশ কুমাৰ
৩	মৈৰাবাৰী	মোফিজ উদ্দিন	ক) মোফিজ উদ্দিন (মেচাৰ্ট মোফিজ ট্ৰেডাৰ্চৰ কৰ্তৃপক্ষীয়াৰী), পিতা - নবু লেখি খ) আব্দুল হালিম, পিতা - ইমান আলী ফকীৰ গ) মোফিজ উদ্দিন, পিতা - নবু লেখি	মোফিজ উদ্দিন, পিতা - নবু লেখিৰ নামত কিহাৰ - মৈৰাবাৰী, মৌজা-মৈৰাবাৰী, জিলা-নাগাঁও (আসাম)ত থকা নং ৯০২, পট্টা নং ৯২৪ৰ অধীনত ০৩ বিঘা ০১ কঠা পৰিমাণৰ মাটি আৰু বিল্ডিং।	২৬/০৬/২০২১	১৩/১২/২০২১	১৬,৯৯,৭৬৯.১৪ টকা	শ্ৰী ৰাজেশ কুমাৰ
৪	মৈৰাবাৰী	নেজাউল কবিৰ	ক) নেজাউল কবিৰ, পিতা-সিৰাজুল ইছলাম খ) মনোৱাৰুল হক, পিতা-সিৰাজুল ইছলাম আৰু হাছনাৰা বেগম, স্বামী - সিৰাজুল ইছলাম গ) হাছনাৰা বেগম, স্বামী - সিৰাজুল ইছলাম	হাছনাৰা বেগম, স্বামী-সিৰাজুল ইছলামৰ নামত কিহাৰ - মৈৰাবাৰীগাঁও, মৌজা-মৈৰাবাৰী, জিলা মৰিগাঁও (আসাম)ত থকা নং ৪৫, পট্টা নং ১২৭৮ অধীনত ১১ লোচা পৰিমাণৰ মাটি আৰু বিল্ডিং।	১৫/০৭/২০২১	১৩/১২/২০২১	৫,৭৮,৮৪৫.০০ টকা	শ্ৰী ৰাজেশ কুমাৰ
৫	মৈৰাবাৰী	বিহাৰ কৰ্মকাৰ	ক) মোঃ গৌহাল হুছেইন, কৰ্তা বিহাৰ কৰ্মকাৰ, পিতা - মোঃ আব্দুল কাদিৰ খ) আব্দুল কাদিৰ, পিতা প্ৰয়াত হজৰত আলী গ) আব্দুল কাদিৰ, পিতা প্ৰয়াত হজৰত আলী	আব্দুল কাদিৰ, পিতা প্ৰয়াত হজৰত আলীৰ নামত কিহাৰ - মৈৰাবাৰী টাউন, মৌজা-মৈৰাবাৰী, জিলা-মৰিগাঁও (আসাম)ত থকা নং ৪৩,পট্টা নং ৩৩৭ৰ অধীনত ০২ কঠা ১০ লোচা পৰিমাণৰ মাটি আৰু বিল্ডিং	৩১/০৩/২০২১	১৩/১২/২০২১	১১,১৮,০৩২.২৬ টকা	শ্ৰী ৰাজেশ কুমাৰ
৬	মৈৰাবাৰী	প্ৰবিন কুমাৰ ডেকা	ক) মাহিবুৰ ৰহমান (প্ৰবিন কুমাৰ ডেকাৰ কৰ্তৃপক্ষীয়াৰী), পিতা - আব্দুল আজিম খ) আব্দুল আজিম, পিতা - প্ৰয়াত ফজৰ আলী গ) আব্দুল আজিম, পিতা - প্ৰয়াত ফজৰ আলী	আব্দুল আজিম, পিতা - ফজৰ আলীৰ নামত কিহাৰ-আজিমগাঁও পাথাৰ, মৌজা-মৈৰাবাৰী, জিলা-মৰিগাঁওত থকা নং ৫৩৯ (পুৰণি) / ৪০১ (নতুন), পট্টা নং ১৩৯ (পুৰণি) / ৩৭৯ (নতুন)ৰ অধীনত ০১ কঠা ১৭ লোচা পৰিমাণৰ মাটি আৰু বিল্ডিং।	১৯/০৭/২০২১	১৩/১২/২০২১	৭,২২,৬৭২.০০ টকা	শ্ৰী ৰাজেশ কুমাৰ
৭	মৈৰাবাৰী	টেপ ট্ৰিক ইণ্ডাষ্ট্ৰী	ক) মোঃ আমিনুল হক (মেচাৰ্ট টেপ ট্ৰিক ইণ্ডাষ্ট্ৰিজ কৰ্তৃপক্ষীয়াৰী), পিতা - প্ৰয়াত নুৰ মহম্মদ খ) বিৰজুদ্দিন আহমদ, পিতা-হাজি মোঃ নুৰুল আলী গ) মোঃ আমিনুল হক, পিতা - প্ৰয়াত নুৰ মহম্মদ	কিহাৰ-পানবাৰী সত্ৰ, মৌজা-মৈৰাবাৰী, জিলা-নাগাঁও (আসাম)ত থকা নং ৬০৪ (পুৰণি) / ৬৬১ (নতুন), পট্টা নং ২১৮ অধীনত ১৪ কঠা ১০ লোচা পৰিমাণৰ মাটি আৰু বিল্ডিং। সম্পত্তিখিনি মুস্তাফিজুল হকে, পিতা - প্ৰয়াত নুৰ মহম্মদ নামত আছে।	১৯/০৭/২০২১	১৩/১২/২০২১	১৮,৫৫,৯৭৮.৩৩ টকা	শ্ৰী ৰাজেশ কুমাৰ
৮	মৈৰাবাৰী	নিশান প্ৰেচিং	ক) মোঃ জিদ্দিবুল ৰহমান, কৰ্তা নিশান প্ৰেচিং, পিতা - শ্ৰী আব্দুৰ ৰহমান খ) মোঃ মোস্তিবুৰ ৰহমান, পিতা মোঃ কৰাকত আলী গ) মোঃ জিদ্দিবুল ৰহমান, পিতা - শ্ৰী আব্দুৰ ৰহমান	তিহাৰ হাতিমুৰীয়া, মৌজা-মৈৰাবাৰী, জিলা-মৰিগাঁও (আসাম)ৰ মাগ নং ৫৪২, ৫৪৩, ৫৮৭, পট্টা নং ৩৬১, ৪৭২ৰ অধীনত ০৫ বিঘা ০১ কঠা পৰিমাণৰ মাটি আৰু বিল্ডিং। সম্পত্তি মোঃ জিদ্দিবুল ৰহমান, পিতা - শ্ৰী আব্দুৰ ৰহমানৰ নামত আছে।	১৯/০৭/২০২১	১৩/১২/২০২১	৪১,৪১,৫৮১.৮১ টকা	শ্ৰী ৰাজেশ কুমাৰ
৯	মৈৰাবাৰী	জুনাইল হুছেইন	ক) জুনাইল হুছেইন, পিতা - প্ৰয়াত আব্দুল চুবান খ) উদ্দি কুলছুম, স্বামী-প্ৰয়াত আব্দুল চুবান গ) উদ্দি কুলছুম, স্বামী-প্ৰয়াত আব্দুল চুবান	শ্ৰীমতী উদ্দি কুলছুম, স্বামী - প্ৰয়াত আব্দুল চুবানৰ নামত কিহাৰ - হাতিমুৰীয়া, মৌজা-মৈৰাবাৰী, জিলা মৰিগাঁও (আসাম)ত মাগ নং ৫৪৩(পু), ৮০৫(নতুন), পট্টা নং ৪১(পু) ৫৪৯(নতু)ৰ অধীনত ০২ কঠা ১৫ লোচা পৰিমাণৰ মাটি আৰু বিল্ডিং।	২৯/০৭/২০২১	১৩/১২/২০২১	৪,২৮,৯৭৫.৫৫ টকা	শ্ৰী ৰাজেশ কুমাৰ
১০	মৈৰাবাৰী	আহমদ ফ্ল'ত ষ্টোৰ	ক) আৰিফ উদ্দিন মোঃ আহমদ (আহমদ ফ্ল'ত ষ্টোৰৰ কৰ্তৃপক্ষীয়াৰী), পিতা - আব্দুল কলিল খ) মোঃ মাহফুজুৰ ৰহমান, পিতা - আলা উদ্দিন আহমদ গ) আৰিফ উদ্দিন মোঃ আহমদ, পিতা - আব্দুল কলিল	আৰিফ উদ্দিন মোঃ আহমদ, পিতা - আব্দুল কলিলৰ নামত তিহাৰ-পানবাৰী সত্ৰ, মৌজা-ধিং, জিলা-নগাঁও (আসাম)ত মাগ নং ৪১, পট্টা নং ৩৬৩ অধীনত ০২ কঠা ০১ লোচা পৰিমাণৰ মাটি আৰু বিল্ডিং।	২৯/০৬/২০২১	১৩/১২/২০২১	১১,৫৭,৭১০.০০ টকা	শ্ৰী ৰাজেশ কুমাৰ

তাৰিখ ঃ ১৯/১২/২০২১
স্থান ঃ নগাঁও

ছা/-
অনুমোদিত বিষয়া
পাঞ্জাব নেচনেল বেঙ্ক

চিকিৎসালয়ত চিকিৎসকৰ উত্তপ্ত পৰিস্থিতি

নাৰ্ছিং হোমত লুণ্ঠন চলোৱাৰ অভিযোগ মহিলা চিকিৎসকৰ ঃ গোচৰ ৰুজু

অগ্ৰদূত বাৰ্তা

হোজাই, ১৮ ডিচেম্বৰ ঃ ৰোগীয়ে নহয় এইবাৰ চিকিৎসকে উত্তপ্ত কৰিলে নাৰ্ছিং হোম। এই ঘটনা সংঘটিত হৈছে হোজাইত। হোজাইৰ ঠাকুৰবাৰীত থকা ষ্টাৰ কেয়াৰ বিচাৰ্চ চেণ্টাৰ নামৰ নাৰ্ছিং হোমত উত্তপ্ত পৰিস্থিতি সৃষ্টি হয়। চিকিৎসালয় কৰ্তৃপক্ষই মহিলা চিকিৎসক ডাঃ স্মিতা ভৌমিকক দুৰ্ব্যৱহাৰ কৰাৰ অভিযোগত সৃষ্টি হয় এই পৰিৱেশ। চিকিৎসালয়খনৰ মালিক পক্ষই ৰোগীক লুণ্ঠন চলোৱাৰ বাবেই বিধিসন্মতভাৱে নাৰ্ছিং হোমৰ পৰা অব্যাহতি লৈছিল চিকিৎসক ভৌমিকে। তেওঁ বিগত ডেৰ বছৰৰ পৰা চিকিৎসালয়ত কৰ্মৰত আছিল আৰু বিগত সময়ত চিকিৎসালয়ৰ কৰ্তৃপক্ষই ৰোগীৰ ওপৰত লুণ্ঠন চলাই যোৱাৰ প্ৰতিবাদ কৰাত মহিলা চিকিৎসকজনক নাৰ্ছিং হোম কৰ্তৃপক্ষই হাৰাশাস্তি কৰাৰ প্ৰতিবাদ কৰোতেই চিকিৎসালয়খনত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। চিকিৎসালয়ত দীৰ্ঘদিন ধৰি চিকিৎসাৰ নামত অনৈতিকভাৱে ৰোগীৰ পৰা অত্যধিক ধন সগ্ৰহ কৰাৰ অভিযোগ কৰে মহিলা চিকিৎসকগৰাকীয়ে। তেওঁৰ এই অভিযোগ চিকিৎসালয়ৰ স্বত্বাধিকাৰী ডাঃ সুমিত দাস আৰু প্ৰৱন্ধক প্ৰশান্ত চৰকাৰৰ *আঠ পৃষ্ঠাত চাওক*

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ৩ পুহ ১৪২৮ ভাস্কৰাব্দ ১৯ ডিচেম্বৰ ২০২১

বিয়াৰ বয়স

কেন্দ্ৰীয় চৰকাৰে ছোৱালীৰ বিয়াৰ বৈধ বয়স সন্দৰ্ভত পূৰ্বৰ সকলো আইন নস্যাৎ কৰি এই সন্দৰ্ভত এখন নতুন আইন প্ৰণয়নৰ সিদ্ধান্ত লৈছে। ছোৱালীৰ বিয়াৰ বৈধ বয়স পূৰ্বৰ ১৮ৰ পৰিৱৰ্তে ২১ বছৰলৈ বৃদ্ধিৰ সিদ্ধান্তলৈ কেন্দ্ৰীয় কেবিনেটে যোৱা ১৬ ডিচেম্বৰত অনুমোদন জনাইছে আৰু সংসদৰ শীতকালীন অধিৱেশনতে অহা ২০ ডিচেম্বৰত এই বিধেয়ক উত্থাপন কৰা হ'ব। এই বিধেয়ক লোকসভা আৰু ৰাজ্যসভাত সহজে গৃহীত হ'ব বুলি আশা কৰা হৈছে। ছোৱালীৰ বিয়াৰ বৈধ বয়স ২১ লৈ বৃদ্ধি কৰা এই বিধেয়কখন হ'ল প্ৰহিবিছন অৱ চাইল্ড মেৰিজ (এমেণ্ডমেন্ট) বিল, ২০২১ অথবা বাল্য বিবাহ নিষিদ্ধ (সংশোধনী) বিধেয়ক, ২০২১। এই বিধেয়কখনে ছোৱালী আৰু ল'ৰাৰ বিয়াৰ বৈধ বয়স সন্দৰ্ভত পূৰ্বৰ সকলো আইন বাতিল কৰিছে। এই নতুন বিধেয়ক তথা আইনে পূৰ্বৰ হিন্দু বিবাহ আইন ১৯৫৫, মুছলিম পাৰ্ছনেল ল (শ্ববিয়ত) এপ্লিকেছন এক্ট ১৯৩৭, খ্ৰীষ্টান বিবাহ আইন ১৮৭২ আদি সকলো আইনৰ বিলুপ্তি ঘটাব আৰু নতুন বিবাহ আইন প্ৰৱৰ্তন কৰিব। উল্লেখ্য যে এই নতুন আইন জাতি-ধৰ্ম নিৰ্বিশেষে সকলোৰে বাবে সমানে প্ৰযোজ্য হ'ব বুলি কোৱা হৈছে। অৰ্থাৎ হিন্দু, মুছলমান, শিখ, পাৰ্চী, খ্ৰীষ্টান সকলোৱে ছোৱালী আৰু ল'ৰাৰ বিবাহৰ বৈধ বয়স সম্পৰ্কীয় এই আইন মানিব লাগিব। দেশৰ সচেতন নাগৰিকসকলে কেন্দ্ৰীয় চৰকাৰৰ এই নতুন সিদ্ধান্ত তথা বিধেয়কৰ প্ৰতি আদৰণি জনোৱা পৰিলক্ষিত হৈছে আৰু ইয়াৰ পৰাই ক'ব পৰা যায় যে দেশৰ সংখ্যাগৰিষ্ঠ লোকে চৰকাৰৰ নতুন আইনৰ প্ৰতি সমৰ্থন আগবঢ়াব; কিন্তু একাংশ ৰাজনৈতিক নেতা, বিধায়ক-সাংসদে চৰকাৰৰ সিদ্ধান্তৰ বিৰোধিতা কৰিছে। উত্তৰ প্ৰদেশৰ দুগৰাকী সমাজবাদী পাৰ্টিৰ সাংসদ ছৈয়দ টুফেইল হাছান আৰু সাংসদ ছফিকুৰ ৰহমান বাৰ্কে চৰকাৰৰ সিদ্ধান্তৰ বিৰোধিতা কৰিছে আৰু সংসদত এই বিধেয়কৰ বিৰুদ্ধে তেওঁলোকে ভোটদান কৰিব বুলি কৈছে। সাংসদ হাছানৰ মতে, মহিলাৰ ১৬-১৭ বছৰ বয়সৰ পৰা ৩০ বছৰ বয়সলৈ প্ৰজনন বা গৰ্ভধাৰণ ক্ষমতা থাকে। যদিহে মহিলাৰ গৰ্ভধাৰণ ক্ষমতা ১৬-১৭ বছৰ হ'ব পাৰে, তেন্তে ই ছোৱালীৰ বিয়াৰ উপযুক্ত বয়স বুলি ক'ব লাগিব। বিয়াৰ বয়স পিছুৱাই দিলে পিতৃ-মাতৃৰ জীৱনৰ শেষ দশকতো ল'ৰা-ছোৱালীয়ে কলেজ, বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিয়ে থাকিব। ইয়াৰ ফলত দুটা সমস্যাই দেখা দিব। এটা হ'ল ছোৱালীৰ গৰ্ভধাৰণ ক্ষমতা হ্ৰাস পাব আৰু দ্বিতীয়টো হ'ল ল'ৰা-ছোৱালীয়ে কৰ্মসংস্থাপন লাভ কৰাৰ আগেয়েই পিতৃ-মাতৃৰ জীৱনলৈ বাৰ্দ্ধক্য নামি আহে। সমাজবাদী পাৰ্টিৰ সাংসদ হাছানৰ মতে এই নতুন আইনে জীৱনৰ প্ৰাকৃতিক চক্ৰক বাধা দিব। তেওঁৰ সহযোগী সাংসদ ৰহমান বাৰ্কৰ মতে ভাৰত এখন দৰিদ্ৰ দেশ। সেয়ে দৰিদ্ৰ শ্ৰেণীৰ লোকসকলে আগবয়সতে ছোৱালীক বিয়া দিব বিচাৰে। তেওঁৰ এনে অভিমতৰ অৰ্থ হ'ল, দৰিদ্ৰ পৰিয়ালবিলাকৰ বাবে সোনকালে ছোৱালীক বিয়া দিব পাৰিলে পৰিয়াল উপকৃত হয়। সমাজবাদী পাৰ্টিৰ একাংশ সাংসদৰ এনে যুক্তি তথা স্থিতিৰ পৰা দলৰ নেতা অখিলেশ যাদৱ আঁতৰি আছে; কিন্তু তেওঁ ইয়াৰ বিৰোধিতা নকৰাটো তাৎপৰ্যপূৰ্ণ। আনহাতে, দলৰ ৰাজ্যসভাৰ সাংসদ জয়া বচ্চনে চৰকাৰৰ সিদ্ধান্তৰ প্ৰতি সমৰ্থন আগবঢ়াইছে। তেওঁৰ মতে এয়া এক ভাল সিদ্ধান্ত। ই ছোৱালীক অধিক শিক্ষা গ্ৰহণৰ বাবে সুযোগ দিব। তেওঁলোকে স্বাধীন জীৱন উপভোগ কৰিবলৈ সক্ষম হ'ব আৰু তেওঁলোকে ভাল কামত নিযুক্তি লাভ কৰিব পাৰিব।

উল্লেখ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা স্বাধীনতা দিৱসৰ ভাষণতে ঘোষণা কৰিছিল ছোৱালীৰ বিয়াৰ বয়স ১৮ৰ পৰিৱৰ্তে ২১ বছৰ কৰাৰ বিষয়ত চৰকাৰে বিবেচনা কৰি থকাৰ কথা। হিন্দুসকলে হিন্দু বিবাহ আইন অনুসৰি ছোৱালীৰ বৈধ বিবাহৰ বয়স ১৮ আৰু ল'ৰাৰ ২১ বছৰ মানি আহিছে; কিন্তু মুছলিম পাৰ্ছনেল আইন ১৯৩৭ অনুসৰি ছোৱালীৰ বিয়াৰ বয়স ১৫ আৰু সেয়ে একাংশ মুছলিম ধৰ্মীয় লোকে ১৮ বছৰ পূৰ্বেই ছোৱালীৰ বিয়া দিয়াৰ প্ৰতি সমৰ্থন আগবঢ়াই আহিছে। অসম তথা ভাৰতৰ একাংশ দৰিদ্ৰ শ্ৰেণীৰ মুছলমান পৰিয়ালে আনকি ১৫ বছৰ নৌহওঁতেই ছোৱালী বিয়া দিয়া দেখা যায়। ইয়াক প্ৰকৃততে বাল্য বিবাহ বুলি ক'ব পাৰি। সচেতন ব্যক্তি তথা সংগঠনে এনে বাল্য বিবাহ বন্ধ কৰা নাইবা ইয়াৰ বিৰুদ্ধে সক্ৰিয় ভূমিকা লোৱা দেখা যায়। বৰ্তমান চৰকাৰৰ নতুন বিধেয়কে ছোৱালীৰ বিয়াৰ বয়স ১৮ৰ পৰা ২১ বছৰলৈ বৃদ্ধি কৰিছে যদিও ল'ৰাৰ বিয়াৰ বয়স ২১ হৈয়ে আছে অৰ্থাৎ ইয়াৰ সাল-সলনি কৰা হোৱা নাই। অৱশ্যে সকলোৱে মনত ৰাখিব লাগিব যে ছোৱালী আৰু ল'ৰাৰ বিয়াৰ বৈধ বয়স ২১ বছৰ কৰা হৈছে যদিও এয়া নিম্নতম বয়স সীমা। অৰ্থাৎ ২১ বছৰৰ তলত কোনো ছোৱালীৰ বিয়া বৈধ বা আইনসন্মত নহ'ব। এই আইন ভংগ কৰি কম বয়সত বিয়া দিলে অবৈধ হ'ব আৰু আইন অনুসৰি সংশ্লিষ্ট সকলোকে শাস্তি প্ৰদান কৰা হ'ব।

চৰকাৰে ছোৱালীৰ বিয়াৰ বয়স ১৮ৰ পৰিৱৰ্তে ২১ কৰাৰ ক্ষেত্ৰত কে'বাটাও গুৰুত্বপূৰ্ণ কাৰণ দৰ্শাইছে। প্ৰধানকৈ ছোৱালীৰ শিক্ষা আৰু স্বাস্থ্য, সন্তানৰ স্বাস্থ্য আদিৰ ওপৰত প্ৰাধান্য দিয়া হৈছে। ছোৱালীয়ে যাতে মহাবিদ্যালয়-বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিবলৈ সুযোগ লাভ কৰে, তেওঁলোকৰ ছাত্ৰী জীৱন যাতে আধাতে অন্ত নপৰে— সেই কথাৰ প্ৰতি গুৰুত্ব দিয়া হৈছে। চৰকাৰে 'বেটী পঢ়াও বেটী বচাও' শ্ল'গান দি আহিছে। স্নাতক-স্নাতকোত্তৰ শ্ৰেণীলৈকে পঢ়াৰ সুযোগ পালেহে ছাত্ৰীসকলে ভাল কামত নিযুক্তি লাভ কৰিব আৰু আত্মনিৰ্ভৰশীল হ'ব পাৰিব। নাৰী স্বাধীনতা হ'ল মহিলাৰ আত্মনিৰ্ভৰশীলতা আৰু ইয়াকেই নাৰী সৱলীকৰণ বুলিও ক'ব পাৰি। চৰকাৰৰ সিদ্ধান্ত অথবা নতুন আইনে দেশৰ কোটি কোটি মহিলাৰ জীৱনলৈ পৰিৱৰ্তন আনিব বুলিও আশা কৰা হৈছে। মাত্ৰ ১৮ বছৰ হ'লেই ছোৱালীক ছোৱালীৰ ইচ্ছাৰ বিৰুদ্ধে গৈও পিতৃ-মাতৃয়ে বিয়া দিয়াটো এতিয়া সম্ভৱ নহ'ব। উচ্চ শিক্ষাৰ বাবে ছোৱালীয়ে সময় পাব। কলেজ-বিশ্ববিদ্যালয়ৰ উচ্চ শিক্ষাই ছোৱালীৰ জীৱন সলনি কৰিব। তেওঁলোকে তেওঁলোকৰ অধিকাৰসমূহৰ বিষয়ে জানিব আৰু অধিকাৰ সাব্যস্ত কৰিব পাৰিব। মাতৃত্ব কি, মাতৃত্ব লাভৰ ক্ষেত্ৰত সিদ্ধান্ত লোৱা আদি বিষয়বোৰত ছোৱালীয়ে সামৰ্থ্য আহৰণ কৰিবলৈ সক্ষম হ'ব আৰু ইয়াৰ ফলত মাতৃৰ বা প্ৰসূতিৰ মৃত্যুৰ হাৰ হ্ৰাস পাব। ইয়াৰ উপৰি ছোৱালী শিক্ষিত হ'লে সন্তানৰ বা শিশুৰ মৃত্যুৰ হাৰো হ্ৰাস পাব। বৰ্তমান ভাৰতীয় সমাজ মূলতঃ পুৰুষ প্ৰধান হৈয়ে আছে। ছোৱালীয়ে অধিক শিক্ষা লাভ কৰিলে অধিক সংখ্যক মহিলা বিষয়া-কৰ্মচাৰী পোৱা যাব, তেওঁলোকে সম-অধিকাৰ লাভ কৰা সম্ভৱ হ'ব আৰু লিংগ বৈষম্য বা লিংগ অসমতা দূৰ কৰাটো সম্ভৱ হ'ব। চৰকাৰৰ মহিলা সৱলীকৰণ আঁচনি 'বেটী পঢ়াও বেটী বচাও' আঁচনি আদি আঁচনিসমূহ সফল হ'বলৈ হ'লে ছোৱালীৰ বাবে উচ্চ শিক্ষাৰ পথ প্ৰশস্ত কৰিব লাগিব আৰু বিয়াৰ বৈধ বয়স ২১ বছৰ হ'লে নিশ্চয় অধিক সংখ্যক ছোৱালীয়ে উচ্চ শিক্ষা লাভ কৰিবলৈ সক্ষম হ'ব।

গণতন্ত্ৰ আৰু গুণ্ডামি একে নহয়

ধৰ্ম ব্যৱসায়ীবোৰে ৰাজনীতিত ধৰ্মৰ ব্যৱসায় কৰে

আত্মজিজ্ঞাসা

কানাডাৰ পৰা **মুস্তাফিজুৰ ৰহমান**

ভালপোৱাক তুলাচনীৰে জোখা নাযায়। এনে এক আশ্চৰ্য আভ্যন্তৰীণ অভিব্যক্তি এই প্ৰেম যে কোনো ব্যক্তিয়ে কোন ক্ষণত কেনে ভংগীত তাক প্ৰকাশ কৰে, তাৰ কোনো পূৰ্বাভাষ নিৰ্ভুলভাৱে প্ৰকাশ কৰা টান। জীৱনৰ বিভিন্ন স্তৰত বিভিন্নভাৱে আত্মপ্ৰকাশ কৰে মানুহৰ প্ৰেম। সেয়া মাতৃভাষাৰ প্ৰতিয়েই হওক, দেশৰ মাটিৰ প্ৰতিয়েই হওক। চিন্তাবিদ সুসাহিত্যিক ড° অনিমা গুহৰ সৰুভনী প্ৰতিমা বাইদেউৱে হৃদয়ৰ তাগিদাত বাঙালী অধ্যুষিত শিলচৰত স্থাপন কৰিছিল দেশভক্ত তৰুণৰাম ফুকন হাইস্কুল। স্কুল সাজিবৰ বাবে প্ৰতিমা বাইদেৱে যেতিয়া চৰকাৰৰ পৰা ছবিঘা মাটি লাভ কৰিছিল, তেতিয়া ৰাতিৰ ভিতৰতেই তাত বহুতেই দোকান সাজি সেই মাটি দখল কৰিছিল। বহু কষ্টেৰে সেই মাটি মুকলি কৰি যেতিয়া তাত স্কুলঘৰ সাজিবলৈ আৰম্ভ কৰিছিল, তেতিয়া দেৱালত দুৰ্বৃত্তই পোষ্টাৰ মাৰিছিল। *এখানে বাংলা ভাষা চলবে অহমীয়া ভাষা চলবেনা। এখানে বাংলা বলতে হবে ইত্যাদি।* বাইদেউৱে স্কুললৈ *মেখেলা-চাদৰ পিন্ধি গৈছিল। তাতো বাধা।* এখানে মেখলা পৰা চলবে না। স্কুলত দুৰ্বৃত্তই এবাৰ অগ্নিসংযোগো কৰিছিল; কিন্তু কিছু সৎ মানুহৰ সহায়-সহযোগত বহু ত্যাগ, কষ্ট স্বীকাৰ কৰি বাইদেউৱে গঢ়ি তুলিবলৈ সক্ষম হৈছিল দেশভক্ত তৰুণৰাম ফুকন হাইস্কুল। প্ৰতিমা বাইদেউৰ সেই ত্যাগ আৰু কষ্টৰ কোনো স্বীকৃতি নিমিলিল আজিলৈকে। দেশত ইমানবোৰ জাতীয়তাবাদী সংগঠন আছে, সদৌ অসম ছাত্ৰ সন্থা আছে, তাৰ কোনো এটাই বাইদেউৰ ত্যাগ আৰু কষ্টৰ কোনো মূল্য নিদিলে।

ভাষাৰ এটা নিৰ্দিষ্ট ৰূপ আছে। বৰ্ণমালা, ব্যাকৰণ, সাহিত্য। দৃষ্টিগোচৰ এক বাহ্যিক ভূষণ আছে ভাষাৰ; কিন্তু মূল্যবোধ সিমান স্বচ্ছ নহয়। তাৰ নিবাস ইন্দ্ৰিয়ৰ গভীৰ কেন্দ্ৰত। তাৰ যোগাযোগ অৱচেতন মনৰ স'তে। ফলত তাৰ প্ৰকৃত ৰূপ প্ৰায়েই আমাৰ চেতনাৰ মঞ্চত আত্মপ্ৰকাশ নকৰে।

'There are only two
Lasting things that
We can give our children.
One is roots,
The other is wings'
– Author Unknown

দুই

মানুহৰ কামনাৰ বহু বৰ্ণিল, বহু ভংগিমা, অভিব্যক্তি মন্ত্ৰৰ পৰা সুক্ত, স্তোত্ৰৰ পৰা কবিতা— নানা ভাষাত মানুহৰ কণ্ঠত উচ্চাৰিত হৈছে সংখ্যা গণনাৰ অতীত প্ৰত্যুষ কালৰ পৰাই। যি সমাজৰ আমি অধিবাসী সেই সমাজ বিভক্ত নানা পৰস্পৰ বিৰোধী স্বাৰ্থৰ বৰ্গমিগুলীত। বৰ্গ বিভক্ত সমাজত কোনো উৎসৱো হ'ব নোৱাৰে বৰ্গস্বাৰ্থশূন্য। যি বৰ্গ আনৰ শ্ৰমজাত সম্পদ আহৰণ কৰি সম্পন্ন হয় আৰু যি বৰ্গ নিজৰ শ্ৰমৰ ফলৰ পৰা হয় বঞ্চিত— সেই দুই বৰ্গৰ উৎসৱ কেতিয়াও অভিন্ন মঞ্চপত অনুষ্ঠিত হ'ব নোৱাৰে। দুই উৎসৱৰ মন্ত্ৰও নহয় অভিন্ন। মন্ত্ৰ মূল্যহীন নহয়; কিন্তু যন্ত্ৰহীন যি মন্ত্ৰ সেয়া একান্তই তাৎপৰ্যহীন।

'মন্ত্ৰৰে এক পাল ভেড়াক নিহত কৰা জানো সম্ভৱ?' এনে প্ৰশ্নৰ মুখামুখি হৈ বিপ্লৱী দাৰ্শনিক ভলটেয়াৰৰ উত্তৰ ঃ 'সম্ভৱ। অৱশ্যেই সম্ভৱ; কিন্তু সেই মন্ত্ৰত থাকিব লাগিব যথেষ্ট পৰিমাণে আৰ্চেনিক বিহ।'

বিমূৰ্ত মন্ত্ৰায়নত বা শুভ কামনাতে কেৱল নহয়, সমূৰ্ত্ত যন্ত্ৰায়ন আৰু বস্তুগত ৰূপায়ণেই উৎসৱৰ সাৰ্থকতা। উৎসৱক উপলক্ষ্য কৰি হৃদয়ৰ আৱেগ মস্তিষ্কৰ বুদ্ধিক কৰিব উদ্বুদ্ধ, আৱেগ আৰু বুদ্ধি সৃষ্টিৰ মন্ত্ৰ হৈ হাতক কৰিব প্ৰণোদিত।

তিনি

এক ধৰণৰ আতংকৰে আৱিষ্কাৰ কৰিছো আপাতদৃষ্টিত শিক্ষিত মাৰ্জিত ৰুচিশীল বহু মানুহৰ অন্তৰখন কুৎসিৎ সাম্প্ৰদায়িক ভাৱনাৰে অন্ধকাৰ হৈ আছে। হিন্দু-মুছলমানৰ ঐক্যত ৰাজনীতিকে আঘাত হানিছে বাৰে বাৰে। উঁৱলি পৰিছে বন্ধনৰ সেতু। এই যন্ত্ৰণা আবৃত দুখৰ গোপন নিঃশ্বাস নহয়। এই সংঘাত সংগোপন আলাপ নহয়।

আমাৰ দেশৰ ৰাজনীতিকৰ অভিধানত ব্যৰ্থতা বুলি কোনো শব্দ নাই। তেওঁলোকে নাজানে যে গণতন্ত্ৰ আৰু গুণ্ডামি একে নহয়। দেশ আজি পীড়িত। কাৰণ যাৰ হাতত শাসনভাৰ ন্যস্ত, তেওঁলোকৰ বাবে পাপতেই পৃথিৱীৰ সকলো আনন্দ। পুণ্য আনন্দহীন। চকুযুৰি মুদি দিলে ভাঁহি উঠে সন্মুখত ক্ৰন্দসী অসম। শুনা পাওঁ ক্ৰন্দন আৰু উচুপনিৰ শব্দ। বিধৱা নাৰীৰ ক্ৰন্দন। মাতৃৰ ক্ৰন্দন। অনাথ সন্তানৰ ক্ৰন্দন। বঞ্চিত মানুহৰ ক্ৰন্দন। ভোকাতুৰৰ ক্ৰন্দন। কি যে এক দুৰ্বিষহ ভয়ংকৰ সময় এক নিৰীহ আৰু শান্তিকামী জনপদক কৰিছে বিনাশ প্ৰতিদিনে! চৌদিশে হতাশা আৰু অবিশ্বাস। চৌদিশে অসম্মান আৰু অমৰ্যাদাৰ আতংক। চৌদিশে ক্ৰন্দন আৰু উচুপনি। সমগ্ৰ দেশ ৰুগ্ন। কেৱল মুখৰ ওপৰত ৰং পলিচ কৰি এখন দেশৰ হতশ্ৰী ঢাকিবৰ অপপ্ৰয়াস।

নাগাচাকিৰ আন্তৰ্জাতিক ভৰনত পৰমাণুশক্তিৰ ধ্বংসলীলাৰ সাক্ষী দেখিছিলো বিস্মিত শিহৰণেৰে। কাৰখানাৰ এক শ্ৰমিকৰ মূৰৰ হাঁড় পৰমাণুৰ তাপত গলি তাৰ বিগলিত লোহাৰ টুপীৰ লগত এক হৈ গৈছে। কাঁচৰ বটল আৰু মানুহৰ হাত গলি একাকাৰ হৈ পৰিণত হৈছে এক কুঞ্চিত পিণ্ডত। ভাবিছিলো ইয়াতকৈ অধম চিত্ৰ আন একো হ'ব নোৱাৰে; কিন্তু তাতকৈ বীভৎস অধম চিত্ৰ দেখিছো এসময়ৰ সোণৰ অসমত। নিৰ্যাতিতা কিশোৰীৰ ভূলুণ্ঠিত মৃতদেহ। শ্ৰমজীৱী নৰ-নাৰীৰ অগ্নিদগ্ধ দেহ। অন্ধকাৰৰ অৱগুণ্ঠনত আবৃতা ধৰ্ষিতা গাভৰুৰ অপৰিসীম লাজ। সমাজৰ ৰন্ধ্ৰে ৰন্ধ্ৰে নাৰকীয় কীটৰ নিৰ্লজ্জ দংশন।

হিটলাৰৰ প্ৰচাৰ মন্ত্ৰী গোৱেবলছক কোৱা হয় মিথ্যা প্ৰচাৰৰ ৰজা। সেই গোৱেবলছ যদি কবৰৰ পৰা উঠি অসমলৈ আহিলেহেঁতেন, তেনেহ'লে চৌপাশৰ মিথ্যা প্ৰচাৰ শুনি লাজতে চাগে আকৌ গৈ কবৰত সোমালহেঁতেন।

চাৰি

দেশত সুশাসন, ন্যায় বিচাৰ আৰু প্ৰকৃত অৰ্থনৈতিক উন্নয়ন নিশ্চিত নোহোৱা পৰ্যন্ত দেশ এক সমস্যাৰ পৰা আন এক সংকটত ঘূৰপাক খাইয়েই থাকিব। দেশত লাখ লাখ শিক্ষিত বেকাৰ। ভাষাৰ অস্তিত্ব বিপদাপন্ন। ভোকাতুৰৰ হাহাকাৰ। টিভিৰ পৰ্দাত কিন্তু চলি আছে তৰ্ক-বিতৰ্ক ঔৰংগজেৰ মোগলক লৈ। লাচিত বৰফুকন হিন্দু বীৰ। বাঘ হাজৰিকা হেনো কাল্পনিক চৰিত্ৰ। সত্যৰঞ্জন নামৰ পাগল এটাকো দেখা যায় টক শ্ব'ত। মুখতেই সাম্প্ৰদায়িক বুলি লিখা আছে যাৰ সেইজনেই ডিঙিৰ সিৰ ফুলাই জাহিৰ কৰিছে সাম্প্ৰদায়িক মন্তব্য। অদৰকাৰী, অপ্ৰয়োজনীয় টক শ্ব' কৰাত নিউজ চেনেলৰ সম্পাদকবোৰ ব্যস্ত। নিজৰ নিজৰ মতলব লৈ ব্যস্ত।

গেব্ৰিয়েল গাৰ্চিয়া মাৰ্কেজে কৈছিল ঃ পাগল মানুহবোৰ পাগল হৈ নাথাকে, যেতিয়া কোনোবাই তাৰ পাগলামি গ্ৰহণ কৰে।

ইতিহাসৰ পাতত আছে সম্ৰাট ঔৰংগজেৰৰ নিজ হাতে টুপী চিলাইৰ কাহিনী। নিজ হাতে কোৰানৰ কপি কৰি বিক্ৰীৰ কাহিনী; কিন্তু যি হাতেৰে কোৰানৰ কপি কৰিছিল, সেই হাত নিজ ভ্ৰাতৃৰ ৰক্তেৰে আছিল ৰক্তাক্ত।

পাঁচ

ধৰ্মান্ধবোৰ আছে। আছে ধৰ্ম ব্যৱসায়ীবোৰো। ধৰ্ম ব্যৱসায়ীবোৰে ৰাজনীতিত ধৰ্মক ব্যৱহাৰ কৰে। মূল সমস্যাটো হৈছে আমি ধৰ্মনিৰপেক্ষতা প্ৰতিষ্ঠাৰ লক্ষ্যৰ পৰা আঁতৰি আহিছো। 'ধৰ্ম যাৰ যাৰ ৰাষ্ট্ৰ সকলোৰে' এয়াই হোৱা উচিত আছিল নীতি; কিন্তু সেয়া হোৱা নাই।

সন্মুখত সমস্যাই সমস্যা। এক নম্বৰ সমস্যা বৈষম্য। দ্বিতীয় সমস্যা জ্ঞান চৰ্চাৰ অভাৱ। জ্ঞানে ক্ৰমাগত মূল্য হেৰুৱাইছে। অথচ জ্ঞান অবিহনেতো প্ৰকৃত অগ্ৰগতি সম্ভৱ নহয়। সেই জ্ঞানৰ চৰ্চা দৰকাৰ, যি মানৱীয় উন্নয়নত কামত লাগিব। তৃতীয় সমস্যা বেকাৰত্ব। চতুৰ্থ সমস্যা সংস্কৃতি চৰ্চাৰ অপ্ৰতুলতা। সংস্কৃতিৰ চৰ্চা নাথাকিলে সামাজিকতা নাবাঢ়িব। বৰঞ্চ ওলোটাটো ঘটিব। সেয়াই হৈছে। বিচ্ছিন্নতা বাঢ়িছে। সংস্কৃতিৰ চৰ্চাৰ প্ৰয়োজন পৰিৱৰ্তনৰ লক্ষ্যত। পৰিৱৰ্তনৰ প্ৰয়োজন আৰু পৰিৱৰ্তন সম্ভৱ। প্ৰয়োজন এক সাংস্কৃতিক জাগৰণ।

সংস্কৃতিৰ আৱিৰ্ভাৱ আৰু বিকাশ মূলতঃ ধৰ্মৰ ওপৰত নিৰ্ভৰ কৰে। বিংশ শতাব্দীৰ এগৰাকী শ্ৰেষ্ঠ আধুনিক চিন্তাবিদ, ন'বেল বিজয়ী ইংৰাজ কবি টি এছ এলিয়টৰ চিন্তা উদ্ৰেককাৰী এযাৰ কথা ঃ Yet there is an aspect in which we can see a religion as the whole way of life of a people, from birth to the grave, from morning to night and even in sleep and that way of life is also its culture. (T. S. Eliot, notes towards the definition of culture, page 15)

আমি এটা ধৰ্মক এটা মানুহৰ সমগ্ৰ জীৱন ধাৰা হিচাপে দেখিব পাৰো। জন্মৰ পৰা সমাধি পৰ্যন্ত পুৱাৰ পৰা ৰাতি এনেকি টোপনিৰ মাজতো আৰু সেই জীৱন ধাৰাটি তাৰ সংস্কৃতি।

ছয়

প্ৰতিটো গৰ্বিত জাতিৰ ৰোল মডেল থাকে। ৰোল মডেলক দেখি তৰুণ প্ৰজন্ম অনুপ্ৰাণিত হয়। ৰোল মডেলৰ কৰ্ম আৰু অৱদান আলোকবৰ্তিকাৰ দৰে থাকে সিহঁতৰ সন্মুখত। ৰোল মডেল সম-সাময়িকো হ'ব পাৰে।

পত্নী সোমাই আহিল। কি লিখি আছা?

ঃ ৰোল মডেলৰ কথা।

ঃ ৰোল মডেল থোৱা। কি ৰোল খাবা তাকেই কোৱা। চিকেন নে এগ ৰোল?

ঃ একাপ চাহ। মাত্ৰ একাপ চাহ। আদা দিয়া চাহ।

ঃ ঠিক আছে

ঃ কথা এটা শুনা।

ঃ কি?

ঃ পতি ৰোমান্টিক, পত্নী বাস্তৱবাদী। পতিয়ে কবিতা অবিহনে জীয়াই থকাৰ কথা ভাবিবই নোৱাৰে। পত্নীৰ কবিতাৰ প্ৰতি এলাৰ্জী। পতিৰ পছন্দ মাছ, পত্নীৰ পছন্দ মাংস। পতিয়ে সুৰাপান কৰে, পত্নীয়ে মদৰ গোন্ধ সহ্য কৰিব নোৱাৰে। পতি নৈঃশব্দ্য আৰু নিস্পন্দতাৰ পক্ষপাতী, পত্নীয়ে হাঁহি-ধেমালি কৰি ভাল পায়। পতি স্বল্পবাক, পত্নী কথাৰ সাগৰ, কথা চহকী, ভলভলীয়া দুয়ো সুখেৰে আছে।

ঃ দুয়ো সুখেৰে আছে?

ঃ অ'।

ঃ দুয়োৰে মাজত ইমান অমিল সুখেৰে আছে কেনেকৈ?

ঃ কাৰণ আছে।

ঃ কাৰণ কি?

ঃ পতি থাকে গুৱাহাটীত। পত্নী যোৰহাটত। পত্নীয়ে গুটা এটা মাৰি গুচি গ'ল। মই বহি ৰ'লো চাহৰ অপেক্ষাত। আদা দিয়া চাহ!

ফোন ঃ ০০১৪০৩২৭০১৮১৭

চকুযুৰি মুদি দিলে ভাঁহি উঠে সন্মুখত ক্ৰন্দসী অসম। শুনা পাওঁ ক্ৰন্দন আৰু উচুপনিৰ শব্দ। বিধৱা নাৰীৰ ক্ৰন্দন। মাতৃৰ ক্ৰন্দন। অনাথ সন্তানৰ ক্ৰন্দন। বঞ্চিত মানুহৰ ক্ৰন্দন। ভোকাতুৰৰ ক্ৰন্দন। কি যে এক দুৰ্বিষহ ভয়ংকৰ সময় এক নিৰীহ আৰু শান্তিকামী জনপদক কৰিছে বিনাশ প্ৰতিদিনে!

গালি-মাতৰ গধুৰ ভাষা বালি-ভাতৰ মধুৰ আশা

মনোজ কুমাৰ ভট্টাচাৰ্য

— কি হ'ল? এই ৰাতিখন ঘৰ সোমালে যে! আজি-কালি ৰাতিলৈকে অফিচ চলে নেকি?

— অফিচৰ পৰা সময়তে ওলাইছিলো ৰ'বা।

— তেনেহ'লে ইমান পৰে ক'ত আড্ডা মাৰি আছিল? মেল পালে আপোনাক আৰু লাগে কি? ৰেলেই হওক বা জেলেই হওক, য'তে-ত'তে মেল মাৰি ফুৰাটো আপোনাৰ স্বভাৱেই।

— বৰ্তমান মেল মৰাটো এৰিছো ৰ'বা, খেলত ধৰিছো এতিয়া।

— কি?

— অ'। আমাৰ ক্লাবত আজিৰ পৰা খেল খেলা আৰম্ভ কৰিছো।

— বুঢ়া কালত আপোনাক পাইছে কিহে কওকচোন?

— হেৰা, খেলৰ বিভিন্ন ভাগ আছে বুজিছা? বয়স ভেদে খেলো বিভিন্ন ধৰণৰ। বাহিৰৰ খেল, ভিতৰৰ খেল, ল'ৰাৰ খেল, বুঢ়াৰ খেল, পুৰুষৰ খেল, নাৰীৰ খেল— এইবোৰ একো একোটা ভাগ।

— আপুনি যে খেলিব খুজিছে অভ্যাস আছে জানো?

— অভ্যাস ক'ৰ পৰা থাকিবহে? জীৱনত কোনো দিন খেলিয়েই নাপালো। আজিয়েই প্ৰথম আৰম্ভ কৰিছো। লাহে লাহে শিকি-বুজি ওস্তাদ হ'ব লাগিব।

— চাব কিন্তু! হাত-ভৰি ভাঙি আহিলে শুশ্ৰূষা কৰাতো দূৰেৰেই কথা, আপোনাক ঘৰত সোমাবলৈকে নিদিম।

— মই হাত-ভৰি ভঙা খেল নেখেলো নহয়। আৰামত বহি খেলিব পৰা খেলহে খেলিম।

— কি খেলিব নকয় কিয়?

— জুৱা। তাচৰ জুৱা খেল।

— উৰা! আপুনি জুৱা খেলিব?

— কিয়? মই খেলিলে মহাভাৰতখন অশুদ্ধ হৈ যাব নেকি?

— গাত নাই ছাল বাকলি মদ খাব তিনি টেকেলি? খাব নাপায় এখন গুৱা, খেলিব খোজে ক্লাবত জুৱা? তাতকৈ ঘৰৰ কুঁৱাটোতে আত্মঘাতী নহয়নো কেলেই?

— তোমাৰ মুখখন ইমান চুৱা বুলি ভবাই নাছিলোহে। তুমি নাদৰ বেং এটা হৈ মোৰ পথত জেং বান্ধিব খোজা? ইমান সাহস তোমাৰ? মোক উগ্ৰমূৰ্তি ধাৰণ কৰিবলৈ কিন্তু বাধ্য নকৰিবা। কৈ দিলো তোমাক?

— মোক জোকাই নল'ব বুজিছে? কথা বেয়া হৈ যাব। যিকোনো মুহূৰ্ততে বিধবা হ'বলৈ মই প্ৰস্তুত হৈয়েই আছো। আপুনি সুযোগ আৰু সুবিধা উলিয়াই নিদিলেই ভাল পাম।

— তুমিও যে আৰু! তোমাক মৰমতে জোকাইহে চাইছো। ইমান দিন ধৰি মোক বুজিয়েই নাপালানে তুমি? মই জুৱা খেলা ভকত নেকি কোৱাচোন?

— মোৰ লগত ধেমালি নকৰিব বুজিছে? সেইবোৰ মই ভাল নাপাওঁ। ৰগৰ কৰিবলৈ যাওঁতে কেতিয়া জগৰ লাগিব গমেই নাপাব। মিছাতে বিপদ চপাই নল'ব। বুজিছে?

— হ'ব দিয়া, এইবোৰ এতিয়া বাদ দিয়া। আজি গধূলি আমাৰ ঘৰলৈ সোণহঁত আহিছিল নেকি?

— কোন সোণহে? সোণ-ৰূপ, হীৰা-মুকুতা কোনো অহা নাই।

— কি কাণ্ডহে? সোণকো তুমি চিনি নোপোৱা হ'লা? লক্ষ্মী মন্দিৰৰ কাষৰ সোণহে? অফিচলৈ যাওঁতে বাটতে তাক লগ পাইছিলো। সি গধূলি আমাৰ ইয়ালৈ আহিম বুলি কৈছিল।

— কিয়? কিয় আহে সি? আহিম বুল

দেওবৰীয়া দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৯ ডিচেম্বৰ দেওবাৰ, ২০২১ পৃষ্ঠা ৫

গ্ৰন্থ ব্যক্তিত্বৰ পোহৰ

ভগৱতী প্ৰসাদ লডিয়া

স্থিৰ মন, এক প্ৰতিশ্ৰুতিসম্পন্ন সেৱাৰ মনোভাব থকা মানুহজনৰ জীৱনৰ পথ মসৃণ নাছিল। নানান অসুবিধাজনক পৰিস্থিতিৰ মুখামুখি হৈও তেওঁ জীৱন আছিল ব্যতিক্ৰম। প্ৰতিকূল পৰিৱেশে মানুহজনক বিচলিত কৰিব পৰা নাছিল। ঘাইকৈ তেওঁৰ ইতিবাচক চিন্তাধাৰাৰ সুবিশাল মনটোক। যিখন কল্পনাৰ পৃথিৱীত তেওঁ বাস কৰিছিল, সেই ধৰণৰ কথাবোৰৰ ৰূপদান কৰিবৰ বাবেও সততে যত্নবান হৈ থকা লডিয়াৰ চাৰিত্ৰিক বৈশিষ্ট্যও আছিল এক বিশেষ ধৰণৰ।

এই লেখাটিৰ মাধ্যমেৰে ২৩ আগষ্ট, ২০০৬ত পৰলোকগামী হোৱা গোলাঘাটৰ বিশিষ্ট নাগৰিক, প্ৰাজ্ঞ-ব্যক্তিত্ব ভগৱতী প্ৰসাদ লডিয়াৰ জীৱনৰ সৰু সৰু কেইখনমান চিত্ৰ আঁকিবৰ প্ৰয়াস কৰা হৈছে মাত্ৰ—

গোলাঘাটৰ 'কফি হাউছ' ঃ

আমি তেওঁক সৰুকালৰ পৰাই ঘনিষ্ঠভাৱে লগ পাইছিলো। আমৃত্যু তেওঁ আমাক পুত্ৰৱৎ স্নেহেৰে ধন্য কৰিছিল। লডিয়া আৰু আমাৰ পিতৃৰ দুটা বিষয়ত মিল আছিল। দুয়ো আছিল স্বাধীনতা সংগ্ৰামৰ যোদ্ধা তথা দুয়ো কিতাপৰ ব্যৱসায়ী। সেই সূত্ৰেই আমাৰ দুয়োটা পৰিয়ালৰ মাজত এক মধুৰ সম্পৰ্ক আছিল। সাহিত্য-প্ৰীতিৰ কথা নক'লোৱেই বা। আমি উপলব্ধি কৰাত সমাজ জীৱনলৈ তেওঁৰ এক বিশেষ অৰিহণা হ'ল— তেওঁৰ কিতাপ বিক্ৰী কেন্দ্ৰটিক এক বৌদ্ধিক চৰ্চা কেন্দ্ৰ হিচাপে গঢ়ি তোলাটো। সাধাৰণতে ব্যৱসায় কৰিবৰ নিমিত্তে কেৱল বাণিজ্যিক চিন্তাৰে যি দোকান-পোহাৰ খোলা হয় স্বত্বাধিকাৰী বা কৰ্তৃপক্ষই কেতিয়াও সেই ঠাইত 'আড্ডা' হোৱাটো বাঞ্চা নকৰে। কিন্তু লডিয়াৰ 'নবীন পুস্তক ভাণ্ডাৰ'ৰ কথাই সুকীয়া। সেই অসম আৰ্হিৰ পুৰণি ঘৰটোক এক বিশেষ বৌদ্ধিকমহলৰ আড্ডাত পৰিণত কৰি সাহিত্য ক্ষেত্ৰত ব্যাপকতা আনিছিল। ইয়াৰ দ্বাৰা তেওঁৰ বাণিজ্যিক লোকচানতো হোৱা নাছিলেই, বৰঞ্চ এক সুন্দৰ পৰিৱেশ সৃষ্টিৰে অধ্যয়ন অভ্যাস ত্বৰান্বিত কৰি গোলাঘাটৰ গ্ৰন্থপ্ৰেমীক বিশেষ স্বাদ দানেৰে কৃতাৰ্থও কৰিছিল। সেইবাবেই আমি কলকাতাৰ সুখ্যাত বৌদ্ধিক প্ৰাণকেন্দ্ৰস্বৰূপ 'আড্ডা'থলী 'কফি হাউছ'ৰ লগত আমাৰ ক্ষুদ্ৰ চহৰখনৰ 'নবীন পুস্তক ভাণ্ডাৰ'ৰ তুলনা কৰি, তাৰেই এক সংস্কৰণ যেন অনুভৱ কৰিছিলো। কলকাতাৰ সেই সৃষ্টিৰ কঠিয়াতলি সদৃশ 'আড্ডা'ৰ পৰিৱেশত বিশিষ্ট লেখক-পাঠক সমালোচক, প্ৰকাশক আদিৰ যি বিকাশ ঘটিছিল, লডিয়াৰ বিপণীতো অনুৰূপ বিকাশ ঘটিছিল গোলাঘটীয়াৰ গ্ৰন্থ প্ৰতীৰ। 'নবীন পুস্তক ভাণ্ডাৰ'ৰ আজিৰ প্ৰজন্মই বিপণীত সেই পৰিৱেশ ৰক্ষা কৰিব পৰা নাই। অৱশ্যে পৰিস্থিতিয়ে বোধকৰো সুচল কৰা নাই। তথাপি লডিয়াৰ প্ৰতিষ্ঠিত 'নবীন পুস্তক ভাণ্ডাৰ'ৰ পূৰ্বৰ সেই ঐতিহ্য ম্লান পৰা নাই।

জেপ অফিচ ঃ

সুদীৰ্ঘ জীৱনকালত তেওঁ নানাধৰণৰ সাহিত্য-সমাজ-সংস্কৃতি শিক্ষামূলক কৰ্মত জড়িত থাকি তেনে বিভিন্ন অনুষ্ঠানৰ লগতো ওতঃপ্ৰোতভাৱে যুক্ত হৈছিল। দুটা জেপৰ ভিতৰতে তেওঁ নানা কাগজ পত্ৰবোৰ সুমুৱাই ৰাখিছিল। কাগজবোৰৰ মাজতে তেওঁ প্ৰয়োজনীয় টোকা আদিও ৰাখিছিল। প্ৰথমটো জেপ হ'ল তেওঁৰ বনিয়ন চোলাৰ জেপ। এই বনিয়ন চোলাটো তথা জেপটো বিশেষভাৱে চিলোৱা। হাত কটা বনিয়ন চোলাৰ মাজতে এটা 'কেংগেৰু জেপ'। ডাঠ খন্দৰ কাপোৰেৰে তৈয়াৰী বনিয়নৰ বিশেষভাৱে প্ৰস্তুত কৰা এই জেপটোৱেই আছিল তেওঁৰ কাৰ্যালয়ৰ নথি-আলমাৰি সদৃশ। দ্বিতীয়টো জেপ হ'ল কুৰ্তাৰ ওপৰত পকেট। এই কুৰ্তা তেওঁৰ প্ৰিয় ডাঠ খন্দৰ কাপোৰেৰে চিলোৱা এই জেপটোৰ বৈশিষ্ট্য হ'ল— কে'বাবিধো বিষয়ৰ, কে'বাটাও অনুষ্ঠানৰ, কে'বাটাও আকৃতিৰ কাগজ-পত্ৰৰ ভাণ্ডাৰ। প্ৰয়োজন মতে অকণো বিলম্ব নোহোৱাকৈ তেওঁ দৰকাৰী বিশেষ কাগজখন উলিয়াই লয় বা উলিয়াই আনক দিয়ে। কেতিয়াবা এনে হয় যে ইখন-সিখনকৈ থওঁতে, সাঁচোতে কাগজ বাঢ়ি গৈ থাকে। কাগজ বাঢ়ে মানে জেপো ফুলি গৈ থাকে। এক ঢোল যেন হৈ পৰে ক্ষুদ্ৰ অফিচটো। জ্যোতিয়ে বা চোহানে যদি কয়— 'দেউতা জেপৰ কাগজ সৰহ হৈছেগৈ, অলপ কমাব লাগে।' তেওঁ একো নামাতে— কেৱল হাঁহি এটি মাৰি কথাটো সামৰি থয়। জেপৰ পৰা কাগজ উলিয়াই থোৱাত নাই, পাৰিলে প্ৰয়োজন মতে দুই-চাৰিখন আৰু ভৰাবহে। সেই বাবেই আমি কৈছিলো— এইটো তেওঁৰ 'জেপ-অফিচ।'

প্ৰচাৰবিমুখ মন ঃ

মানুহজনৰ যি বিশাল কাৰ্যক্ষেত্ৰ, জ্ঞানলিপ্সা, সমাজপ্ৰেম তথা অনুষ্ঠান প্ৰীতি সেই বিষয়ে বৰ্তমান প্ৰজন্মই জানিব পৰাকৈ, বুজিব পৰাকৈ প্ৰচাৰ মাধ্যম তথা বাতৰি কাকতত বহু প্ৰবন্ধ লেখা-মেলা ইতিমধ্যে হৈছে। আমি আশা কৰো তেওঁৰ জীৱন চৰ্যাৰ বৰ্ণিল ধাৰাটোক সঞ্জীৱিত কৰি ৰাখিবৰ বাবে তেওঁৰ সুযোগ্য পুত্ৰ পৰিয়ালে এখন পূৰ্ণাংগ স্মৃতি চয়নিকা প্ৰকাশ কৰিব। লডিয়া নিজে কিন্তু বৰ প্ৰচাৰবিমুখ ব্যক্তি আছিল। তেওঁৰ সুকৃতিবোৰ আলোচিত হোৱাটো তেওঁ জীৱনকালত হয়তো ভাল নাপাইছিল। পৰাপক্ষত সঘনাই সভা-সমিতিলৈও তেওঁ নগৈছিল। যি কেইখন সভা-সমিতিত তেওঁ উপস্থিত থাকি বক্তৃতা দিছিল, সেই বক্তৃতা আছিল তথ্যপূৰ্ণ সাৱলীল। প্ৰখৰ স্মৃতি শক্তিৰ অধিকাৰী লোকজনে ৫৫-৬০ বছৰ পূৰ্বৰ কোনো ঘটনা বৰ্ণনা কৰোতে দিন-বাৰ-মাহ-তাৰিখ অকণো খোকোজা নলগাকৈ কৈ যাব পাৰিছিল।

নামকৰণ ঃ

লডিয়াৰ যি গ্ৰন্থ-প্ৰীতি, যি সাহিত্য-প্ৰীতি তাৰ প্ৰতি এক অনাবিল স্নেহ-দৃষ্টিৰ জৰিয়তেই বোধকৰো যোৱা শতিকাৰ ঠিক সোঁমাজৰ এটি শুভ দিনত আৰম্ভ হৈছিল 'নবীন পুস্তক ভাণ্ডাৰ'। মধ্য তথা উজনি অসমৰ গ্ৰন্থ আন্দোলনক এক মনোময় ৰূপ দিয়াৰ ক্ষেত্ৰত এই প্ৰতিষ্ঠানৰ উল্লেখযোগ্য অৱদান আজি স্বীকৃত হৈছে। গোলাঘাটৰ স্থানীয় মানুহৰ মাজত 'নবীন পুস্তক ভাণ্ডাৰ' নামটো কিন্তু তেতিয়া জনপ্ৰিয় নাছিল। বোধকৰো প্ৰতিষ্ঠাতা তথা পৰিচালকজন যি ভেমদৰ্পহীন মানুহ, তেওঁৰ প্ৰচণ্ড

ক্ষীৰোদ কুমাৰ গোস্বামী

ব্যক্তিত্বৰ প্ৰভাৱত ই তল পৰিছিল। দোকানখনৰ ৰাইজে নিজেই নাম দি লৈছিল ভগৱতী প্ৰসাদ লডিয়াৰ নামেৰেহে। নাম দিছিল— 'ভগৱতীয়াৰ দোকান'। বহুলভাৱে প্ৰচলিত আছিল এই 'ভগৱতীয়াৰ দোকান' নামটো। জিলাৰ চুকে-কোণে এই নামেৰেহে 'ভগৱতীয়াৰ দোকান'। বহুলভাৱে প্ৰচলিত আছিল এই 'ভগৱতীয়াৰ দোকান' নামটো। জিলাখনৰ চুকে-কোণে এই নামেৰেহে 'নবীন পুস্তক ভাণ্ডাৰ'ক জানিছিল। ই নিশ্চয় সেই স্মৰণযোগ্য ব্যক্তিত্বৰ প্ৰতি স্নেহ তথা শ্ৰদ্ধাৰ পৰিচায়ক। আজিও পুৰণি চামৰ মানুহে 'ভগৱতীয়াৰ দোকান' বুলিলেহে বুজি পায়। আমি চাৰি দশক কিতাপৰ ব্যৱসায়ত জড়িত থাকি, 'ভগৱতীয়াৰ দোকান' বুলি ক'লেহে বুজি পোৱা এনে বহু লোক লগ পাইছো, আজিও পাই আছো।

গদ্দি ঃ

বৰ্তমান ধোদৰ আলিৰ উত্তৰ পাৰে 'জ্যোতি পুস্তক মন্দিৰ'ৰ যি ব্যৱসায় গৃহ, সেই ঠাইতেই এটি টিনপাতৰ অসম আৰ্হিৰ ঘৰত 'নবীন পুস্তক ভাণ্ডাৰ' চলিছিল। সেই সময়ৰ তিনিখন প্ৰসিদ্ধ কিতাপৰ দোকানে খুচুৰা বিক্ৰীত অসমৰ ভিতৰতে এক প্ৰকাৰৰ অভিলেখ সৃষ্টি কৰিছিল। তিনিচুকীয়াৰ 'মিত্ৰ এজেন্সী', লখিমপুৰৰ 'গাজী বুক ষ্টল' আৰু গোলাঘাটৰ 'নবীন পুস্তক ভাণ্ডাৰ'-এ। দোকানত গ্ৰন্থ-ক্ৰেতাৰ লানি লাগিছিল, সেয়া পাঠ্যপুথিয়েই হওক বা অন্য কিতাপেই। দোকানখনৰ মাজতে উত্তৰ-পূব অংশত এখন বৃহৎ কাঠৰ চাং, ওপৰত মোটা এখন তুলী। কাপোৰ এখন পাৰি তাতে বহিবৰ যোগাৰ। তাতেই দৈনিক বৈঠক। বৈঠকত বহাসকল কেৱল সাহিত্য, গ্ৰন্থ, বাতৰি কাকত আদি বিষয়ত নিমগ্ন। কাঠৰ মজবুত ধৰণৰ সেই চাংখনক বোলা হৈছিল 'গদ্দি'। গোলাঘাটৰ বিদ্বৎ সমাজৰ এক আকৰ্ষণ আছিল 'গদ্দি'খনৰ প্ৰতি, যি এক মানসিক পৰিমণ্ডল সৃষ্টিৰ সমল যোগনীয়াৰ হৈ পৰিছিল। আজি সেই অসম আৰ্হিৰ ঘৰটো, 'গদ্দি'খনৰ আহল-বহল বৈঠকবোৰ, লডিয়াৰ মনোৰম ব্যক্তিত্ব— এই সকলোবোৰ স্মৃতি হ'ল।

আজীৱন মানুহে ঘূৰি ফুৰে দেশৰ পৰা দেশান্তৰলৈ। সৃষ্টিকৰ্তাৰ অৱদান প্ৰাকৃতিক সৌন্দৰ্য দুচকুৰে উপভোগ কৰিবলৈ। নতুন ঠাই, নতুন দেশ আৰু নতুন মানুহৰ আকৰ্ষণে মানুহক অহৰহ টানে। কিন্তু পৃথিৱীৰ বিভিন্ন প্ৰান্তত এনে কিছুমান ঠাই আছে যলৈকে ইচ্ছা কৰিলেও যাব নোৱাৰি। এতিয়াও এনে কিছুমান ঠাই আছে যিবোৰৰ অতিপ্ৰাকৃত গোপনীয়তা, ভয়ংকৰ বিপদসংকুলতা, ধৰ্মীয় বিশ্বাসৰ ৰহস্যময়তা, ব্যৱসায়িক গোপনীয়তা অথবা বহিৰ্জগতৰ পৰা নিজকে আঁতৰত ৰখা জনজাতিসকলৰ বাবে লোকচক্ষুৰ পৰা আঁতৰত থাকি গৈছে। অত্যন্ত উৎকণ্ঠা সত্বেও মানুহে সেইবোৰ ঠাইৰ বিষয়ে মানুহ ঘোৰ অন্ধকাৰত। আকৌ এনে কিছুমান ঠাই আছে যিবোৰ ঠাইত সাধাৰণ মানুহৰ প্ৰৱেশ চৰকাৰী নিষেধাজ্ঞাৰ বাবে নিষেধ। আকৌ এনে কিছুমান ঠাই আছে, যলৈকে মানুহে নিজেই যাব নিবিচাৰে। তেনে কিছুমান ঠাই হ'ল—

ৰহস্যৰে ভৰা বিশ্বৰ ১২ খন নিষিদ্ধ স্থান

আজীৱন মানুহে ঘূৰি ফুৰে দেশৰ পৰা দেশান্তৰলৈ। সৃষ্টিকৰ্তাৰ অৱদান প্ৰাকৃতিক সৌন্দৰ্য দুচকুৰে উপভোগ কৰিবলৈ। নতুন ঠাই, নতুন দেশ আৰু নতুন মানুহৰ আকৰ্ষণে মানুহক অহৰহ টানে। কিন্তু পৃথিৱীৰ বিভিন্ন প্ৰান্তত এনে কিছুমান আছে য'লৈকে ইচ্ছা কৰিলেও যাব নোৱাৰি। এতিয়াও এনে কিছুমান ঠাই আছে যিবোৰৰ অতিপ্ৰাকৃত গোপনীয়তা, ভয়ংকৰ বিপদসংকুলতা, ধৰ্মীয় বিশ্বাসৰ ৰহস্যময়তা, ব্যৱসায়িক গোপনীয়তা অথবা বহিৰ্জগতৰ পৰা নিজকে আঁতৰত ৰখা জনজাতিসকলৰ বাবে লোকচক্ষুৰ পৰা আঁতৰত থাকি গৈছে। অত্যন্ত উৎকণ্ঠা সত্বেও মানুহে সেইবোৰ ঠাইৰ বিষয়ে মানুহ ঘোৰ অন্ধকাৰত। আকৌ এনে কিছুমান ঠাই আছে যিবোৰ ঠাইত সাধাৰণ মানুহৰ প্ৰৱেশ চৰকাৰী নিষেধাজ্ঞাৰ বাবে নিষেধ। আকৌ এনে কিছুমান ঠাই আছে, য'লৈকে মানুহে নিজেই যাব নিবিচাৰে। তেনে কিছুমান ঠাই হ'ল—

স্নেক আইলেণ্ড, ব্ৰাজিল

ব্ৰাজিলৰ চাও পাওলোৰ সমুদ্ৰ তীৰৰ পৰা প্ৰায় ৯৩ মাইল দূৰত অৱস্থিত দ্বীপ ইনা ডা, কুইমাণ্ডা গ্ৰান্তা যাক স্নেক আইলেণ্ড বুলি কোৱা হয়। অৱশ্যে এনেদৰে কোৱাৰ এটা কাৰণ আছে। এই দ্বীপত নানাৰকমৰ বিষাক্ত সাপ কিলবিল কৰি আছে। প্ৰায় প্ৰতি ১০ বৰ্গ ফুট ঠাইত এটাৰ পৰা পাঁচটা বিষাক্ত সাপ। ইয়াত আছে প্ৰায় চাৰি হেজাৰ পৃথিৱীৰ সকলোতকৈ বিষাক্ত সাপ- গোল্ডেন স্নেক্সহেড, যাৰ বিষ ইমানেই তীব্ৰ যে সি বগোৱাৰ লগে লগে গাৰ মাংস খহি পৰে। সেয়েহে ব্ৰাজিলৰ চৰকাৰে ইয়ালৈ কাকো যাব নিদিয়ে। কেৱল সৰ্প বিশেষজ্ঞসকলেহে ডাক্তৰৰ স'তে ইয়াত প্ৰৱেশৰ অনুমতি পায়।

ভাটিকানৰ গুপ্ত সংগ্ৰহশালা (ৰোম)

ৰোমৰ ভাটিকান চিটিৰ গুপ্ত সংগ্ৰহশালা হ'ল এনে এটা নিষিদ্ধ ঠাই, য'লৈকে সাধাৰণ মানুহৰ প্ৰৱেশ নিষেধ। মাটিৰ তলত তৈয়াৰ কৰা এই সংগ্ৰহশালাৰ প্ৰায় ৮৫ কিলোমিটাৰ পৰিমাণৰ ঠাইত কি বস্তু ৰক্ষিত হৈ আছে সেই কথা আজিও ৰহস্যময়। মূল্যৱান ৰাষ্ট্ৰীয় দস্তাবেজ, চিটি-পত্ৰ, পোপৰ শাসন সংক্ৰান্ত হিচাপ-পুস্তক আৰু চাৰ্চৰ যুগ-যুগান্তৰৰ সঞ্চিত বিশাল সংখ্যক নথি-পত্ৰৰ উপৰি বহুতৰ মতে ইয়াত হেনো আছে দানব বা অপাৰ্থিৱ জগতৰ অধিবাসীসকলৰ অস্তিত্বৰ প্ৰমাণৰ পৰা আৰম্ভ কৰি বিংশ শতাব্দীৰ মাজভাগৰ চাৰ্চৰ ফেচীবাদ সহায়ক কাজ-কৰ্মৰ নথি। লগতে আছে দ্বিতীয় পোপ জুলিয়াচ নৈ মাইকেলেঞ্জানোৰে লিখা এখন চিঠি আৰু বহুতো দুষ্প্ৰাপ্য কাগজ-পত্ৰ। বিগত ১৮৮১ত ত্ৰয়োদশ পোপ লিওৰ আমোলত এই নিষেধাজ্ঞা কিছু শিথিল কৰা হয় কেৱল গৱেষকসকলৰ বাবে। সেই গৱেষক আৰু পণ্ডিতসকলৰ সীমিত সংখ্যক নথি-পত্ৰই অবাক কৰি তোলে জনসাধাৰণক।

নৰ্থ ছেণ্টিনেল দ্বীপ (ভাৰত)

ভাৰতবৰ্ষৰ আন্দামান দ্বীপপুঞ্জৰ মাজত এটা হ'ল আদিম বেনাভূমি আৰু অবাক বিস্মিত কৰি তোলা প্ৰাকৃতিক সৌন্দৰ্যৰ আকৰ এই নৰ্থ ছেণ্টিনেল দ্বীপ। প্ৰায় ৬০ হেজাৰ বছৰ ধৰি বসবাস কৰা ইয়াৰ আদিম অধিবাসী ছেণ্টিনেলিজসকলে বাহিৰৰ জগতৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন। বাহিৰৰ মানুহক তেওঁলোকে একেবাৰেই সহ্য কৰিব নোৱাৰে। তেওঁলোকে দিয়া কোনো বস্তুও গ্ৰহণ কৰিব নিবিচাৰে, এনেকৈ সন্মুখলৈ আহিলে ধনুকাঁড় মাৰি হত্যা কৰিবলৈয়ো দ্বিধা নকৰে। বহুতো মানুহে লুকাই-চুৰকৈ সেই অধিবাসীসকলৰ ওচৰলৈ গৈ প্ৰাণ হেৰুৱাবলগীয়া হৈছে। ২০০৪ত ছুনামিৰ পাছত দ্বীপটোৰ অৱস্থা চাবলৈ যোৱা ভাৰতীয় ৰোষ্টগাৰ্ডৰ এখন হেলিকপ্টাৰ তেওঁলোকৰ তীৰৰ আক্ৰমণৰ সন্মুখত পৰে আৰু উভতি আহিবলৈ বাধ্য হয়।

মাইল দূৰত অৱস্থিত চাৰ্টচি দ্বীপ হ'ল এক প্ৰকৃতিৰ সৃষ্টি পৰীক্ষাগাৰ। ১৯৬৩ৰ পৰা ১৯৬৭বছৰলৈ ধৰি চলা লাভা উদ্‌গীৰণৰ ফলত সৃষ্টি হোৱা এই নৱতম দ্বীপে ধীৰে ধীৰে প্ৰাকৃতিক নিয়মত ঘটি আছে পৰিৱেশ আৰু প্ৰাণৰ বিকাশ। প্ৰকৃতি বিজ্ঞানীসকলে গভীৰ আগ্ৰহেৰে পৰ্যবেক্ষণ কৰি আছে কেনেদৰে বহিৰ্জগতৰ কোনো ধৰণৰ হস্তক্ষেপ নোহোৱাকৈ ইয়াত উদ্ভিদ আৰু প্ৰাণীৰ সৃষ্টি হৈছে। লগতে পৰ্যবেক্ষণ কৰিহে কেনেকৈ মাটি, বেক্টৰিয়া, শৈলুৱে আদিৰ উদ্ভৱ হৈছে। তেওঁলোকৰ মতে সৃষ্টি হোৱাৰ পাছৰে পৰা বৰ্তমানলৈ প্ৰায় অৰ্ধশতক সময় ইয়াত বিভিন্ন ভাৰত চৰকাৰে বৰ্তমান বাহিৰৰ মানুহৰ ইয়াত প্ৰৱেশ নিষিদ্ধ কৰিছে।

ন্যাচকক্স গুহা (ফ্ৰান্স)

মানুহৰ বিবৰ্তনৰ ইতিহাসৰ অনুসন্ধানত দক্ষিণ পশ্চিম ফ্ৰান্সৰ ন্যাচকক্স গুহা এটা অত্যন্ত গুৰুত্বপূৰ্ণ স্থান যিটো ঐতিহাসিকসকলৰ ওচৰত অমূল্য সম্পদৰ আকৰ। ইয়াত পুৰাতন প্ৰস্তৰ যুগৰ প্ৰায় ৯৫৫ গুহাচিত্ৰ আছে, যিবোৰ আনুমানিক ২০ হেজাৰ বছৰ পুৰণি। গুহাৰ দেৱালত আঁকা গৰু, হৰিণা, মেকুৰি ইত্যাদিৰ ছবিবোৰে গভীৰ ভাবৰ উদ্ৰেক কৰে। ছবিবোৰ খুবেই উজ্জ্বল। কিন্তু ছত্ৰাকৰ আক্ৰমণ আৰু অন্যান্য ক্ষতিৰ পৰা এই অমূল্য চিত্ৰবোৰ ৰক্ষা কৰিবৰ কাৰণে আৰু ইয়াৰ যথাযথ সংৰক্ষণৰ বাবে ১৯৬৩ৰ পৰা গুহাত সাধাৰণ মানুহৰ প্ৰৱেশ নিষিদ্ধ কৰা হৈছে। কেৱল নিৰাপত্তাৰক্ষীসকলেহে সপ্তাহত এবাৰ মাত্ৰ কেইমিনিটমানৰ কাৰণে ইয়াত প্ৰৱেশ কৰিব পাৰে। অৱশ্যে মানুহে চাবপৰাকৈ ইয়াৰ ওচৰতে অনুৰূপ এখন চিত্ৰ সমন্বিত এটা গুহা তৈয়াৰ কৰা হৈছে।

ডুমচ ডে ভল্ট (নৰৱে)

বিশ্বৰ অন্য এক বিস্ময়কৰ ঠাই হ'ল নৰৱে ডুমচ ডে ভল্ট। উত্তৰ মেৰুৰ ওচৰৰ স্কালবাৰ্ড দ্বীপপুঞ্জৰ বুকুত ২০০৮ত তৈয়াৰ কৰা এই ভল্টটি হ'ল বিশ্বৰ বীজ সংগ্ৰহশালা, য'ত পৃথিৱীৰ প্ৰতি কোণৰ পৰা সংগ্ৰহ কৰা প্ৰায় ১০ কোটি বীজ সংৰক্ষিত কৰা হৈছে। এখন সাগৰৰ

গাত মজবুতভাৱে তৈয়াৰ কৰা এই ভল্টটো, পৃথিৱীৰ সকলো বৰফ গলি গ'লেও, ই কিন্তু ডুবি নাযাব। অথবা কোনো ভূমিকম্প বা বিস্ফোৰণেও ইয়াৰ কোনো ক্ষতি নহ'ব; লগতে অন্ততঃ দুশবছৰ এই বীজবোৰ সুৰক্ষিত থাকিব। উদ্দেশ্য হ'ল পৃথিৱী ধ্বংস হ'লেও বীজবোৰ যেন থাকি যায়। বিশেষ কিছুসংখ্যক মানুহৰ বাহিৰে সাধাৰণ মানুহৰ প্ৰৱেশ ইয়াত নিষেধ।

চাৰ্টচি আইচলেণ্ড

আইচলেণ্ডৰ সমুদ্ৰতীৰৰ পৰা প্ৰায় ২০ মাইল দূৰত অৱস্থিত চাৰ্টচি দ্বীপ হ'ল এক প্ৰকৃতিৰ সৃষ্টি পৰীক্ষাগাৰ। ১৯৬৩ৰ পৰা ১৯৬৭বছৰলৈ ধৰি চলা লাভা উদ্‌গীৰণৰ ফলত সৃষ্টি হোৱা এই নৱতম দ্বীপে ধীৰে ধীৰে প্ৰাকৃতিক নিয়মত ঘটি আছে পৰিৱেশ আৰু প্ৰাণৰ বিকাশ। প্ৰকৃতি বিজ্ঞানীসকলে গভীৰ আগ্ৰহেৰে পৰ্যবেক্ষণ কৰি আছে কেনেদৰে বহিৰ্জগতৰ কোনো ধৰণৰ হস্তক্ষেপ নোহোৱাকৈ ইয়াত উদ্ভিদ আৰু প্ৰাণীৰ সৃষ্টি হৈছে। লগতে পৰ্যবেক্ষণ কৰিহে কেনেকৈ মাটি, বেক্টৰিয়া, শৈলুৱে আদিৰ উদ্ভৱ হৈছে। তেওঁলোকৰ মতে সৃষ্টি হোৱাৰ পাছৰে পৰা বৰ্তমানলৈ প্ৰায় অৰ্ধশতক সময় ইয়াত বিভিন্ন

ধৰণৰ চত্ৰাক আৰু চৰাইৰ আগমন ঘটিছে আৰু প্ৰায় ৩৩৫ ধৰণৰ অমেৰুদণ্ডী প্ৰাণীৰ সৃষ্টি হৈছে। এইবোৰ কাৰণত সাধাৰণ মানুহক এই দ্বীপলৈ যাব দিয়া নহয়। কেৱল কিছু বিশেষ বিজ্ঞানীয়েহে পৰ্যবেক্ষণ আৰু পৰীক্ষা-নিৰীক্ষাৰ বাবে এই দ্বীপভূমিলৈ যাব পাৰে।

আইচি গ্ৰাণ্ড শ্ৰাইন (জাপান)

আইচি গ্ৰাণ্ড শ্ৰাইন হ'ল দেশৰ চিনতো ধৰ্মাৱলম্বীসকলৰ সূৰ্য আৰু ব্ৰহ্মাণ্ডৰ দেৱী আমাতেৰামুৰ উদ্দেশ্যে তৈয়াৰ কৰা এক গুৰুত্বপূৰ্ণ পৱিত্ৰ মন্দিৰ। জটিল নিৰ্মাণ শৈলীৰে নিৰ্মিত এই প্ৰাচীন মন্দিৰ অতি গুৰুত্বপূৰ্ণ আৰু পৱিত্ৰ। সম্পূৰ্ণভাৱে কাঠেৰে নিৰ্মিত এই মন্দিৰত এটাও ধাতুৰ পেৰেক ব্যৱহাৰ কৰা হোৱা নাই। চিনতো ধৰ্মাৱলম্বীসকলৰ জন্ম-মৃত্যুৰ বিশ্বাস অনুসৰি প্ৰতি ২০ বছৰৰ মূৰত ইয়াৰ সংস্কাৰ কৰা হয়। শেষবাৰ সংস্কাৰ কৰা হৈছিল ২০১৩ত। মন্দিৰৰ পৱিত্ৰতা ৰক্ষাৰ বাবে ইয়াত কেৱল ৰাজ পৰিবাৰৰ সদস্যসকলেহে ইয়াত প্ৰৱেশ কৰিব পাৰে। সাধাৰণ মানুহক কেৱল কাঠৰ বেৰৰ বাহিৰত থাকি দূৰৰ পৰা দৰ্শন কৰিব পাৰে।

হাৰ্ড আইলেণ্ড ভলক্যালো (অষ্ট্ৰেলিয়া)

মাদাগাস্কাৰ আৰু এণ্টাৰ্কটিকাৰ মাজভাগত অৱস্থিত হাৰ্ড দ্বীপক পৃথিৱীৰ শেষপ্ৰান্ত বুলি কোৱা হয়। অষ্ট্ৰেলিয়াৰ অধীনত থকা এই দ্বীপটো দৃষ্টি হৈছে লাভা উদ্‌গীৰণৰ ফলত। ইয়াত দুটা আগ্নেয়গিৰি আছে। বছৰৰ বেছিভাগ সময় দ্বীপটো বৰফেৰে ঢকা থাকে। প্ৰায় ৪০টা হিমবাস সমন্বিতে এই দ্বীপত কোনো মানুহৰ বসতি নাই। প্ৰাণী জগতৰ ভিতৰত আছে পেংগুইন আৰু সামুদ্ৰিক চৰাই। দ্বীপটো মূল ভূভাগৰ পৰা ইমানেই দূৰত আৰু অগম্য যে অষ্ট্ৰেলিয়া চৰকাৰে কেৱল বিশেষ বিজ্ঞানীসকলৰ বাহিৰে সাধাৰণ মানুহক ইয়ালৈ যাব নিদিয়ে।

প্ৰায় দুসপ্তাহ সমুদ্ৰ যাত্ৰা কৰিহে বিশেষজ্ঞসকলে ইয়ালৈ যাব পাৰে।

পোভেগ্লিয়া আইলেণ্ড (ইটালী)

উত্তৰ ইটালীত ভেনিচ আৰু লিডোৰ মাজভাগত অৱস্থিত এই পোভেগ্লিয়া আইলেণ্ড। ইটালীৰ সকলোতকৈ বেছি ভূত থকা ঠাই বুলি কুখ্যাত এই দ্বীপ। চতুৰ্দশ শতাব্দীত বুবোনিক প্লেগৰ পাদুৰ্ভাৱৰ সময়ত প্ৰায় ডেৰ লাখৰো অধিক প্লেগৰোগৰ ৰোগীক তেওঁলোকৰ জীৱনৰ শেষ দিনবোৰত ইয়াতে জনসাধাৰণৰ পৰা বিচ্ছিন্ন কৰি ৰখা হৈছিল। কেৱল সিমানেই নহয় ঊনবিংশ শতাব্দীতো ইয়াত আছিল কুখ্যাত মানসিক ৰোগীসকলৰ হাস্পতাল। য'ত এজন ডাক্তৰে হেনো দুৰ্ভগীয়া সেই ৰোগীসকলৰ ওপৰত নানাধৰণৰ নিষ্ঠুৰ পৰীক্ষা-নিৰীক্ষা চলাইছিল। নিৰ্জন দ্বীপটোৰ অৰ্ধেক মাটিয়েই হেনো মানুহৰ দেহাৱশেষৰ দ্বাৰা তৈয়াৰী। মানুহৰ বিশ্বাস সেই নিপীড়িত প্লেগত মৃত্যু বৰণ কৰা অসংখ্য মানুহৰ আত্মাই দ্বীপটোত ঘূৰি ফুৰে। সেয়েহে এই পৰিত্যক্ত দ্বীপলৈ সাধাৰণ মানুহক যাব দিয়া নহয়।

কিন চি হুয়াংয়ৰ কবৰ (চিন)

১৯৭৪ত প্ৰাচীন এক বিশাল টেৰাকোটা সৈন্যদল আৱিষ্কৃত হোৱাৰ পাছত প্ৰত্নতত্ত্ববিদসকলে বিচাৰি পায় চিনৰ প্ৰথম সম্ৰাট কিন চি হুয়াংয়ৰ সমাধি স্থল। কিন্তু চীন চৰকাৰে দেশৰ সাংস্কৃতিক উত্তৰাধিকাৰী আৰু সমাধিস্থ মানুহৰ প্ৰতি সন্মান জনাই মাটিৰ তলত খননকাৰ্য বন্ধ কৰি দিছে। প্ৰায় দুহেজাৰ বছৰবো অধিক পুৰণি এই সমাধিস্থল সেয়েহে বৰ্তমান বিশ্বৰ সকলোতকৈ ৰহস্যময় স্থানবোৰৰ ভিতৰত এখন। মানুহে বাহিৰৰ পৰা বোকাৰে তৈয়াৰী প্ৰায় ২০০০ টেৰাকোটা যোদ্ধা দেখিবলৈ পালেও সমাধিৰ ভিতৰত আৰু গোপন কোঠাবোৰত আৰু প্ৰায় ৬০০০ টেৰাকোটাৰ মূৰ্তি আৰু সম্ৰাটৰ পৰজীৱনত ব্যৱহাৰ্য নানাৰকমৰ বস্তুৰ সম্ভাৰ লুকাই আছে বুলি সকলোৰে বিশ্বাস। ইয়াত হেনো বাহিৰৰ আক্ৰমণৰ পৰা ৰক্ষা পাবৰ কাৰণে ৰহস্যময় ফান্দ পতা আছে। স্থানটো আজিও বিশ্বৰ ঐতিহাসিক আৰু প্ৰত্নতত্ত্ববিদসকলৰ বাবে ভীষণ ৰহস

সম্পত্তি ক্ৰয় কৰাৰ পূৰ্বে জানি লওক ষ্টাম্প শুল্ক গণনাৰ পদ্ধতি

নতুন সম্পত্তি ক্ৰয় কৰোতে আইনীভাৱে মালিকীস্বত্ব স্থানান্তৰ কৰিবলৈ ক্ৰেতাই ষ্টাম্প শুল্ক আৰু পঞ্জীয়ন মাচুল শুল্ক পৰিশোধ কৰিব লাগে। ভাৰতীয় ষ্টাম্প আইন, ১৮৯৯ৰ ৩ নম্বৰ ধাৰাৰ অধীনত, ভূমি, ঘৰ বা সম্পত্তি ক্ৰয় কৰোতে মালিকীস্বত্বৰ পৰিৱৰ্তন চৰকাৰীভাৱে বৈধ আৰু আইনী প্ৰক্ৰিয়াৰে সম্পূৰ্ণ কৰাৰ বাবে এই শুল্ক পৰিশোধ কৰাটো বাধ্যতামূলক। ষ্টাম্প শুল্ক অবিহনে মাটি-বাৰী জাতীয় সম্পত্তি পঞ্জীয়ন কৰিব নোৱাৰি আৰু যদি পঞ্জীয়ন কৰা নহয়, সম্পত্তিৰ ওপৰত ক্ৰেতাৰ কোনো আইনী অধিকাৰ নাথাকে। নতুন সম্পত্তি এটা ক্ৰয় কৰোতে ষ্টাম্প শুল্ককে ধৰি পঞ্জীয়ন মাচুল, উপ-কৰ আদিও পৰিশোধ কৰিব লাগে। ষ্টাম্প শুল্ক সাধাৰণতে সম্পত্তিৰ মূল্যৰ পাঁচ শতাংশৰ পৰা সাত শতাংশৰ ভিতৰত হয়। বিপৰীতে, পঞ্জীয়ন মাচুল হিচাপে এক শতাংশকৈ কাটি ৰখাৰ নিয়ম। এই সমস্ত শুল্ক মিলি একেলগে সম্পত্তিৰ মূল্যৰ মুঠ ব্যয় সাত শতাংশৰ পৰা ১০ শতাংশলৈ বৃদ্ধি কৰে । এই ষ্টাম্প শুল্কৰ পৰিমাণ ৰাজ্য চৰকাৰৰ দ্বাৰা আৰোপ কৰা হয় বাবে শুল্কৰ পৰিমাণ ৰাজ্য ভেদে পৃথক হয়।

ষ্টাম্প শুল্ক নিৰ্ধাৰণ কৰাৰ পদ্ধতি

ক্ৰয় মূল্য, বজাৰ মূল্য, ক্ৰেতাৰ বয়স আৰু সম্পত্তিৰ অৱস্থানকে ধৰি কেকোঁটাও কাৰকৰ ওপৰত ভিত্তি কৰি ষ্টাম্প শুল্ক ধাৰ্য কৰা হয়। এই বিষয়বোৰ তলত আলোচনা কৰা হৈছে।

ষ্টাম্প শুল্ক গণনা কৰোতে সম্পত্তিৰ বজাৰ মূল্য প্ৰথমে বিবেচনা কৰা হয়। যদি ভূমি বা ঘৰৰ বজাৰ মূল্য বেছি হয়, ষ্টাম্প শুল্ক হিচাপেও উচ্চ শুল্ক আৰোপ কৰা হ'ব আৰু একেদৰে কম বজাৰ

মূল্যৰ বাবে কম শুল্ক আৰোপ কৰা হ'ব।

বজাৰ মূল্যৰ উপৰি সম্পত্তিৰ অৱস্থান আৰু সম্পত্তিৰ প্ৰকাৰৰ ওপৰত আধাৰিত কৰিও ষ্টাম্প শুল্ক গণনা কৰা হয়।

ইয়াৰ উপৰি, এই শুল্ক আৰোপ কৰোতে গৰাকীৰ বয়স তথা গৰাকী মহিলা নে পুৰুষ ইত্যাদি বিষয়কো বিবেচনা কৰা হয়।

ষ্টাম্প শুল্ক নিৰ্ধাৰণ কৰাৰ বাবে শুল্ক বিষয়াসকলে সাধাৰণতে 'ষ্টাম্প শুল্ক ৰেডি ৰেকনাৰ' ব্যৱহাৰ কৰে। ৰাজ্য চৰকাৰসমূহে প্ৰতি বছৰে পহিলা জানুৱাৰীত এই 'ষ্টাম্প শুল্ক ৰেডি ৰেকনাৰ' মুকলি কৰে।

ষ্টাম্প শুল্ক কেলকুলেটৰ

অনলাইন ষ্টাম্প শুল্ক কেলকুলেটৰ ব্যৱহাৰ কৰি খুব সহজেই এইটো নিৰ্ধাৰণ কৰিব পাৰি যে নতুন সম্পত্তি এটা কিনাৰ সময়ত মূল দামক বাদ দি আৰু কিমান টকা ষ্টাম্প শুল্ক হিচাপে প্ৰদান কৰিব লাগিব। ইণ্টাৰনেটত যিকোনো ষ্টাম্প শুল্ক কেলকুলেটৰত তথ্য জমা দিলেই মাত্ৰ দুটামান ছেকেণ্ডৰ ভিতৰতে যথাযথ উত্তৰ পাব পাৰি। এনেদৰে ষ্টাম্প শুল্ক কেলকুলেটৰ ব্যৱহাৰ কৰিব খোজা গ্ৰাহকসকলে সম্পত্তিৰ ধৰণ, সম্পত্তিৰ অৱস্থান আৰু মুঠ বজাৰ মূল্যসহ যি সমূহ তথ্যৰ প্ৰয়োজন তাক নিৰ্দিষ্ট স্থানত পূৰণ কৰি 'কেলকুলেট' অপছনত ক্লিক কৰিব লাগিব । এনে কৰিলে দুই ছেকেণ্ডমানৰ ভিতৰতে ফলাফল ক্ৰেতাৰ প্ৰশ্নৰ সঠিক উত্তৰৰ স'তে স্ক্ৰীণত প্ৰদৰ্শিত হ'ব। ক্ৰেতাই অনলাইন কেলকুলেটৰ ব্যৱহাৰ কৰি ষ্টাম্প শুল্ক গণনা কৰাৰ লগতে পঞ্জীয়ন মাচুলো গণনা কৰিব পাৰে। একেদৰে, অনলাইন কেলকুলেটৰত উপ-কৰ আদি যোগ কৰিলে সম্পত্তি এটাৰ পঞ্জীয়নৰ মুঠ ব্যয়ৰ পৰিমাণ কিমান হ'ব তাকো গণনা কৰি উলিয়াব পাৰি । যদি কোনো গ্ৰাহকে অনলাইন কেলকুলেটৰ ব্যৱহাৰ কৰিবলৈ সক্ষম নহয়, তেন্তে নিজৰ সমীপৱৰ্তী পঞ্জীয়ন কাৰ্যালয়লৈ গ'লেও ষ্টাম্প শুল্ক আৰু পঞ্জীয়ন মাচুলৰ পৰিমাণৰ বিষয়ে ধাৰণা পাব পাৰে।

ষ্টাম্প শুল্ক মাচুল কি কি কাৰকৰ ওপৰত নিৰ্ভৰ কৰে সম্পত্তিৰ বয়স

সম্পত্তিৰ বয়সে ষ্টাম্প শুল্ক মাচুল হিচাপে ক্ৰেতাই কিমান শুল্ক পৰিশোধ কৰিব লাগিব সেয়া নিৰ্ধাৰণ কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। যিহেতু সম্পত্তিৰ বজাৰ মূল্যৰ ওপৰত আধাৰিত কৰি ষ্টাম্প শুল্ক নিৰ্ধাৰণ কৰা হয়, নতুনকৈ নিৰ্মাণ কৰা ঘৰ বা ফ্লেটৰ ওপৰত তুলনামূলকভাৱে উচ্চ শুল্ক আৰোপ কৰা হয়। য'ত নেকি পুৰণি ঘৰৰ ক্ষেত্ৰত এই পৰিমাণ ভালেখিনি কম হয়।

মালিকৰ বয়স

৬০ বছৰৰ উৰ্ধ্বৰ ব্যক্তিৰ নামত যদি কোনো সম্পত্তি ক্ৰয় কৰা যায় তেন্তে ষ্টাম্প শুল্ক মাচুল প্ৰদানৰ ক্ষেত্ৰত কিছু ৰেহাই পাব পৰা যায় । প্ৰায় সকলো ৰাজ্য চৰকাৰে জ্যেষ্ঠ নাগৰিকৰ বাবে ষ্টাম্প শুল্ক মাচুল লোৱাৰ সময়ত ৰেহাই বা ৰাজসাহায্য আগবঢ়ায়।

মালিকৰ লিংগ

জ্যেষ্ঠ নাগৰিকৰ দৰে মহিলাসকলেও নিজৰ নামত সম্পত্তি পঞ্জীয়ন কৰোতে ষ্টাম্প শুল্ক মাচুল প্ৰদানৰ ক্ষেত্ৰত ৰেহাই পায়। পুৰুষ ক্ৰেতাই সম্পত্তি হস্তান্তৰ কৰোতে মহিলাতকৈ দুই শতাংশ অধিক ষ্টাম্প শুল্ক পৰিশোধ কৰিব লাগে।

উদ্দেশ্য

ঘৰ, ফ্লেট বা আৱাসিক ভৱনৰ তুলনাত বাণিজ্যিক ভৱনৰ ওপৰত অধিক ষ্টাম্প শুল্ক আৰোপ কৰা হয়।

সম্পত্তিৰ অৱস্থান

পৌৰ নিগমৰ অঞ্চল বা নগৰীয়া সম্পত্তিৰ ক্ষেত্ৰত, ক্ৰেতাৰ বাবে তুলনামূলকভাৱে উচ্চ ষ্টাম্প শুল্ক মাচুল আৰোপ কৰা হয়। আনহাতে, পঞ্চায়ত অঞ্চল বা চহৰৰ উপকণ্ঠ অঞ্চলৰ বাসিন্দাসকলে তুলনামূলকভাৱে কম মাচুল পৰিশোধ কৰিব লাগে।

অন্যান্য শুল্ক

চৰকাৰে তালিকাভুক্ত কৰা মুঠ ২০ টা সুবিধাৰ বাবে অতিৰিক্ত শুল্ক আৰোপ কৰা হয় যাৰ ভিতৰত আছে এলিভেটৰ, ছুইমিং পুল, ক্লাব হাউছ, জিম, কমিউনিটি হল আৰু ক্ৰীড়া কমপ্লেক্স।

শিক্ষা ঋণৰ গুৰুত্ব

ছাত্ৰ-ছাত্ৰীৰ বাবে বেংকসমূহে দিয়ে সুতৰ হাৰত বিশেষ ৰেহাই

আগশাৰীৰ বেংকসমূহৰ শিক্ষা ঋণৰ সুতৰ হাৰ

ভাৰতীয় ষ্টেট বেংক এছবিআই ঋণ আঁচনিৰ- ৮.৬৫ শতাংশ
কানাড়া বেংক বিদ্যাসাগৰ আঁচনি (৭.৫ লাখ টকাৰ ওপৰত) - ৮.০০ শতাংশ
কানাড়া বেংক বিদ্যা শক্তি আঁচনি (সৰ্বাধিক ৭.৫ লাখ টকা) - ৬.৪০ শতাংশ
বেংক অৱ ইণ্ডিয়া শিক্ষা ঋণ (৭.৫ লাখ টকাৰ ওপৰত) - ৯.২৫ শতাংশ
পিএনবি সৰস্বতী, পিএনবি উড়ান (১০ লাখ টকালৈকে) - ৯.৭৫ শতাংশ
পিএনবি কৌশল ঋণ (১.৫০ লাখ টকালৈকে) - ৮.৫০ শতাংশ
বেংক অৱ মহাৰাষ্ট্ৰ মডেল শিক্ষা ঋণ আঁচনি (৭.৫ লাখ টকাৰ ওপৰত) ৭.৯৫ শতাংশ

কথাতে কয়, কলমৰ শক্তি তৰোৱালতকৈও বেছি। পিছে কলমৰ ধাৰ আৰু ৰেছি তীক্ষ্ণ কৰিবলৈ, শিক্ষাৰ পোহৰৰ প্ৰয়োজন আছে আমাৰ সমাজত। শিক্ষা হৈছে একমাত্ৰ অস্ত্ৰ যি মানুহৰ যিকোনো সপোন পূৰণ কৰিব পাৰে। কিন্তু বৰ্তমানে শিক্ষাৰ ব্যয় ইমানেই বাঢ়িছে যে অভিভাৱকসকলে সন্তানৰ বিদ্যালয় আৰু মহাবিদ্যালয়ৰ মাচুল পৰিশোধ কৰিবলৈ যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হয়। মধ্যবিত্ত সকলৰ বাবে কোনো কোনো পৰিস্থিতিত, ফুল টাইম, পাৰ্ট টাইম বা এক-দুই বছৰীয়া পাঠ্যক্ৰমৰ ব্যয় বহন কৰিবলৈও কঠিন হৈ পৰে। কিন্তু এনে বহুত সুবিধা আছে যাৰ দ্বাৰা মধ্যবিত্ত পৰিয়াল এটায়ো নিজৰ সন্তানক উচ্চ শিক্ষা দিয়াৰ সপোন পূৰণ কৰিব পাৰে আৰু এই সপোনৰ বাটত থকা সকলো আৰ্থিক সমস্যাৰ সমাধান পাব পাৰে। ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা ঋণৰ জৰিয়তে তেওঁলোকৰ সপোন পূৰণ কৰাৰ দিশত আগবাঢ়িব পাৰে, যদিহে তেওঁলোকে এবাৰতে যথেষ্ট ধন পাঠ্যক্ৰমৰ খৰচ হিচাপে পৰিশোধ কৰাত অসুবিধা পায়। বহু বেংকে এই ধৰণৰ ঋণ আঁচনিৰ জৰিয়তে বিশেষকৈ ছাত্ৰীসকলৰ বাবে অধিক সুবিধা আগবঢ়াই আছে । প্ৰায় সকলো বেংকে শিক্ষাৰ্থীসকলৰ বাবে শিক্ষা ঋণৰ সুবিধা প্ৰদান কৰে । বেংকভেদে এনে ঋণৰ সুতৰ হাৰ পৃথক হয়। ইয়াৰ উপৰি শিক্ষাৰ প্ৰকাৰ, ঘৰুৱা বা আন্তঃৰাষ্ট্ৰীয় পাঠ্যক্ৰম আৰু অন্যান্য কাৰকৰ ওপৰত আধাৰিত কৰিও সুতৰ হাৰ সলনি হয়। উদাহৰণ স্বৰূপে, কেকোঁটাও বেংকে কেৱল ছাত্ৰীসকলৰ বাবে কম সুতৰ হাৰত শিক্ষা ঋণৰ বিশেষ সুবিধা প্ৰদান কৰে। শিক্ষাক্ষেত্ৰত যে ছাত্ৰীসকল ছাত্ৰৰ তুলনাত কোনোগুণে কম নহয় সেয়া সময়ে সময়ে বহুবাৰ প্ৰমাণিত হৈ আহিছে। তথাপি বহুক্ষেত্ৰত বহুতো প্ৰতিভাশালী ছাত্ৰীয়ে পাৰিবাৰিক আৰ্থিক সীমাবদ্ধতা আৰু পৰিস্থিতিৰ বাবে পঢ়া-শুনা এৰিবলৈ বাধ্য হোৱা দেখা যায়। সেয়েহে কেন্দ্ৰীয় চৰকাৰে দীৰ্ঘদিন ধৰি ছোৱালীৰ শিক্ষাৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ চেষ্টা কৰি আহিছে। উদাহৰণ স্বৰূপে, চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত কন্যা সন্তানৰ অগ্ৰগতিৰ বাবে সুকন্যা সমৃদ্ধি যোজনা আৰম্ভ কৰিছে। এই আঁচনিখনৰ অধীনতো, উচ্চ শিক্ষাপ্ৰাপ্ত কৰিবলৈ আগ্ৰহী ছাত্ৰীসকলক শিক্ষা ঋণৰ পৰা ৰেহাই দিয়া হয়। তেওঁলোকে ছাত্ৰৰ তুলনাত শিক্ষা ঋণৰ ওপৰত ০.৫০ শতাংশ সুতৰ হাৰ ৰেহাই পাব পাৰে। অৰ্থাৎ, যদি আন শিক্ষাৰ্থীসকলৰ বাবে বাৰ্ষিক সুতৰ হাৰ ৭ শতাংশ, সুকন্যা সমৃদ্ধিৰ আওতাত পৰা ছাত্ৰীসকলৰ বাবে এই হাৰ হ'ব ৬.৫০ শতাংশ।

শেষ মুহূৰ্তত তৎকাল টিকট নিশ্চিত কেনেকৈ কৰিব?

সবিস্তাৰে জানো আহক উপায়

ক'ভিড-১৯ সংক্ৰমণ ক্ৰমান্বয়ে হ্ৰাস পাইছে। কে'বাখনো ৰাজ্যত সংক্ৰমণৰ ভয়ত আৰোপ কৰা নিয়মবোৰ সম্পূৰ্ণৰূপে শিথিল কৰা হৈছে। আনহাতে, শীতকাল আহি পোৱাৰ লগে লগে সাধাৰণ মানুহৰ মাজত ভ্ৰমণৰ বাবেও খৰখেদা লাগিছে। হেজাৰ হেজাৰ মানুহে আইআৰচিটিচিযোগে ৰেলৰ টিকট বুক কৰিছে। এই ধৰণে টিকট বুক কৰাসকলৰ মাজত এনে বহু যাত্ৰী আছে, যিয়ে একেবাৰে শেষ মুহূৰ্তত টিকট বুক কৰিছে। আনহাতে, বহুতে হয়তো টিকট নাপাই অন্য বিকল্প লবলগীয়া হৈছে। শেষ মুহূৰ্তত টিকট বুক কৰিবলৈ গ'লে, সেই সময়ত কেতিয়াবা টিকট পাবলৈ যথেষ্ট কঠিন হৈ পৰে। সকলোৰে নিশ্চিত টিকট নাপায়। কেৱল কেইজনমান ভাগ্যৱান লোকেহে এইদৰে টিকট পায়। আহকচোন জানো, কেনেদৰেনো শেষ মুহূৰ্ততো চেষ্টা কৰিলে তৎকাল টিকট নিশ্চিত কৰিব পাৰি...। সাধাৰণতে এয়াৰ কণ্ডিছনিং কোচৰ বাবে তৎকাল বুকিং পুৱা ১০ বজাত আৰম্ভ হয় আৰু নন-এচি কোচৰ বাবে বুকিং পুৱা ১১ বজাত আৰম্ভ হয়। সকলোৱে জানে যে টিকট বুক কৰিবলৈ, বিতং প্ৰ-পত্ৰ আৰু কেপচা পূৰণ কৰিব লাগে। কেতিয়াবা দেখা যায় যে সকলো বিৱৰণেৰে প্ৰ-পত্ৰখন পূৰণ কৰাৰ পাছতো, আবেদনকাৰীৰ টিকট অপেক্ষাৰ তালিকাত ৰৈ যায়। এনে অসুবিধা নহ'বৰ বাবে আইআৰচিটিচিৰ ৰেবছাইটত এটা বিশেষ সুবিধা আছে। আপুনি যদি বিচাৰে তেন্তে প্ৰ-পত্ৰত দাখিল কৰিবলগীয়া সকলো বিৱৰণ আইআৰচিটিচিৰ ৰেবছাইটত আগতীয়াকৈ সংৰক্ষণ কৰি থব পাৰে। শেষমুহূৰ্তত টিকট বুক কৰিব লগা হ'লে এই ৰেবছাইটত লগ ইন কৰি সহজতে তৎকাল টিকটৰ বাবে আবেদন কৰিব পৰা যায়। কিয়নো এনে কৰিলে, টিকট বুক কৰোতে বিতং প্ৰ-পত্ৰখন পূৰণ কৰাৰ প্ৰয়োজন নাথাকে । ফলত সময় ৰাহি হয়। কিন্তু এনে কৰোতে এটা দিশত সাৱধান হোৱা প্ৰয়োজন। যেতিয়া আপুনি টিকট বুকিং ৰেবছাইটত লগ ইন কৰে, নতুন বিৱৰণ (Fill New Details)ত ক্লিক কৰাৰ সলনি, বিদ্যমান বিৱৰণ (Existing Details)ত ক্লিক কৰিব। ই স্বয়ংক্ৰিয়ভাৱে যাত্ৰীৰ সকলো তথ্য পূৰণ কৰিব। ইয়াৰ পাছত ঠিকনা আৰু পেমেণ্ট মোডত ক্লিক কৰি ক্ৰেডিট কাৰ্ড, ইউপিআই বা ডেবিট কাৰ্ডৰ জৰিয়তে নিমিষতে টিকটৰ দাম পৰিশোধ কৰিব পাৰিব। স্মৰ্তব্য, কৰ'না ভাইৰাছৰ শৃংখলা ভাঙিবলৈ বিগত ২০২০ ৰ মাৰ্চৰ পৰাই ৰেলগাড়ীৰ স্বাভাৱিক চলাচল বন্ধ কৰা হৈছিল। অৱশ্যে, বিভিন্ন ৰাজ্যই তলাবন্ধ শিথিল কৰাৰ পাছত ২০২০ৰ মাজভাগৰ পৰাই বিশেষ ৰেলৰ চলাচল আৰম্ভ হয়। যোৱা মাহৰ পৰা, তলাবন্ধৰ আগতে চলাৰ দৰে পুনৰ স্বাভাৱিক হৈছে দেশজুৰি ৰেলগাড়ীৰ চলাচল। উল্লেখ্য, কৰ'না ভীতি অতিক্ৰম কৰাৰ পাছত বৰ্তমানে প্ৰায় ৯৫ শতাংশ ৰেলগাড়ী পুনৰ ট্ৰেকলৈ উভতি আহিছে। তদুপৰি ৰেলগাড়ীত কৰ'নাৰ পূৰ্বে উপলব্ধ অন্যান্য বিভিন্ন সেৱাও নতুনকৈ আৰম্ভ কৰা হৈছে। দীৰ্ঘদিন ধৰি ক'ভিডৰ বাবে খাদ্য সেৱা স্থগিত ৰখাৰ পাছত সম্প্ৰতি পৰিস্থিতি স্বাভাৱিক হোৱাৰ লগে লগে এই সেৱা পুনৰ আৰম্ভ কৰা হৈছে।

এটিএমৰ পৰা ধন উলিয়াবলৈ বাঞ্ছনীয় হ'ব ম'বাইল ফোন

এছবিআইৰ গ্ৰাহকসকল সতৰ্ক হওক

ভাৰতীয় ষ্টেট বেংকৰ গ্ৰাহকসকলৰ বাবে আছে এক গুৰুত্বপূৰ্ণ খবৰ। এটিএমৰ পৰা সৰহকৈ ধন উলিয়াবলৈ হ'লে এতিয়াৰে পৰা গ্ৰাহকৰ হাতত ম'বাইল ফোন থকাটো জৰুৰী হ'ব। কিয়নো এটিএমৰ পৰা ধন উলিওৱাৰ সময়ত অ'টিপি জানিবলৈ বিচাৰিব বেংকে গ্ৰাহকৰ পৰা। উক্ত অ'টিপি জমা দিলেহে লেনদেন সম্পন্ন কৰিব পৰা যাব । দেশত এটিএম প্ৰতাৰণাৰ ঘটনা দিনক দিনে বৃদ্ধি পোৱালৈ লক্ষ্য ৰাখিয়েই গ্ৰাহকৰ সুৰক্ষাৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰিবলৈ ওলাইছে বৃহত্তম ৰাজহুৱা খণ্ডৰ বেংকিং প্ৰতিষ্ঠানটোৱে। ইমানদিনে এছবিআইৰ গ্ৰাহকসকলে কোনো প্ৰতিবন্ধকতা অবিহনে এটিএম কাৰ্ড ব্যৱহাৰ কৰি দৈনিক সৰ্বাধিক সীমালৈকে ধন প্ৰত্যাহাৰ কৰিব পাৰিছিল; কিন্তু এইবাৰ কেকোঁটাও পৰিৱৰ্তন কৰা হৈছে। এতিয়াৰে পৰা এছবিআই গ্ৰাহকসকলে এটিএমৰ পৰা টকা উলিয়াবলৈ গ'লে এক নিৰ্দিষ্ট পৰিমাণৰ পাছত এটা অ'টিপি পৰিশোধ কৰিব লাগিব। গ্ৰাহকৰ পঞ্জীভুক্ত ম'বাইল নম্বৰলৈ বেংকৰ জৰিয়তে এক অ'টিপি প্ৰেৰণ কৰা হ'ব আৰু উক্ত অ'টিপি এটিএম মেচিনত জমা দিলেহে টকা উলিয়াব পৰা যাব। এছবিআয়ে এটিএম কাৰ্ডৰ জালিয়াতি ৰক্ষা কৰিবলৈ এই পদক্ষেপ গ্ৰহণ কৰিছে। যদি এজন ব্যক্তিয়ে ১০ হেজাৰ টকা বা অধিক টকা উলিয়াব বিচাৰে, তেন্তে সেই গ্ৰাহকে এনেদৰে অ'টিপি পৰিশোধ কৰিব লাগিব। গতিকে ম'বাইল ফোন অবিহনে গ্ৰাহকে ১০ হেজাৰ টকা বা ততোধিক টকা এটিএমৰ পৰা উলিয়াব নোৱাৰিব। স্মৰ্তব্য,এই সুবিধা ইতিমধ্যে পঞ্জাৱ নেচনেল বেংক পিএনবি-ৰ এটিএমতো উপলব্ধ।

দাম বাঢ়িল টাটা মটৰ্ছৰ জনপ্ৰিয় এছইউভি গাড়ীৰ

প্ৰসিদ্ধ দেশীয় গাড়ী নিৰ্মাতা কোম্পানী টাটা মটৰ্ছৰ কেকোঁখনো জনপ্ৰিয় মডেলৰ দাম শেহতীয়াকৈ বৃদ্ধি কৰা হৈছে। বাজেট মডেলৰ পৰা আৰম্ভ কৰি ব্যয়বহুল বিলাসী মডেল নিৰ্মাণ কৰি দেশবাসীৰ মাজত আৰম্ভণিৰে পৰা প্ৰচুৰ জনপ্ৰিয়তা অৰ্জন কৰা টাটা মটৰ্ছৰ ইয়াৰ ৩-ৰো এছইউভি (টাটা চাফাৰী ২০২১) মডেলৰ স্বয়ংক্ৰিয় ভেৰিয়েণ্টৰ মূল্য বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে। কোম্পানীটোৱে ঘোষণা কৰা মতে, এই এছইউভি ভেৰিয়েণ্টসমূহৰ দাম সৰ্বাধিক ৭,০০০ টকালৈকে বৃদ্ধি কৰা হৈছে। উল্লেখ্য যে চলিত বছৰত টাটা মটৰ্ছে ভাৰতীয় বজাৰত এছইউভি চাফাৰী (টাটা চাফাৰী এছইউভি এটিৰ সৰ্বমুঠ ৯ খনকৈ স্বয়ংক্ৰিয় ভেৰিয়েণ্ট মুকলি কৰিছিল। এই ভেৰিয়েণ্টসমূহ হৈছে ক্ৰমে এক্সটিএ+, এক্সএমএ, এক্সজেডএ, ছয় ছিটাৰ, এক্সজেডএ+ ছয় ছিটাৰ এডভেঞ্চাৰ সংস্কৰণ, এক্সজেডএ+ এডভেঞ্চাৰ সংস্কৰণ, এক্সজেডএ+, এক্সজেডএ+ গোল্ড আৰু এক্সজেডএ+ গোল্ড ছয় ছিটাৰ। ইয়াৰে টাটা চাফাৰী এক্সএমএ আৰু এক্সজেডএৰ মূল্য তিনি হেজাৰ টকাকৈ বৃদ্ধি কৰা হৈছে, আনহাতে চাফাৰী এক্সটিএ ৰ দাম সাত হেজাৰ টকালৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ উপৰি, অন্যান্য এছইউভি মডেলৰ অন্যান্য প্ৰকাৰৰ মূল্যও দুহেজাৰ টকা পৰ্যন্ত বৃদ্ধি কৰা হৈছে। আনহাতে, টাটা চাফাৰী মেনুৱেল ভেৰিয়েণ্টৰ মূল্যত কোনো পৰিৱৰ্তন হোৱা নাই। গাড়ীৰ মূল্যবৃদ্ধি কৰাৰ বাবে টাটা মটৰ্ছে মূল্যবৃদ্ধিকে মুখ্য কাৰণ হিচাপে দোষাৰোপ কৰিছে। টাটা মটৰ্ছৰ এক বিবৃতিত প্ৰকাশ পোৱা মতে, কেঁচামালৰ মূল্যবৃদ্ধিয়ে গাড়ীৰ মূল্যক প্ৰভাৱিত কৰিছে। ইস্পাত আৰু এলুমিনিয়ামৰ লগতে গাড়ী নিৰ্মাণত ব্যৱহাৰ হোৱা অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰীৰ অভাৱনীয় মূল্যবৃদ্ধিৰ বাবেই বাণিজ্যিক গাড়ীৰ মূল্যবৃদ্ধি কৰাৰ সিদ্ধান্ত লোৱা বুলি সদৰী কৰে কোম্পানীটোৱে। স্মৰ্তব্য, টাটা মটৰ্ছৰ উপৰি মাৰুতি ছুজুকী, মাৰ্চিডিজ-বেঞ্জ আৰু অ'ডিয়েও আগন্তুক নতুন বছৰৰ আৰম্ভণিৰ পৰাই নিজ নিজ কোম্পানীৰ গাড়ীৰ মূল্যবৃদ্ধি কৰাৰ কথা ঘোষণা কৰিছে শেহতীয়াকৈ। লগতে জানিব পৰা গৈছে যে গধুৰ আৰু মজলীয়া বাণিজ্যিক বাহন, পাতল বাণিজ্যিক গাড়ী, সৰু বাণিজ্যিক গাড়ী আৰু বাছৰ মূল্যও বৃদ্ধি কৰা হ'ব।

অ'মিক্ৰনৰ সন্ত্ৰাস

কৰ্মচাৰীক কাৰ্যালয়লৈ অনাৰ পৰিকল্পনা বাদ দিলে গুগলে

আগন্তুক নতুন বছৰটোৰ আৰম্ভণিতেই ঘৰৰ পৰা কাম কৰি থকা কৰ্মচাৰীসকলক কাৰ্যালয়লৈ ঘূৰাই অনাৰ বাবে যো-জা চলাইছিল প্ৰযুক্তি খণ্ডৰ সবাতোকৈ জনপ্ৰিয় আৰু সৰ্ববৃহৎ কোম্পানী গুগলে। কিন্তু অ'মিক্ৰনৰ সন্ত্ৰাসৰ বাবেই অহা জানুৱাৰীৰ পৰা কৰ্মচাৰীসকলক কাৰ্যালয়লৈ অনাৰ পৰিকল্পনা সম্প্ৰতি অনিৰ্দিষ্টকালৰ বাবে স্থগিত ৰাখিবলগীয়া হ'ল কোম্পানীটোৱে। কৰ'নাৰ অ'মিক্ৰন নামৰ এই নতুন প্ৰকাৰক লৈ উদ্বেগ বৃদ্ধি হোৱাৰ সমান্তৰালভাৱে গুগলৰ কিছু সংখ্যক কৰ্মচাৰীয়ে বাধ্যতামূলক কৰ'না টিকাকৰণত আপত্তি দৰ্শাইছে যাৰ ফলত লবলগীয়া হৈছে। শেহতীয়াকৈ এনডিটিভিৰ এক প্ৰতিবেদনত এই তথ্য প্ৰকাশ কৰা হৈছে। স্মৰ্তব্য, ইয়াৰ পূৰ্বে যোৱা আগষ্টতে গুগলে ইয়াৰ কৰ্মচাৰীসকলক ২০২২ৰ ১০ জানুৱাৰীৰ পৰা ঘৰৰ পৰা কাম কৰাৰ সুযোগ কমকৈ দিব বুলি ঘোষণা কৰিছিল। কৰ্মচাৰীসকলে সপ্তাহত কমেও তিনিদিন কাৰ্যালয়লৈ আহি কাম কৰাৰ লগতে অন্যান্য কেতবোৰ নিয়ম সম্বন্ধেও আগতীয়াকৈ সতৰ্ক কৰি দিছিল কোম্পানীটোৱে। পিছে নতুন অ'মিক্ৰন প্ৰকাৰে বিশ্বজুৰি কৰ'নাৰ দ্ৰুত সংক্ৰমণৰ প্ৰমাণ দিয়াৰ পাছত গুগলে এই সিদ্ধান্ত প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হয়। উল্লেখ্য যে শেহতীয়া সপ্তাহবোৰত, আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰায় ৪০ শতাংশ গুগলৰ কৰ্মচাৰী কাৰ্যালয়লৈ আহিছে আৰু কাম কৰা আৰম্ভ কৰিছে। অৱশ্যে, যোৱা সপ্তাহতো প্ৰকাশিত চিএনবিচিৰ এক প্ৰতিবেদন অনুসৰি বহুতো কৰ্মচাৰীয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ চৰকাৰে নিৰ্দেশ দিয়া বাধ্যতামূলক টিকাকৰণক লৈ আপত্তি জনাইছে। স্মৰ্তব্য, মহামাৰী আৰম্ভ হোৱাৰ পাছত কৰ্মচাৰীক ঘৰৰ পৰা কাম আৰম্ভ কৰিবলৈ নিৰ্দেশ দিয়া গুগল প্ৰথমটো কোম্পানী আছিল। বিশ্বৰ প্ৰায় ৬০ খন দেশত ইয়াৰ প্ৰায় ৮৫ টা কাৰ্যালয় আছে।

কোম্পানীটোৱে এই সিদ্ধান্ত

মোদী চৰকাৰৰ সহায়ত আৰম্ভ কৰক এই ব্যৱসায়

চাবোন প্ৰস্তুতকৰণৰ ব্যৱসায়টোক বৰ্তমানে এক অতি লাভজনক ব্যৱসায় হিচাপে গণ্য কৰিবলৈ লৈছে সকলোৱে।

সমগ্ৰ দেশতে সকলো সময়তে চাবোনৰ চাহিদা থাকে। সেয়েহে, চাবোন প্ৰস্তুতকৰণৰ ব্যৱসায়ৰ জৰিয়তে সহজে লাভ অৰ্জন কৰা সম্ভৱ। এই ব্যৱসায়ত, চাবোন যন্ত্ৰৰ সহায়ত তৈয়াৰ কৰা হয় আৰু বজাৰত বিক্ৰী কৰা হয়। বহুতে হাতেৰেও চাবোন তৈয়াৰ কৰে আৰু সেইবোৰ বজাৰত বিক্ৰী কৰে। এই ব্যৱসায়ৰ আটাইতকৈ ডাঙৰ সুবিধাটো হ'ল, ব্যৱসায়টো নিজাববীয়াকৈ কেৱল এজন মানুহে আটাইতকৈ সৰু স্

দেওবৰীয়া দৈনিক অগ্ৰদূত

ভাষাই এটা জাতিৰ মেৰুদণ্ড। বিশ্বজুৰি প্ৰতিটো জাতিয়ে ভাষাৰ বন্দনা কৰে। ভাষাই মানুহৰ আৱেগ, একাত্মবোধ, একতাৰ অন্যতম সেতুবন্ধন। শেহতীয়াভাৱে অসমীয়া ভাষাক লৈ নানা বিতৰ্কৰ সৃষ্টি হৈছে। অসমীয়া ভাষালৈ সংকট নামি অহা বুলি একাংশই শংকা প্ৰকাশ কৰাৰ বিপৰীতে আন একাংশ ভাষাৰ শ্ৰীবৃদ্ধিক লৈ আশাবাদী। এই সম্পৰ্কীয় মতামতেৰে আজিৰ এই শিতান।

শিতান যুগুতাইছে— চেমিম চুলতানা আহমেদ। সহযোগিতাত—নয়ন কুমাৰ শৰ্মা, অৰূপ কলিতা।

সংকটত নেকি অসমীয়া ভাষা ?

অসমীয়া ভাষাৰ সংকট নিশ্চয়কৈ হৈছে

■ ড° দয়ানন্দ পাঠক

এসময়ত অৰুণাচলত অসমীয়া ভাষাৰ ব্যাপক প্ৰচলন আছিল। প্ৰায়ভাগ লোকেই অসমীয়া ভাষা কৈছিল। নগালেণ্ডতো বিভিন্ন জনগোষ্ঠীৰ মাজত ভিন-ভিন ভাষা চলা বাবে উমৈহতীয়া ভাষা হিচাপে অসমীয়া ভাষাকেই ব্যৱহাৰ কৰিছিল। মেঘালয়তো অসমীয়া ভাষাৰ প্ৰচলন আছিল। অসমৰ ৰাজধানী শ্বিলঙত হোৱা হেতুকে অসমীয়া ভাষাৰ প্ৰচলন আছিল। পৰৱৰ্তী সময়ত এইবোৰ ৰাজ্যত অসমীয়া ভাষাটো এলাগী হ'বলৈ ধৰিলে।

অসমীয়া ভাষা সংকটৰ গৰাহত নিশ্চয়কৈ পৰিছে। ইয়াৰ বাবেই আমি সকলোয়েই দায়ী। এসময়ত অৰুণাচলত অসমীয়া ভাষাৰ ব্যাপক প্ৰচলন আছিল। প্ৰায়ভাগ লোকেই অসমীয়া ভাষা কৈছিল। নগালেণ্ডতো বিভিন্ন জনগোষ্ঠীৰ মাজত ভিন-ভিন ভাষা চলা বাবে উমৈহতীয়া ভাষা হিচাপে অসমীয়া ভাষাকেই ব্যৱহাৰ কৰিছিল। মেঘালয়তো অসমীয়া ভাষাৰ প্ৰচলন আছিল। অসমৰ ৰাজধানী শ্বিলঙত হোৱা হেতুকে অসমীয়া ভাষাৰ প্ৰচলন আছিল। পৰৱৰ্তী সময়ত এইবোৰ ৰাজ্যত অসমীয়া ভাষাটো এলাগী হ'বলৈ ধৰিলে। ইয়াৰ বাবেই দায়ী কিন্তু উপযুক্ত নেতৃত্ব। এই ৰাজ্যসমূহত অসমীয়া ভাষাৰ প্ৰচলন বৰ্তাই ৰাখিবলৈ অসমৰ পৰা যিসকলৰ নেতৃত্ব লোৱাৰ প্ৰয়োজন আছিল তেওঁলোকে কোনো গুৰুত্ব প্ৰদান নকৰিলে। উপযুক্ত পদক্ষেপো গ্ৰহণ নকৰিলে। সেইবাবেই এই কেইখন ৰাজ্যৰ পৰা অসমীয়া ভাষা কোৱা লোকৰ সংখ্যা হ্ৰাস পাবলৈ ধৰিছে। শেহতীয়াভাৱে অসমতো বহুতো অভিভাৱকৰ মনত ইংৰাজী মাধ্যমৰ বিদ্যালয়ত ল'ৰা-ছোৱালী পঢ়ুৱালে ভৱিষ্যতে উন্নতি বা কেৰিয়াৰ গঢ়াত সহায় হ'ব বুলি মানসিকতা গঢ় লৈ উঠিছে। দৰাচলতে এই লোকসকলৰ নেতিবাচক চিন্তা-চৰ্চায়ো অসমীয়া ভাষালৈ কিছু পৰিমাণে সংকট নমাই আনিছে। আনহাতে, ভাষা এটাৰ প্ৰচলনৰ ক্ষেত্ৰত চৰকাৰৰ ভূমিকাও

প্ৰায় সকলো দফাই চূড়ান্তভাৱে অৱমাননা কৰি আহিছে। ভাষা আইনৰ ৩৪৩ ৰ চাৰি, পাঁচ আৰু ছয় নম্বৰ বিধি উলাই কৰি সকলো চৰকাৰী কাৰ্যালয়ত মুৰব্বীৰ পৰা আৰম্ভ কৰি নিম্নবৰ্গৰ কৰ্মচাৰীলৈকে চৰকাৰী কাম-কাজ ইংৰাজী ভাষাত সম্পাদন কৰি আত্মতুষ্টি লভি আহিছে। নিজৰ মাতৃভাষা তেতিয়ালৈকে উপেক্ষিত আৰু অৱহেলিত হৈ থাকিব যেতিয়ালৈকে আমাৰ বিলাকৰ মানসিকতাৰ পৰিৱৰ্তন নহয়। মই আচামীজ নাজানো বুলি কৈ গৌৰৱ কৰা মানসিকতা লালন-পালন কৰা অসমীয়াৰ হাততে আজি মাতৃভাষাটো অৱহেলিত। সমাজত এতিয়া ব্যাকৰণৰহিত আৰু শব্দ ভাণ্ডাৰ টনকিয়াল নোহোৱাকৈ ভুলকৈ ইংৰাজী ভাষা কৈ গৌৰৱ কৰা মানুহৰ সংখ্যা বহুত। অসমৰ জনগাঁথনি ভাৰতৰ অন্য প্ৰদেশৰ পৰা পৃথক। তাৰ অচিলাতে ইয়াত অন্য মাধ্যমৰ বিদ্যালয়সমূহ গঢ়ি উঠিছে। এনে বিদ্যালয়সমূহত অসমীয়া ভাষাক ঐচ্ছিক বিষয়ৰূপে ৰাখি অসমীয়া নজনা এটা বিজতৰীয়া শ্ৰেণী সৃষ্টি কৰা হৈছে। ১৯৭১ত হোৱা যুদ্ধৰ ফলশ্ৰুতিত পূৱ পাকিস্তানৰ পৰা ত্ৰিপুৰালৈ প্ৰব্ৰজন কৰা মানুহৰ সংখ্যা ততোধিক হোৱাৰ বাবে আৰু তেওঁলোকৰ আগ্ৰাসনে আজি ত্ৰিপুৰাত ত্ৰিপুৰীসকলৰ মাতৃভাষাক অস্তিত্বহীন কৰি গোজেই গজালিৰ ৰূপ ল'লৈগৈ। অসমত আজিৰ অৱস্থা বাহাল থাকিলে অসমলৈকো তেনে শংকা অব্যাহত থাকিব।

গুৰুত্বপূৰ্ণ বুলি ক'ব লাগিব। এতিয়া চৰকাৰে বিভাজন নীতিৰেই শাসন কৰিবলৈ চেষ্টা চলোৱা প্ৰচেষ্টা সফল কৰিবলৈ ভাষাৰ ক্ষেত্ৰত বিভাজন চলাবলৈ চেষ্টা কৰিছে। এতিয়া চৰকাৰে ভাষাটো প্ৰধান লক্ষ্য হিচাপে লোৱা বুলি ক'ব পাৰি। আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল ছবছৰীয়া অসম আন্দোলনৰ ফলত যি দুখন বিশ্ববিদ্যালয় স্থাপন কৰা হ'ল তাত অসমীয়া ভাষাত বিশেষ গুৰুত্ব প্ৰদান কৰা হোৱা নাই। সামান্যভাৱেই এই বিশ্ববিদ্যালয়ত অসমীয়া ভাষা চলি আছে। তদুপৰি, কিছুমান অভিভাৱক তথা পিতৃ-মাতৃয়ে সন্তানে অসমীয়া ভাষা ক'ব আৰু লিখিব নাজানে বুলি কৈ গৌৰৱবোধ কৰাৰো মানসিকতাও গঢ় লৈ উঠিছে। সেইবাবেও অসমীয়া ভাষালৈ কিছু পৰিমাণে সংকট নামি অহা বুলি ক'ব পাৰি। কিছুদিন পূৰ্বে এগৰাকী বাংলা ভাষাৰ অধ্যাপকক লগ পাওতেই তেওঁ কৈছিল যে বাঙালী ভাষা ৯০০ খন বিশ্ববিদ্যালয়ত চলে। আনহাতে, অসমীয়া ভাষাতো মাত্ৰ গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়তহে চলে। গতিকে তেওঁলোকৰ স'তে সমিলমিলে চলাটোৱে ভাল বুলি কৈছিল। তেওঁ অসমীয়া ভাষা কোৱা লোক আৰু বাংলা কোৱা লোকৰ উদাহৰণ দিহে বিষয়টো ব্যাখ্যা কৰিছিল।

অৱশ্যে ভাষা কোৱা বা ব্যৱহাৰ কৰা বিষয়টোৰ ক্ষেত্ৰত সংখ্যাগত দিশটোও গুৰুত্ব দিব লাগিব। কিছু ক্ষেত্ৰত অসমীয়া ভাষাৰ সংকোচন হ'লেও আন কিছু ক্ষেত্ৰত আকৌ সম্প্ৰসাৰিত হৈছে। গুণগত মানৰ ওপৰতো সকলোৱে গুৰুত্ব দিব লাগিব। অসমীয়া ভাষা-সাহিত্যৰ পৰাই আজি জ্ঞানপীঠৰ দৰে সন্মানীয় বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। গতিকে গুণগত দিশৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ উন্নতি হোৱা বুলি ক'ব লাগিব।

মাতৃভাষা, ৰাজ্যভাষা ইত্যাদিৰ প্ৰতি ভাবুকি আৰু আমি

■ দীনেশ কুমাৰ শৰ্মা, লেখক

ধৰাতলত ভূমিষ্ঠ হোৱাৰ আগতে মাতৃ গৰ্ভতে আয়ত্ত কৰিবলৈ আৰম্ভ কৰা ভাষাটো আজি নিজৰ অস্তিত্বক লৈ সংকটাপন্ন। যি সময়ত পৃথিৱীৰ চৌদিশে নিজৰ জাতীয় অস্তিত্ব আৰু সংস্কৃতিক লৈ কিছুমান স্বাভিমানী শ্ৰেণী দোপতদোপে আগুৱাই গৈছে তেনে এক সন্ধিক্ষণত আমি বিলাকে নিজৰ মাতৃভাষাটোৰ অস্তিত্বক লৈ শংকিত হোৱাৰ সময় সমাগত। ভাৰতবৰ্ষৰ গৰিষ্ঠসংখ্যক ৰাজ্যতে স্বকীয় আঞ্চলিক ভাষাই চৰকাৰী ভাষাৰ গৰিমামণ্ডিত ব্যাপ্তি লাভ কৰিছে। অসমত অসমীয়া ভাষাই চৰকাৰী ভাষাৰ স্বীকৃতি পোৱাৰ পাছতো প্ৰসিদ্ধি লাভ কৰিবলৈ সক্ষম নোহোৱাতো আশ্চৰ্যকৰ আৰু চিন্তনীয় বিষয়। ৰাজ্যিক ভাষাৰ মৰ্যাদা পোৱাৰ পাছতো প্ৰসাৰ লাভ নকৰাটো বৃহত্তৰ অসমীয়া জাতিৰ স্বাভিমান, জাতীয়তাবোধ আৰু জাতীয় পৰিচয়ৰ দৰে সংবেদনশীল প্ৰসংগবোৰ নস্যাৎ কৰাৰ লগতে সংবিধান স্বীকৃত চৰকাৰী ভাষা আইনকো ভেঙুচালি কৰিছে। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছত ১৯৫৪ত ৰাজ্য পুনৰ্গঠন আয়োগে প্ৰচলিত আঞ্চলিক ভাষাবোৰৰ ভিত্তিত ৰাজ্য পুনৰ্গঠনৰ পৰামৰ্শ আগবঢ়াইছিল আৰু সেই অনুসৰি সংবিধানৰ ৮ম অনুসূচী অনুসৰি অসমত অসমীয়া ভাষাই মূল সংযোগী ভাষাৰ মৰ্যাদা লাভ কৰিছিল। কেন্দ্ৰীয় চৰকাৰে মান্যতা প্ৰদান কৰাৰ পাছতো অসম চৰকাৰৰ স্বভাৱজাত সোপাচিলা নীতিৰ ফলশ্ৰুতিত নিজ মাতৃভাষাক সংকটৰ গৰাহৰ পৰা ৰক্ষা কৰিবলৈ এটা সৰ্বগ্ৰাসী ভাষা আন্দোলন গা-কৰি উঠিল আৰু তাৰে অচিলাতে সংবিধানৰ ৩৪৫ নম্বৰ অনুচ্ছেদ অনুসৰি ১৯৬০ৰ ১৯ ডিচেম্বৰত অসম চৰকাৰী ভাষা আইন-১৯৬০ প্ৰণয়ন হয়। উক্ত আইনৰ আঠ নম্বৰ ধাৰা অনুসৰি ১০ বছৰৰ পাছত অসম চৰকাৰী ভাষা নিয়মাৱলী, ১৯৭০ প্ৰকাশ কৰা হয়। অসম চৰকাৰে ইয়াৰ সফল ৰূপায়ণৰ বাবে ৰাজ্যভাষা কাৰ্যকৰী সমিতি নামকৰণেৰে এখন উচ্চ ক্ষমতা সম্পন্ন সমিতিও গঠন কৰে। অসম চৰকাৰী ভাষা আইন ১৯৬০ৰ ১৩ নম্বৰ ধাৰা অনুসৰি সংবিধানৰ ৩৪৬ আৰু ৩৪৭ নম্বৰ অনুচ্ছেদ মৰ্মে অসমত অসমীয়া ভাষাক চৰকাৰী ভাষাৰূপে স্বীকৃতি দিয়া হয়। ৰাজ্যখনৰ চৰকাৰী কাৰ্যালয়সমূহত অসমীয়া ভাষা ব্যৱহাৰ বাধ্যতামূলক কৰা হয়। ইয়াৰ সমান্তৰালকৈ সংবিধানৰ ৩৪৩ নম্বৰ অনুচ্ছেদ অনুযায়ী কেন্দ্ৰীয় চৰকাৰৰ লগত বিভাগীয় যোগাযোগৰ বাবে ইংৰাজী ভাষা ব্যৱহাৰৰ অনুমতি দিয়া হ'ল। ৩৪৩ নম্বৰ অনুচ্ছেদৰ পাঁচ নম্বৰ ধাৰা অনুসৰি ৰাজ্যিক সচিবালয়, বিভাগীয় মুৰব্বীৰ কাৰ্যালয় আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ জিলাসমূহৰ চৰকাৰী কাৰ্যালয়বোৰৰ মাজত যোগাযোগ অসমীয়া ভাষাত হ'ব লাগিব। ছয় নম্বৰ ধাৰা অনুযায়ী ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰেৰণ কৰা সকলো অধ্যাদেশ, অধিসূচনা, ছপা বিজ্ঞপ্তি, প্ৰশাসনীয় নিৰ্দেশ, নিযুক্তি, পদোন্নতি, বদলি আৰু অনুশাসনমূলক আদেশ, বিজ্ঞাপন, নিবিদা, নিলাম সম্পৰ্কীয় জাননী আৰু চৰকাৰৰ ৰাজপত্ৰ অসমীয়া ভাষাত ইংৰাজী অনুবাদসহ প্ৰকাশ কৰিব লাগে। এনে এখন আইন থকাৰ পাছতো ধাৰাবাহিক নিৰ্লিপ্ততা আৰু সদিচ্ছাহীন মানসিকতা প্ৰদৰ্শন কৰি অসমৰ হৰ্তাকৰ্তা বিধাতা স্বৰূপ ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ আমোলা, বিষয়া আৰু কৰ্মচাৰীয়ে ভাষা আইনৰ

জাতিৰ উত্তৰণ, সমৃদ্ধি নিৰ্ভৰ কৰে মাতৃভাষাৰ ওপৰত

■ ডলী মণি শৰ্মা, শিক্ষয়িত্ৰী

এখন দেশ তথা এটা জাতিৰ উত্তৰণ, সমৃদ্ধি নিৰ্ভৰ কৰে মাতৃভাষাৰ ওপৰত। মাতৃভাষাটোৱে জাতি এটাৰ অস্তিত্ব বহন কৰে। তেনে এটা মাতৃভাষা, অসমীয়া ভাষাটোৱে হে অসমীয়া জাতিৰ সৃষ্টি কৰিছে। গতিকে যেতিয়ালৈ অসমীয়া মানুহ জীয়াই থাকিব তেতিয়ালৈ অসমীয়া ভাষা জীয়াই থাকিব। যিকোনো এটা ভাষাই এটা জাতিৰ কৃষ্টি-সংস্কৃতি আৰু ঐতিহ্যৰ বাহক। অসমীয়া মানুহেও নিজৰ কৃষ্টি- সংস্কৃতিক লৈ অতীজৰে পৰা গৌৰৱ কৰি আহিছে আৰু বৰ্তমানো কৰি আছে। অসমীয়া জাতিৰ বাপতি সাহোন বিহু ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সকলোৱে পৰিচিত। তেনেস্থলত অসমীয়া জাতি কেনেকৈ সংকটৰ গৰাহত। ভাষা এটা হঠাৎ সৃষ্টি হোৱা বস্তু নহয় আৰু সহজতে নোহোৱা হৈ যোৱা বস্তুও নহয়। হয়, আধুনিকীকৰণ বিশ্বায়নৰ প্ৰভাৱে বহু ভাষাক বিলুপ্তিৰ কৰাল গ্ৰাসলৈ ঠেলি দিছে। ভাষা এটাক ৰক্ষণাবেক্ষণ দিয়াৰ দায়িত্ব আমাৰ। এতিয়াও আমাৰ মাজত এচামে ইংৰাজী ভাষাক গুৰুত্ব প্ৰদান কৰিলেও আন এচামে অসমীয়া ভাষাৰ জয়গান কৰি উত্তৰণৰ দিশে আগুৱাই লৈ গৈছে। চৰকাৰে নানা ধৰণে সহায় আগবঢ়াইছে। মেডিকেল পৰীক্ষা অসমীয়া মাধ্যমত দিব পৰা হ'ল। ইউ টিউব ইত্যাদি অনলাইন মাধ্যমতো অসমীয়া ভাষাৰ সকলোখিনি চাব পৰা হ'ল। দিনে দিনে নতুন নতুন অসমীয়া কবি, সাহিত্যিক, ঔপন্যাসিকৰ আগমন ঘটিছে। লগতে তেওঁলোকৰ লেখাই মানুহক আপ্লুত কৰিছে আৰু জনপ্ৰিয়তাও বাঢ়িছে। গতিকে এই ধৰণে যদি আমি চকু ফুৰাও অসমীয়া জাতি জীয়াই আছে আৰু অনাদি কাললৈ থাকিব। এচাম দুৰ্বল মানুহেহে জাতিটোক মৃত্যুৰ মুখলৈ ঠেলি দিব চেষ্টা কৰিছে। ড° ভূপেন হাজৰিকাৰ কণ্ঠৰে 'আমি অসমীয়া নহওঁ দুখীয়া বুলি সান্ত্বনা লভিলে নহ'ব।' হয়, অকল সান্ত্বনা লভিলে নিশ্চয় হেৰাই যোৱাৰ অৱকাশ থাকিব ।

অসমীয়া ভাষাটো শেষ হৈ নাযায়

■ নৰ কুমাৰ শৰ্মা, ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক

অসমীয়া ভাষা ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই চলি আহিছে আৰু ভৱিষ্যতেও চলি থাকিব। ইয়াত কোনোবাই সন্দেহ কৰাৰ থল আছে বুলি নাভাবো। ভাষাৰ মৃত্যু নাই। যেতিয়ালৈকে এটা জাতিৰ শেষ ব্যক্তিজন জীয়াই থাকে তেতিয়ালৈকে ভাষাৰ মৃত্যু নহয়। ইতিহাসৰ পৃষ্ঠা মেলি চালে দেখা যায় যে কেতিয়াবা পৃথিৱীৰ কোনো এটা অঞ্চলত বিশেষ কাৰণত একো একোটা ভাষাৰ মৃত্যু হৈছে যদিও পৰৱৰ্তী সময়ৰ সেইবোৰো চৰ্চা হৈ আছে। অসমৰ কথাতো ক'বই নালাগে। তিনি কোটিৰ অধিক লোক থকা ৰাজ্যখনত অসমীয়া ভাষাৰ সংকট হোৱা বুলি ভবাৰ কোনো যুক্তি নাই। নিতৌ ৰাজ্যৰ বিভিন্ন ঠাইত উন্মোচন কৰা গ্ৰন্থ, গ্ৰন্থমেলা, সাহিত্য অনুষ্ঠানসমূহেই ইয়াৰ প্ৰকাশ দাঙি ধৰিছে। কোনোবা এটা অঞ্চলত ভাষাটোৰ প্ৰচলন কম হ'ল বুলিয়েই অসমীয়া ভাষাৰ সংকট হ'ব নোৱাৰে। তদুপৰি এতিয়াও বাঙালী, উড়িয়া, মাৰোৱাৰী আদি লোকে অসমীয়াত কিতাপ ৰচনা কৰিছে। ল'ৰা-ছোৱালীক অসমীয়া মাধ্যমৰ বিদ্যালয়ত পঢ়ুৱাইছে। অসমীয়া সংস্কৃতি গ্ৰহণ কৰিছে। এইবোৰে ভাষাৰ সংকট অনা নাই। আনিছে মাথোঁ একাংশ দুৰ্বল মানসিকতাৰ লোকে। অসমীয়া ভাষাৰ সংকটৰ সভাত ভাষণ দিয়া লোকসকলে যেতিয়া ভাষণৰ অন্তত নিজৰ ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ পৰা ছুটীৰ পাছত আনিবলৈ যায় তাতকৈ লজ্জাজনক বিষয় কিবা হ'ব পাৰে বুলি নাভাবো। নিজৰ ঘৰখন পশ্চিমীয়া সংস্কৃতিৰে ভৰপূৰ কৰি অসমীয়া সংস্কৃতিৰ কথা কোৱা লোকসকলৰ পৰাহে এনে ভাবুকিৰ সৃষ্টি হৈছে। কিছুমান সংগঠন আৰু অনুষ্ঠানে অসমীয়া ভাষা সংকটত পৰা বুলি অযথা হৈ-চৈ কৰি এনে এক পৰিৱেশৰ সৃষ্টি কৰিছে যেন কাইলৈৰ পৰা অসমীয়া ভাষা কোৱা লোক নাথাকিব। কোনোৱে অসমীয়াত নিলিখিব। ৰৰাকত কে'বাজনমান লোকে, সংগঠনে বাংলা ভাষাত হাৰ্ডিং লিখিবলৈ ক'লে বুলিয়ে অসমীয়া ভাষাটো শেষ হৈ নাযায়। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া সাহিত্য সৃষ্টিৰ সময়ত অসমীয়া ভাষাৰ সংকট হোৱা নাছিল জানো? তাৰ পাছতো অসম সাহিত্য সভাই শতবৰ্ষ অতিক্ৰম কৰিলে।

স্থিতিশীল ভাষাই প্ৰাণ পাই উঠিব নোৱাৰে

■ ললিতা ভৰালী, প্ৰধান শিক্ষয়িত্ৰী

অসমীয়া ভাষা অসমৰ উত্তৰ-পূবৰ এটা অতি শক্তিশালী ভাষা। ভাৰতীয় সংবিধান অনুসৰি চৰকাৰীভাৱে স্বীকৃত অসমীয়া ভাষা উত্তৰ-পূৰ্বাঞ্চলৰ এক সংযোগী ভাষা হিচাপেও প্ৰচলিত হৈ আছে। অসমৰ লোকপিয়ল অনুসৰি, অসমৰ জনসংখ্যাৰ আধা সংখ্যকৰ বাবেই অসমীয়া ভাষা প্ৰধান ভাব বিনিময়ৰ মাধ্যম। তথাপি সময়ে সময়ে অসমীয়া ভাষাৰ সংকট আৰু ইয়াৰ ভৱিষ্যত সম্পৰ্কে প্ৰশ্ন উত্থাপন নোহোৱাকৈ থকা নাই। সময়ৰ পৰিৱৰ্তন, উচ্চ শিক্ষা, ঔদ্যোগিক বিকাশ আৰু ন ন আধুনিক বৈজ্ঞানিক সঁজুলিৰ ব্যৱহাৰে এখন সমাজলৈ বিভিন্ন পৰিৱৰ্তন কঢ়িয়াই আনে। সমাজৰ এই পৰিৱৰ্তনে পোনপ্ৰথমে আমাৰ অজ্ঞাতে পৰোক্ষভাৱে প্ৰভাৱ পেলায় সমাজখনত প্ৰচলিত থকা ভাষাৰ ওপৰত। কাৰণ সমাজ এখনৰ ভাবৰ আদান-প্ৰদানৰ প্ৰধান আহিলাই হ'ল ভাষা। প্ৰধানকৈ ইংৰাজী, হিন্দী, বাংলা আদি শব্দৰ প্ৰভাৱে অসমীয়া কথিত আৰু লিখিত দুয়োটা ৰূপতে প্ৰভাৱ বিস্তাৰ কৰি অসমীয়া শব্দৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। এটা কথা কোৱা বাহুল্য যে ভাষা পৰিৱৰ্তনশীল। গতিয়েই ভাষা একোটাৰ প্ৰাণ। স্থিতিশীল ভাষাই কেতিয়াও প্ৰাণ পাই উঠিব নোৱাৰে।

সময়ৰ লগত খাপ খাবলৈ যাওঁতে বা উদ্যোগ আৰু বিজ্ঞানৰ ন ন সঁজুলিৰ লগত জীৱন-যাপন কৰোতে সেই বস্তুবোৰ ব্যৱহাৰ কৰোতে দেখা যায় যে বৰ্তমান অসমীয়া ভাষাত তাৰ প্ৰতিশব্দৰ অভাৱৰ বাবেই হওক বা সময়ৰ লগত খোজ মিলাবলৈ যাওঁতে হাতৰ কাষতে পোৱা আন কিছুমান বেলেগ ভাষাৰ শব্দকে আমি গ্ৰহণ কৰো। ইয়াৰ ফলত অসমীয়া ভাষাত হোৱা বিপুল পৰিৱৰ্তনে অদূৰ ভৱিষ্যতে এক গভীৰ সংকট কঢ়িয়াই অনাৰ সন্দেহ নুই কৰিব নোৱাৰি।

অসমীয়া ভাষাৰ স্বকীয়তা ৰক্ষাৰ প্ৰতি ভাবুকি

■ মৃন্ময় কুমাৰ নাথ, কলেজ কৰ্মচাৰী

নিশ্চিতভাৱে বৰ্তমান অসমীয়া ভাষাৰ স্বকীয়তা ৰক্ষাৰ প্ৰতি ভাবুকি পৰিলক্ষিত হয়। কথিত আৰু লিখিত উভয় মাধ্যমতে এই কথাৰ উমান পোৱা যায়। সাম্প্ৰতিক সমাজত এচামে অতি আধুনিকতাৰ পৰিচয় দিবলৈ গৈ ভাষাটোক বিকৃত কৰা বহু সময়ত আমাৰ দৃষ্টিগোচৰ হয়। এই ক্ষেত্ৰত পিতৃ-মাতৃসকলৰ নিজৰ ভাষাটোৰ প্ৰতি অৱজ্ঞাৰ মনোভাব প্ৰকাশ পায়। আই-পিতাই, মা-দেউতা শব্দবোৰ লোপ পাই মামী-পাপা আদি শব্দৰ প্ৰয়োগেই ভাষাটোৰ প্ৰতি অহা অশনি সংকেত কঢ়িয়াই আনিলে। আন কথা বাদেই লিখিত ভাষাৰ ক্ষেত্ৰত ডাক্স পাব্লিকেচনচৰ দ্বাৰা প্ৰকাশিত চিৰিএছচি পাঠ্যক্ৰমত শিশুসকলৰ শিক্ষাৰ ভেটি গঢ়িবলৈ লোৱাৰ বেলিকা যি অসমীয়া বৰ্ণমালা ব্যৱহাৰ কৰিছে সেয়া আমাৰ শিক্ষা জীৱনত নেদেখা ধৰণৰ। কেৱল সেয়ে নহয় পাঠসমূহত শব্দবোৰ ইমানেই ভুল পৰিলক্ষিত হয় যে তেনে কৰ্মকাণ্ডৰ সন্মুখত আমাৰ ভাষাটো কিমান সুৰক্ষিত এবাৰ চিন্তা কৰাৰ প্ৰয়োজন আছে। এই ক্ষেত্ৰত অসমৰ ছাত্ৰ সমাজৰ লগত জড়িত সংগঠনসমূহৰ আৰু জাতীয় সংগঠন

হিচাপে অসম সাহিত্য সভাৰ দৰে অনুষ্ঠানৰ কৰণীয় নিশ্চিতভাৱে আছে।

সাহিত্য চৰ্চাই ভাষা শক্তিশালী কৰিব

■ নমিতা বৰুৱা, সহকাৰী গ্ৰন্থাগাৰিক

সাহিত্যৰ শিপাডাল শক্তিশালী কৰিবলৈ হ'লে উঠি অহা নতুন প্ৰজন্মই সাহিত্যানুৰাগী হোৱাটো বাঞ্ছনীয়। যদি আমি সাহিত্য চৰ্চা আৰু অধ্যয়ন নকৰো ভাষা সংকটৰ ফালে গতি কৰিব। জাতি জীয়াই থাকিবলৈ হ'লে অসমীয়া ভাষা-সাহিত্য আমি সকলোৱে প্ৰাণৰ পৰা ভাল পাব লাগিব। নিজৰ আই মাতৃৰ দৰে শ্ৰদ্ধা কৰিব লাগিব। তেতিয়াহে ভাষা-সংস্কৃতি শক্তিশালী হৈ থাকে। বৰ্তমান ইংৰাজী মাধ্যমৰ প্ৰতি অভিভাৱকসকল আকৰ্ষিত হোৱাটোও ভাষা সংকটৰ অন্য এক প্ৰধান কাৰণ। ইংৰাজীত কথা ক'ব পাৰিলে মাক-দেউতাকে গৌৰৱবোধ কৰে। ইয়ো সংকটৰ কথা।

ভাষাৰ সংকট দূৰ হ'ব বুলি আমি আশাবাদী

■ নগেন শৰ্মা, স্বত্বাধিকাৰ, জ্যোতি প্ৰকাশন

বৰ্তমান সময়ত অসমৰ অতিকৈ চৰ্চিত বিষয়টোৱেই হৈছে অসমীয়া ভাষাৰ সংকট। ভাষাক কেন্দ্ৰ কৰি অতি সম্প্ৰতি বৰাক-ব্ৰহ্মপুত্ৰত যি এক বিভাজনমুখী চিন্তা-চেতনাই গা কৰি উঠিছে, সেয়া নিশ্চয়কৈ অসম তথা অসমীয়া জাতীয় জীৱনৰ বাবে এক গুৰুত্বপূৰ্ণ সংকট। এই বিষয়টোক লৈ চৰকাৰৰ স্থিতিও যে স্পষ্ট নহয় সেই কথা অলপতে চৰকাৰে অসম লোকসেৱা আয়োগৰ চূড়ান্ত পৰীক্ষাৰ বিষয়সূচীৰ পৰা অসমীয়া বিষয়টে বাতিল কৰা কথাই প্ৰমাণ কৰে। এনেবোৰ দিশলৈ লক্ষ্য কৰি আজি অসমীয়া জনগণে অসমীয়া ভাষালৈ সংকট নামি অহা কথাত সন্দিহান হ'ব লগা হৈছে। এনে পৰিস্থিতিত অসমীয়া ৰাইজ সজাগ সচেতন হৈ ভাষাৰ সংকট নিৰাময়ৰ বাবে উপযুক্ত কাৰ্যপন্থা হাতত ল'ব লাগিব। আজিৰ প্ৰজন্মই উচ্চ মানৰ সাহিত্য সৃষ্টিৰ জৰিয়তে ভাষাটোক সৰ্বভাৰতীয় তথা বিশ্বৰ মঞ্চত প্ৰতিষ্ঠা কৰিবলৈ যত্নপৰ হ'ব লাগিব। ৰজাঘৰীয়াৰ ক্ষমতাকেন্দ্ৰিক কাৰ্যকলাপৰ বিপৰীতে আজিৰ নৱপ্ৰজন্মই অসমীয়া ভাষাৰ উন্নতিৰ স্বাৰ্থত অগ্ৰজ পুৰোধাসকলৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ অসমীয়া ভাষাৰ চৰ্চা অব্যাহত ৰাখিলেহে অসমীয়া ভাষাৰ প্ৰতি জাতি-বৰ্ণ নিৰ্বিশেষে সকলো পক্ষৰে দৃষ্টিভংগী যোগাত্মক হ'ব আৰু তেতিয়া আমাৰ ভাষাৰ সংকট দূৰ হ'ব বুলি আমি আশাবাদী।

চৰকাৰী কাৰ্যালয়ত অসমীয়া ভাষাৰ ব্যৱহাৰ নোহোৱাটো দুৰ্ভাগ্যজনক

■ কল্যাণ ৰাভা, চিত্ৰ শিল্পী

ভাৰতীয় সংবিধানৰ অষ্টম অনুচ্ছেদ অনুসৰি চৰকাৰীভাৱে স্বীকৃতিপ্ৰাপ্ত অসমীয়া ভাষা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ এক অন্যতম সংযোগী ভাষা। অথচ বিগত কিছু বছৰৰ পৰা অসমীয়া ভাষাৰ অস্তিত্বৰ প্ৰতি এক সংকট আহি পৰা বুলি সময়ে সময়ে চৰ্চা হৈ আহিছে। অকণমান গভীৰলৈ গৈ চিন্তা কৰিলেই স্পষ্ট হয় যে এই শংকা অমূলক নহয়। এক সমীক্ষা মতে, ইংলিছকে ধৰি কেইটামান ভাষাৰ বাহিৰে পৃথিৱীৰ প্ৰায়বোৰ ভাষাই হেনো অস্তিত্বৰ সংকটত ভুগিছে। ভাষাকেন্দ্ৰিক জাতীয়তাবাদী চিন্তা বা আৱেগৰ অভাৱেই ইয়াৰ প্ৰধান কাৰণ। ১৯৪৬ৰ পৰা ১৯৭২ৰ ভিতৰত অসমত ভাষা আন্দোলন, অসমীয়া মাধ্যম আন্দোলন আদি বিভিন্ন আন্দোলনে গা কৰি উঠিছিল যদিও পৰৱৰ্তী সময়ত অসমীয়াৰ মাজত ভাষাকেন্দ্ৰিক জাতীয়তাবাদী চিন্তাৰ অভাৱ দেখা গ'ল। ইয়াৰ এক প্ৰধান কাৰণ হৈছে, অসমীয়া ভাষা ব্যৱহাৰ কৰা লোকৰ সংখ্যা হ্ৰাস। বিগত তিনিটা দশকত অসমত অসমীয়া ভাষী লোকৰ সংখ্যা হ্ৰাস পোৱাৰ বিপৰীতে বাংলা ভাষী লোকৰ সংখ্যা ব্যাপকভাৱে বৃদ্ধি পোৱা পৰিলক্ষিত হ

বৰভাগৰ কৰিয়াত জ্যেষ্ঠ শিক্ষকক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা
বৰভাগ, ১৮ ডিচেম্বৰ ঃ নলবাৰী জিলাৰ কৰিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক কনৌজ বৈশ্যক আজি বিদ্যালয়ত আয়োজিত এক অনুষ্ঠানত বিদায় সম্বৰ্ধনা জনোৱা হয়। যোৱা ৩২ বছৰ শিক্ষকতা কৰি বৈশ্যই অলপতে শিক্ষকতাৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। বিদ্যালয়খনৰ অধ্যক্ষ ভূপেন্দ্ৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত বিদায় সম্বৰ্ধনা সভাত সদৌ অসম মাধ্যমিক শিক্ষক সন্থাৰ সভাপতি ভুৱনেশ্বৰ নাথ, জ্যেষ্ঠ সাংবাদিক ৰমেন কলিতা, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক অখিল দেৱ শৰ্মা, গিৰিধৰ শৰ্মা, শিক্ষক অমল চন্দ্ৰ দাস, ভবেশ চন্দ্ৰ কলিতা, সাংবাদিক আব্দুল কাদেৰ আদিয়ে ভাষণ দিয়ে।

সুৰজিৎ একাডেমীৰ পুতলা নাচ প্ৰশিক্ষণ

অগ্ৰদূত বাৰ্তা
শুৱালকুছি, ১৮ ডিচেম্বৰ ঃ অসমৰ লোককলাসমূহৰ ওপৰত সুৰজিৎ একাডেমীয়ে বিভিন্ন পদক্ষেপ লৈ নিশ্ছিন্ন হৈ যোৱা পুতলা নাচক প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে অহৰহ চেষ্টা চলাই আহিছে। বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়সমূহত পুতলা নাচৰ সন্দৰ্ভত কৰ্মশালা আৰু পুতলা নাচ পৰিৱেশন কৰি তাৰ লগতে বিজ্ঞান, গণিত আদি বিভিন্ন বিষয়ৰ পাঠ্যক্ৰমৰ অধ্যায়সমূহ পুতলা নাটৰ জৰিয়তে বিদ্যালয়সমূহত প্ৰশিক্ষণ প্ৰদান কৰিছে। ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ সহযোগত সুৰজিৎ একাডেমীয়ে যোৱা ১১ ডিচেম্বৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে এনটিই আৰটি, চিচিআৰটি আৰু এছচিআৰটিৰ সমল ব্যক্তি তথা ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ পৰা ৰাষ্ট্ৰীয় টেগৰ ৰিচাৰ্চ স্কলাৰ প্ৰাপ্ত বিনীতা দেৱীৰ অধীনত আৰু প্ৰশিক্ষণত কামৰূপ জিলা গ্ৰাম্যৰ দাদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়, দলিবাৰী উচ্চ মাধ্যমিক বিদ্যালয় আৰু দদৰা শংকৰদেৱ শিশু নিকেতনত ছাত্ৰ-ছাত্ৰীসকলক পুতলা নাচৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰে।

মুছলমুৰত বন্যহস্তীৰ উপদ্ৰৱ ঃ চাৰিটা

তিনি পৃষ্ঠাৰ পৰা ৰবিন বড়ো আৰু সৰলা বড়োৰ পৰিয়ালৰ বাসগৃহ ভাঙি-ছিঙি লণ্ডভণ্ড কৰে। বন্যহস্তীৰ জাকটোৱে পাকঘৰৰ গেছৰ চুলা, কাঁহী-বাটি কলহ ভঙাৰ লগতে সাঁচি ৰখা চাউল খাই তহিলং কৰে। সুমিত্ৰা ব্ৰহ্মই কয়, 'মই লোকৰ ঘৰত ধান কাটি কাটি বছৰদিন খাবলৈ ২০ মোনমান ধান গোটাইছিলো। যোৱা নিশা হাতীৰ জাকটো আহি ঘৰ ভাঙি সকলো ধান খাই শেষ কৰিলে। মই এতিয়া কি কৰো।' স্থানীয় লোকে জুই জ্বালাই টিং বজাই হাতী খেদিবলৈ চেষ্টা কৰোতে বন্যহস্তীয়ে চাৰিটা পৰিয়ালৰ বাসগৃহত উপদ্ৰৱ চলায়। পৰিয়ালৰ লোকসকলে কথমপি ৰক্ষা পৰে। হাতী অহাৰ খবৰ পোৱাৰ লগে লগে বাটাবাৰী সংৰক্ষিত বনাঞ্চলৰ বন বিষয়াৰ কাৰ্যালয়ৰ দল গৈ হাতী খেদিবলৈ যায় আৰু নিশাই হাতীৰ জাকটো গভীৰ অৰণ্যত সোমাই পৰে। গাঁওবাসীৰ মনত আজি নিশাও পুনৰ হাতীৰ জাকটো আহিব বুলি আশংকা আছে। যোৱা নিশা বৃহৎ অঞ্চলৰ ৰাইজে উজাগৰী নিশা কটাবলগীয়া হৈছে। উল্লেখ্য যে বিগত এমাহ ধৰি বন্যহস্তীয়ে বাগ্‌সাৰ বিভিন্ন প্ৰান্তত বিচৰণ কৰি ৰাইজৰ মাজত আতংক বৃদ্ধি কৰিছে আৰু ঠাই বিশেষে উপদ্ৰৱ চলাই গএগক সৰ্বস্বান্ত কৰিছে। বন বিভাগেও বন্যহস্তীৰ জাকটো খেদি পঠাবলৈ বিভিন্ন পন্থা অৱলম্বন কৰিছে যদিও হাতীৰ জাকটো স্থায়ীভাৱে খেদি পঠাবলৈ সক্ষম হোৱা নাই।

জাগীৰোডত মূল্যবৃদ্ধিৰ বিৰুদ্ধে কংগ্ৰেছৰ

তিনি পৃষ্ঠাৰ পৰা পাতালৈকে যোৱা। অহংকাৰত মত্ত হৈ আবোল-তাবোল বকিছে মন্ত্ৰী পীযুষ হাজৰিকাই। মানুহক যেতিয়া গৰম ভাতৰ ধোঁৱাই খায়, তেতিয়াই মতগৰ্বী হয়।' মূল্যবৃদ্ধিৰ সন্দৰ্ভত সাংসদ বৰদলৈয়ে কয়, 'সাধাৰণ জনতাৰ এতিয়া জীৱন বিপদাপন্ন। জীৱনদায়ী ঔষধৰ পৰা আদি কৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিৰ বাবে এসাঁজ খাবলৈ কঠিন হৈ পৰিছে। যি সময়ত দেশৰ অৰ্থনীতি আৰু অৰ্থনৈতিক ব্যৱস্থা ভাঙি চুৰমাৰ হৈছে সেই সময়ত কেইজনমান পুঁজিপতিক সম্পদশালী কৰাৰ বাবে নগাঁও কাগজ কলৰ দৰে উদ্যোগসমূহ চৰকাৰে বিক্ৰী কৰিছে। উল্লেখ্য যে আজি জাগীৰোড ব্লক কংগ্ৰেছৰ উদ্যোগত উলিওৱা এই প্ৰতিবাদী কাৰ্যসূচীত মৰিগাঁও জিলা কংগ্ৰেছৰ সভাপতি বীৰ কুমাৰ কোঁৱৰ, কংগ্ৰেছ নেতা স্বপন কুমাৰ মণ্ডল, ব্লক কংগ্ৰেছৰ সভাপতি অনন্ত বড়োকে আদি কৰি মৰিগাঁও জিলা কংগ্ৰেছৰ নেতা-কৰ্মীসকলে অংশগ্ৰহণ কৰে।

সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞি

তিনি পৃষ্ঠাৰ পৰা বাৰিক, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰেখা ফুকন প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে অসম গৌৰৱ তথা লখিমপুৰৰ সু-সন্তান প্ৰথম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পদ্মনাথ গোহাঞি বৰুৱাৰ জাতীয় প্ৰেম, সাহিত্য কৃতি আৰু অসমীয়া ভাষাক ভাৰ কৰি কান্ধ পাতি লৈ যোৱাৰ জীৱন আৰু কৰ্মৰাজিৰ সম্পৰ্কত আলোকপাত কৰে। অনুষ্ঠানটোত মুকুট গগৈৰ সম্পাদনাত এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰাৰ লগতে পৰিৱেশ নিকাকৰণ, বৃক্ষৰোপণ সাহিত্য, পদ্মনাথ গোহাঞি বৰুৱাৰ সাহিত্য কৃতিৰ সম্পৰ্কত সাহিত্য ৰচনা, কুইজ, চিত্ৰাংকন প্ৰতিযোগিতাও অনুষ্ঠিত হয়। এটি সমবেত সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটোৰ কবি সন্মিলনত বিভিন্ন জিলাৰ কবি ৰেণুমণি গগৈ, তীৰ্থ দাস, জাকিৰ হুছেইন, ৰোৱাত লঙিং, তৰালি ঘৰফলীয়া প্ৰমুখ্যে কে'বাজনো কবিয়ে স্ব-ৰচিত কবিতা পাঠ কৰে।

চিকিৎসালয়ত চিকিৎসকৰ উত্তপ্ত

তিনি পৃষ্ঠাৰ পৰা বিৰুদ্ধে। ৰোগীৰ পৰা চিকিৎসাৰ নামত অত্যধিক ধন সংগ্ৰহ কৰাৰ বাবেই অব্যাহতি লৈছিল মহিলা চিকিৎসকগৰাকীয়ে। ডাঃ ভৌমিকৰ অভিযোগ চিকিৎসালয়খনত চিকিৎসাৰ নামত চলাই আহিছিল ক'লা ব্যৱসায়। চিকিৎসকগৰাকীয়ে এগৰাকী মহিলা চিকিৎসকৰ মানৱ অধিকাৰ খৰ্ব কৰাৰ অভিযোগ কৰাৰ লগতে চিকিৎসালয় কৰ্তৃপক্ষই তেওঁ চেম্বাৰত সোমাই লুটপাট কৰি প্ৰয়োজনীয় নথিপত্ৰ বিনষ্ট কৰাৰ উপৰি ছয় হেজাৰ টকা লুট কৰাৰ অভিযোগ কৰে। এইবোৰ কথাক লৈ নাৰ্ছিং হোমৰ মালিক ডাঃ সুমিত দাসক প্ৰশ্ন কৰাৰ সময়ত এই উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। পাছত হোজাই আৰক্ষী নাৰ্ছিং হোমখনত উপস্থিত হৈ পৰিৱেশ নিয়ন্ত্ৰণ কৰে। মহিলা চিকিৎসকজনে এই নাৰ্ছিং হোমখনৰ বিপক্ষে বহু ওপৰলৈ যোৱাৰ কথাও ব্যক্ত কৰে। ইফালে, এই মহিলা চিকিৎসকজনৰ বিপক্ষে নাৰ্ছিং হোমখনৰ ডাইৰেক্টৰ ডাঃ সুমিত দাসে তেওঁ আৰু তেওঁৰ পত্নীক শাৰীৰিকভাৱে আক্ৰমণ কৰাৰ অভিযোগ কৰে। এই সন্দৰ্ভত গোচৰ ৰুজু হৈছে।

সংবিধানে চৰকাৰী ভাষা ব্যৱহাৰৰ

তিনি পৃষ্ঠাৰ পৰা কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ সচিব (চৰকাৰী ভাষা) অংশুলী আৰ্যাৰ অধ্যক্ষতাত অনুষ্ঠিত হয় সন্মিলনৰ। ডিব্ৰুগড় আউনীআটী শাখা সত্ৰৰ প্ৰেক্ষাগৃহত কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ অধীনস্থ চৰকাৰী ভাষা বিভাগে আয়োজন কৰা যুটীয়া আঞ্চলিক চৰকাৰী ভাষা সমাৰোহ আৰু বঁটা প্ৰদান অনুষ্ঠানত দেশৰ বিভিন্ন প্ৰান্তৰ কে'বাশতাধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। অংশুলী আৰ্যাই তেওঁৰ ভাষণত কয় যে সংবিধানে আমাক চৰকাৰী ভাষাৰ ক্ষেত্ৰত সাংবিধানিক দায়িত্ব প্ৰদান কৰিছে আৰু এইসমূহৰ পালন নিশ্চিত কৰিবলৈ চৰকাৰী ভাষা বিভাগক দায়িত্ব দিছে। ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে নিজে হিন্দীত বক্তব্য ৰাখে আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে চৰকাৰী কাৰ্য সম্পাদনত হিন্দী ভাষা ব্যৱহাৰ কৰে। তেওঁ লগতে কয় যে বৰ্তমান সময়ত হিন্দী ভাষাক প্ৰযুক্তিৰ স'তে জড়িত কৰা অতি প্ৰয়োজন আৰু চৰকাৰী ভাষা বিভাগে ইয়াৰ বাবে নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। তেওঁ লগতে অৱগত কৰে যে বাৰানসীত সৰ্বভাৰতীয় চৰকাৰী ভাষা সমাৰোহত কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে প্ৰকাশ কৰা ইচ্ছা অনুসৰি মানুহে সাধাৰণতে ব্যৱহাৰ কৰা হিন্দী শব্দ আৰু আঞ্চলিক ভাষাৰ এখন বৃহৎ অভিধান প্ৰণয়ন কৰা হ'ব।

আৰ্যাই লগতে কয় যে সকলো ভাৰতীয় ভাষা আৰু সৰু-ডাঙৰ কথিত ভাষাই আমাৰ সাংস্কৃতিক ঐতিহ্য। আমাৰ ঐতিহ্য সচেতনতাৰে সুৰক্ষিত কৰাতো প্ৰতিগৰাকী ভাৰতীয়ৰ কৰ্তব্য। ভাৰতৰ গৰিমা ৰক্ষাৰ বাবে হিন্দী আৰু ভাৰতীয় ভাষাসমূহৰ সংৰক্ষণ আৰু প্ৰসাৰৰ বাবে ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰা প্ৰয়োজন। তেওঁ লগতে কয় যে আঞ্চলিক চৰকাৰী ভাষা সমাৰোহসমূহে দেশৰ সংস্কৃতি হৃদয়ংগম কৰাত সহায় কৰে। এই অনুষ্ঠানত ভাষণ প্ৰদান কৰি গৃহ বিভাগৰ ৰাজভাষা বিভাগৰ যুটীয়া সচিব (চৰকাৰী ভাষা) ড° মিনাক্ষী জলীয়ে কয়, 'উত্তৰ-পূব ভাৰতৰ এখন প্ৰধান চহৰ ডিব্ৰুগড়ত আজি আঞ্চলিক চৰকাৰী ভাষা সমাৰোহ অনুষ্ঠিত হোৱাৰ বাবে মই সুখী হৈছো।' ভাষণ প্ৰসংগত তেওঁ কয় যে হিন্দী সমগ্ৰ দেশৰে ৰাইজৰ ভাষা আৰু উত্তৰ-পূৰ্বাঞ্চলৰ স্থানীয় বাসিন্দাসকলৰ মাতৃভাষা নহয় যদিও হিন্দী এই অঞ্চলত প্ৰচলিত ভাষা। উত্তৰ-পূবলৈ পৰ্যটন আৰু আন কামত অহা ভাৰতৰ সকলো ঠাইৰ মানুহে স্থানীয় লোকসকলৰ স'তে হিন্দী ভাষাতে আলাপ কৰে। সেয়ে ই সমগ্ৰ ভাৰতক জানিবলৈ আৰু বুজিবলৈ বিচৰা পৰ্যটকৰো ভাষা। ড° মিনাক্ষী জলীয়ে লগতে উত্তৰ-পূব ভাৰতে নিজৰ কথিত ভাষা আৰু ভাষাৰ লগতে হিন্দী ভাষাকো সম্পূৰ্ণ আন্তৰিকতা আৰু সন্মানসহকাৰে আপোন কৰি লৈছে। হিন্দী কেৱল উত্তৰ-পূব ভাৰতৰ সংযোগী ভাষাই নহয়, ই উত্তৰ-পূবৰ হিন্দী প্ৰেমী, লেখক, সাহিত্যিকসকলকো হিন্দী ভাষাত সাহিত্য ৰচনা কৰাৰ বাবে প্ৰেৰণা যোগাই আহিছে। ড° জলীয়ে চৰকাৰী ভাষা হিন্দীৰ ব্যৱহাৰৰ বাবে নিজা উদ্যোগ গ্ৰহণ কৰিবলৈ জ্যেষ্ঠ বিষয়াসকলক অনুৰোধ জনায় আৰু চৰকাৰী ভাষা নীতি অনুসৰি চৰকাৰী কাম-কাজত হিন্দীৰ উপযুক্ত প্ৰয়োগ নিশ্চিত কৰিবৰ বাবে প্ৰয়োজনীয় প্ৰেৰণামূলক সু-পৰিৱেশ গঢ়ি তোলাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈও আহ্বান জনায়।

ইউকো বেংকৰ পৰিচালন সঞ্চালক আৰু মুখ্য কাৰ্যবাহী বিষয়া তথা কলকাতাৰ নগৰ চৰকাৰী ভাষা প্ৰয়োগ সমিতি (বেংক)ৰ অধ্যক্ষ অতুল কুমাৰ গোৱেলে অনুষ্ঠানত ভাষণ প্ৰদান কৰি উত্তৰ-পূবৰ অন্যতম সাংস্কৃতিক চহৰ ডিব্ৰুগড়ত এই সমাৰোহ অনুষ্ঠিত কৰাৰ বাবে চৰকাৰী ভাষা বিভাগৰ শলাগ লয়। তেওঁ লগতে কয় যে উচ্চ পৰ্যায়ৰ বিষয়াবৰ্গই আগ্ৰহেৰে চৰকাৰী ভাষা হিন্দী ব্যৱহাৰ কৰিলে তেওঁলোকৰ সহকাৰী বিষয়া আৰু কৰ্মচাৰীও উৎসাহিত হ'ব। ইউকো বেংকে সাংবিধানিক দায়িত্ব পালনৰ বাবে বিভিন্ন আঁচনিৰ অধীনত চৰকাৰী ভাষা প্ৰসাৰৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। তেওঁ আন চৰকাৰী কাৰ্যসূচীৰ দৰে চৰকাৰী ভাষা প্ৰচাৰৰ বাবেও নিৰৱচ্ছিন্ন প্ৰচেষ্টা অব্যাহত ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে কয় যে ইউকো বেংক কলকাতাই হিন্দী ভাষাৰ লগতে বিভিন্ন আঞ্চলিক ভাষাৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি একাধিক উদগনিমূলক আঁচনি ৰূপায়ণ কৰিছে।

এই উপলক্ষে দিয়া ভাষণত ডিব্ৰুগড় জিলাৰ উপায়ুক্ত বিশ্বজিত পেগুৱে অসমত ব্যৱহৃত অসমীয়া, বড়ো আৰু বাংলা ভাষাৰ স'তে অসমীয়া ভাষাৰ ওচৰ সম্পৰ্ক আছে বুলি মন্তব্য কৰে। দেশৰ পূব আৰু উত্তৰ-পূৰ্বাঞ্চলত হিন্দী সহযোগী ভাষা হিচাবে ব্যৱহাৰ হয় বুলিও তেওঁ লগতে কয়।

বি এল মীনাই তেওঁৰ ভাষণত কয় যে চৰকাৰী ভাষা প্ৰয়োগৰ ক্ষেত্ৰত সন্মুখীন হোৱা সমস্যাসমূহৰ সমাধান কৰা আৰু এই ক্ষেত্ৰত উল্লেখনীয় পদক্ষেপ কৰাসকলক উৎসাহিত কৰা এই আঞ্চলিক সমাৰোহসমূহৰ উদ্দেশ্য। দেশৰ চৰকাৰী ভাষা প্ৰয়োগ নীতি অনুসৰি চৰকাৰী ভাষা প্ৰয়োগ বিভাগে দেশৰ বিভিন্ন স্থানত এনে আঞ্চলিক সমাৰোহসমূহ অনুষ্ঠিত কৰি আহিছে।

চৰকাৰী ভাষা প্ৰয়োগৰ ক্ষেত্ৰত উৎকৃষ্ট কাৰ্য সম্পাদন কৰা কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যালয়, বেংক আৰু প্ৰতিষ্ঠানসমূহে এই অনুষ্ঠানৰ মঞ্চত বিভিন্ন শাখাত বঁটা গ্ৰহণ কৰে। অনুষ্ঠানত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন কাৰ্যালয়ৰ বিষয়াসকলো উপস্থিত আছিল।

সাহিত্যিক-সমাজকৰ্মী-সাংস্কৃতিক সংগঠক নবীন চন্দ্ৰ কেওটৰ বিয়োগ

গুৱাহাটী, ১৮ ডিচেম্বৰ ঃ যোৱা ১৭ ডিচেম্বৰৰ বিয়লি পাঁচ বজাত বাৰ্ধক্যজনিত কাৰণত মালিগাঁৱৰ ৰেলৱে হাস্পতালত নবীন চন্দ্ৰ কেওটে শেষ নিশ্বাস ত্যাগ কৰে। প্ৰাক্তন ৰেলকৰ্মী, অসম সাহিত্য সভাৰ আজীৱন সদস্য, শৰাইঘাট সাহিত্য সমাজৰ প্ৰাক্তন সভাপতি, শ্ৰীমন্ত শংকৰদেৱ গোটানগৰ সত্ৰৰ প্ৰাক্তন সাধাৰণ সম্পাদক, পাণ্ডু বিহু সন্মিলনী, নৱজ্যোতি কলা পৰিষদ আদি নানা অনুষ্ঠানৰ স'তে জড়িত কেওটৰ মৃত্যুত মালিগাঁৱৰ ৰাইজ শোকস্তব্ধ হৈ পৰে। তেওঁৰ নশ্বৰদেহ মালিগাঁও ৰেলৱে হাস্পতালৰ পৰা গোশালাৰ বাসগৃহলৈ অনাৰ পাছত অগণন গুণমুগ্ধই শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। গোটানগৰ সত্ৰলৈ নি সত্ৰৰ ভকতে ঘোষাৰে শেষ শ্ৰদ্ধা জনোৱাৰ পাছতে বিশিষ্ট সাহিত্যিক লীলাধৰ হাজৰিকাই কেওটৰ সামাজিক কাম-কাজৰ খতিয়ান দাঙি ধৰে। ১৯৩৩ত তিতাবৰত জন্মগ্ৰহণ কৰা কেওটে মালিগাঁৱত ৰেলৱেৰ চাকৰিত যোগদান কৰি মালিগাঁৱৰে বাসিন্দা হৈ পৰে। তেওঁ ইতিমধ্যে তিনিখনকৈ গ্ৰন্থ ৰচনা কৰাৰ উপৰি বিভিন্ন কাকত-আলোচনীত প্ৰকাশিত প্ৰবন্ধ, গীত, কবিতা আদিৰে অসমীয়া সাহিত্য জগতলৈ বিশেষ বৰঙণি আগবঢ়াই গৈছে। মৃত্যুৰ সময়ত তেওঁ পত্নী কণমাই কেওট, দুগৰাকী জোঁৱাই, নাতি-নাতিনী, এগৰাকী ভগ্নী, দুজন ভ্ৰাতৃক এৰি যায়। অপূৰণীয় ক্ষতি হ'ল বুলি বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

কয়াকুছি গ্ৰন্থমেলাত ভেশছন, তৰ্ক প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা
কয়াকুছি, ১৮ ডিচেম্বৰ ঃ যোৱা ১৬ ডিচেম্বৰৰ পৰা কয়াকুছিৰ শংকৰ-আজান সমন্বয় ক্ষেত্ৰত আৰম্ভ হোৱা ষষ্ঠ কয়াকুছি গ্ৰন্থ আৰু বাণিজ্য মেলাৰ বাকৰিত আজি পুৱা প্ৰয়াত অতুল চন্দ্ৰ কলিতা সোঁৱৰণী ভেশছন প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত প্ৰথম বনবাহাৰৰ জাহিদুল ইছলাম, দ্বিতীয় স্থান চকিৰভিটাৰ মুন আহমেদ আৰু তৃতীয় স্থান দখল কৰে খাবলাৰভিটাৰ কিয়াম উদ্দিন সিকদাৰে। ভেশছন প্ৰতিযোগিতাৰ বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকে। পশ্চিম বেতবাৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী মাজেদা খাতুন, দক্ষিণ বেতবাৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী নাৰ্জিনা আকতাৰ আৰু ৰহিজ উদ্দিনে। দুপৰীয়া ১২ বজাৰ পৰা বৰপেটা জিলা ভিত্তিক মৰহুম জাবেদ আলী সোঁৱৰণী দশম শ্ৰেণী অনূৰ্ধ্ব তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। তৰ্ক প্ৰতিযোগিতাৰ বিষয়বস্তু আছিল ম'বাইল ফোন বিদ্যাৰ্থীৰ বাবে উপযোগী। প্ৰতিযোগিতাখন উদ্বোধন কৰে বিশিষ্ট সাংবাদিক হৰমোহন বৰ্মনে। সাংবাদিক হৰমোহন বৰ্মনে প্ৰতিযোগিতাখনত সঞ্চালনা কৰে। প্ৰতিযোগিতাত প্ৰথম স্থান দখল কৰে কয়াকুছিৰ ইউনিক একাডেমীৰ মাছুমা হাছানে।

নগাঁৱত কবি সন্মিলনৰ উদ্যোগত চেতনা দিৱস উদ্‌যাপন

কবিতা পাঠৰ অনুষ্ঠানে আমাক সাহিত্য চৰ্চাৰ প্ৰতি অনুপ্ৰেৰণা যোগায়

বিশেষ সংবাদদাতা
নগাঁও, ১৮ ডিচেম্বৰ ঃ নগাঁও জিলা কবি সন্মিলন আৰু পূৰ্বোদয় আঞ্চলিক কবি কাননৰ সহযোগত আজি নগাঁৱত অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ ১৩৬ সংখ্যক ওপজা দিন চেতনা দিৱসৰূপে উদ্‌যাপন কৰা হয়। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত চেতনা দিৱসৰ কাৰ্যসূচী পতাকা উত্তোলনৰে আৰম্ভ কৰে নগাঁও জিলা কবি সন্মিলনৰ সভাপতি গৌৰী বল্লভ গোস্বামীয়ে। বন্তি প্ৰজ্বলন কৰে পূৰ্বোদয় আঞ্চলিক কবি কাননৰ সভানেত্ৰী চিনু কাকতি শইকীয়াই। পুৱা ১০ বজাত অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। নগাঁও চহৰৰ কচলুখোৱা শংকৰী কৃষ্টি বিকাশ কেন্দ্ৰৰ সভা গৃহত এই উপলক্ষে অনুষ্ঠিত কবিতা পাঠৰ অনুষ্ঠান উদ্বোধন কৰি অসম কবি সন্মিলনৰ উপদেষ্টা ৰেণু মহন্তই কয়, 'কবিতা পাঠৰ অনুষ্ঠানে আমাক সদায় সাহিত্য চৰ্চাৰ প্ৰতি প্ৰেৰণা যোগাই আহিছে। কবিসকলে কবিতাৰ জৰিয়তে সমাজলৈ ন-ন বাৰ্তা দি আহিছে। এনেবোৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি মই গৌৰৱ অনুভৱ কৰো।' বিশিষ্ট কবি লক্ষেশ্বৰ শৰ্মাই সঞ্চালনা কৰা কবিতাপাঠৰ অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰি অসম কবি সন্মিলনৰ কাৰ্যকৰী সভাপতি ত্ৰিদিৱ লস্কৰে কয়, 'কবিতা হৈছে সৃষ্টিশীল সাহিত্য। কবিতাত জীৱনৰ, সমাজৰ লগতে প্ৰকৃতিৰ অভিজ্ঞতা বৰ্ণনা কৰা হয়। সেই বাবেই সাহিত্যৰ শক্তিশালী উপাদান হৈছে কবিতা।' লস্কৰে লগতে কয় যে সমাজৰ বাস্তৱ ঘটনা, প্ৰেমৰ কথা, প্ৰকৃতি আদি সকলোবোৰ কবিতাৰ মাজেৰে জনগণৰ মাজলৈ লৈ যাব পাৰি। নৱপ্ৰজন্মক আমি কবিতাৰ বিষয়ে অৱগত কৰিব পাৰিলেহে সমাজলৈ ভাল বাৰ্তা যাব। সাম্প্ৰতিক সময়ত অসমত কাব্য চৰ্চা ব্যাপকভাৱে হৈছে। ই আমাৰ বাবে শুভ লক্ষণ। অনুষ্ঠানতে ৰিজুমনি দেৱীৰ 'মিছেছ শৰ্মাৰ ডায়েৰীৰ পৰা' টুনুৰাণী গগৈ কলিতাৰ 'অসমীয়া সাহিত্যৰ প্ৰবন্ধ, কেশৱ বৰাৰ প্ৰবন্ধ সংকলন 'অসম কেশৰী' নামৰ তিনিখন গ্ৰন্থ উন্মোচন কৰা হয়। অনুষ্ঠানত প্ৰায় ৫০জনৰো অধিক কবিয়ে কবিতা পাঠ কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। সঞ্চালক লক্ষেশ্বৰ শৰ্মাই অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ জীৱন দৰ্শনৰ বিষয়ে উল্লেখ কৰি কয় যে অসমীয়া ভাষা সাহিত্যৰ বিকাশৰ হকে আমি সকলোৱে কাম কৰিব লাগিব। নগাঁও জিলা কবি সন্মিলনৰ সম্পাদিকা নিজৰা শইকীয়াই আঁতধৰা অনুষ্ঠানত অসম কবি সন্মিলনৰ প্ৰধান সম্পাদক নীলকমল বৰা, কবি গুণকান্ত শৰ্মা, কমল চন্দ্ৰ শৰ্মা আদিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানতে পূৰ্বোদয় আঞ্চলিক কবি কাননৰ নতুন কমিটী গঠন কৰা হয়। সেই অনুসৰি বিচিত্ৰ নাৰায়ণ বৰাক সভাপতি আৰু কমল চন্দ্ৰ শৰ্মাক সম্পাদকৰূপে লৈ কাননৰ নতুন কমিটী গঠন কৰা হয়।

লেখাপানীত পথ দুৰ্ঘটনা নিহত দুই

অগ্ৰদূত বাৰ্তা
মাৰ্ঘেৰিটা, ১৮ ডিচেম্বৰ ঃ তিনিচুকীয়া জিলাৰ লেখাপানী থানাৰ অন্তৰ্গত টিৰাপ গেটত পুৱতি নিশা তিনি বজাত সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। দুৰ্ঘটনাটোত কে'বাজনো লোক গুৰুতৰভাৱে আহত হোৱাৰ বিপৰীতে দুজনকৈ লোকৰ থিতাতে মৃত্যু হয়। যাত্ৰীবাহী অট' এখনে ৰখাই থোৱা ট্ৰেলাৰ এখনৰ কাষেদি পাৰ হৈ যাবলৈ লওতেই ট্ৰেলাৰখনৰ পাছফালৰ অংশটোত খুন্দিয়াই পথতে অট'খন বাগৰি পৰে ফলত অট'ত অহা নজনকৈ লোক গুৰুতৰভাৱে আহত হয়।

চৰকাৰে শিক্ষকসকলক গিনিপিগ সজোৱাৰ চেষ্টা কৰিছে

ওদালগুৰি মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ অধিবেশন সম্পন্ন

বিশেষ সংবাদদাতা
ওদালগুৰি, ১৮ ডিচেম্বৰ ঃ 'চৰকাৰে শিক্ষকসকলক গিনিপিগ সজোৱাৰ চেষ্টা কৰিছে। সকলো কামত শিক্ষকক ব্যৱহাৰ কৰি শিক্ষকসকলক পাগল কৰিব বিচাৰিছে। এনেবোৰ পৰিৱেশৰ মাজত কেনেদৰে এগৰাকী শিক্ষকে নিজৰ শ্ৰেণীত মনোনিৱেশ কৰিব পাৰিব? শিক্ষকসকল কৰ্মচাৰীহে, গতিকে শান্তিৰে দায়িত্ব পালন কৰিব দিয়ক। চৰকাৰে কিছু ব্যৱসায়ীৰ স্বাৰ্থত নতুন নতুন নীতি আনি থাকে। চৰকাৰ বৰ্তমান কৰ্প'ৰেট গোষ্ঠীৰ হৈ কাম কৰা যেন লাগিছে।' এই মন্তব্য ওদালগুৰি মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰাক্তন সম্পাদক শিৱনাথ ওজাৰ। ওদালগুৰি মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ ত্ৰয়োদশ দ্বিবাৰ্ষিক অধিবেশনখন আজি এদিনীয়া কাৰ্যসূচীৰে ওদালগুৰি পৌৰসভাৰ সভাকক্ষত সামৰণি পৰে। কাৰ্যসূচী অনুসৰি পুৱা আঠ বজাত পতাকা উত্তোলন কৰে সন্মিলনীৰ সভাপতি গৌতমজ্যোতি তালুকদাৰে। স্মৃতি তৰ্পণ কৰে সম্পাদক নাৰায়ণ ছেত্ৰীয়ে। পুৱা ৮-৩০ বজাত প্ৰতিনিধিৰ সন্মিলন, দিনৰ ১১ বজাত প্ৰতিনিধি সভা আৰু বিষয় বাছনি সভা উদ্বোধন ক

ঘিলাঝাৰী মৌজা-হাউলী মৌজা সাঙুৰি হাউলী উন্নয়ন খণ্ড স্থাপনৰ দাবী

অগ্ৰদূত বাৰ্তা

হাউলী, ১৮ ডিচেম্বৰ ঃ বৃহত্তৰ হাউলী উন্নয়ন পৰিষদ আৰু হাউলী আঞ্চলিক ছাত্ৰ সন্থাৰ যৌথ সংবাদমেল আজি পুৱা ১১ বজাত হাউলীৰ সাহিত্য সভা ভৱনৰ প্ৰাংগণত অনুষ্ঠিত হয়। প্ৰয়াত প্ৰাক্তন মন্ত্ৰী ডাঃ সুৰেন্দ্ৰ নাথ দাসে ১৯৬৪ত হাউলীত ভৱানীপুৰ উন্নয়ন খণ্ডৰ কাৰ্যালয় স্থাপন কৰিছিল। অসম চৰকাৰৰ গ্ৰাম উন্নয়ন বিভাগে উক্ত ভৱানীপুৰ উন্নয়ন খণ্ডটি হাউলীৰ পৰা ভৱানীপুৰ সমষ্টিৰ সৰুপেটালৈ স্থানান্তৰ কৰাৰ যাৰতীয় ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উন্নয়ন পৰিষদৰ সম্পাদক ধৰণীধৰ দাসে সংবাদমেলত অভিযোগ উত্থাপন কৰিছে। লগতে ভৱানীপুৰ উন্নয়নখণ্ডত থকা ঘিলাঝাৰী মৌজাৰ হাজীপাৰা গাঁও পঞ্চায়ত, মৈৰামাৰা গাঁও পঞ্চায়ত, কুমুল্লীপাৰা গাঁও পঞ্চায়ত আৰু বাৰমুৰা গাঁও পঞ্চায়ত চাৰিখন বৰপেটাৰ কেওটকুছি উন্নয়ন খণ্ডলৈ স্থানান্তৰ কৰাৰ চৰকাৰে যি ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ বিৰোধিতা কৰে। দাসে পুনৰ কয় যে হাউলীস্থিত ভৱানীপুৰ উন্নয়ন খণ্ডটো সৰুপেটালৈ স্থানান্তৰ কৰিলে আমাৰ বৃহত্তৰ হাউলীবাসীৰ কোনো আপত্তি নাই, কিন্তু বৃহত্তৰ ঘিলাঝাৰী মৌজা, হাউলী মৌজা আৰু হাউলীৰ গাতে লাগি থকা সৰুক্ষেত্ৰী সমষ্টিৰ কে'বাটাও গাঁও পঞ্চায়ত সংলগ্ন কৰি হাউলী উন্নয়ন খণ্ড নামাকৰণ কৰিবলৈ চৰকাৰলৈ দাবী জনায়। ইফালে, হালাপাকুৰীত থকা উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈয়ে ৰচনা কৰা মনোমতী উপন্যাসস্থলী সংৰক্ষণ কৰি তাক পৰ্যটনস্থলীলৈ ৰূপান্তৰ কৰিবলৈ আজিৰ সংবাদমেলত হাউলী উন্নয়ন পৰিষদৰ সভাপতি নৃপেন্দ্ৰ নাথ পূজাৰীয়ে চৰকাৰলৈ দাবী উত্থাপন কৰে লগতে ২০০৯তে নিৰ্মাণকাৰ্য আৰম্ভ কৰা হাউলী চণ্ডী বৰুৱা মিনি ষ্টেডিয়ামখনৰ কাম সম্প্ৰতি বন্ধ হৈ আছে। এই ষ্টেডিয়ামৰ নিৰ্মাণ কাৰ্য শীঘ্ৰে সম্পূৰ্ণ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষলৈ আহ্বান জনাইছে। ইপিনে, হাউলী নগৰ অঞ্চলৰ পদপথত জধে-মধে ব্যৱসায়িক প্ৰতিষ্ঠান গঢ়ি উঠাত ৰাইজৰ চলাচলৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সৃষ্টি হোৱাৰ লগতে যান-যটৰ সমস্যাৰ সৃষ্টি হৈছে বুলিও পৰিষদৰ সভাপতি পূজাৰীয়ে অভিযোগ কৰে। এই ক্ষেত্ৰত জিলা উপায়ুক্ত তথা হাউলী পৌৰসভাৰ হস্তক্ষেপ দাবী কৰিছে। তদুপৰি হাউলী নগৰ অঞ্চলৰ নলা-নৰ্দমাসমূহ বিজ্ঞানসন্মতভাৱে নিৰ্মাণ কৰি কৃত্ৰিম বানৰ পৰা হাউলীবাসীক ৰক্ষা কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনাইছে। সংবাদমেলত অমৰেন্দ্ৰ পাঠক, তৰুণ নাথ, অভয় বোথৰা, খনীন বায়ন আদি উপস্থিত থাকে।

অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ আয়োজন

অগ্ৰদূত বাৰ্তা

টংলা, ১৮ ডিচেম্বৰ ঃ অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছাৰ কেন্দ্ৰীয় সমিতিৰ ৭৪ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস অহা ২৮ ডিচেম্বৰত ওদালগুৰি জিলাৰ অন্তৰ্গত শৈক্ষিক নগৰী টংলাৰ টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হ'ব। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী অনুসৰি উক্ত দিনা পুৱা আঠ বজাত বাটচ'ৰা উদ্বোধন কৰিব ভেৰগাঁও মহকুমাৰ মহকুমাধিপতি দীপক ভূঞাই, ৮-৩০ বজাত অতিথিশালা উদ্বোধন কৰিব অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি কৈলাশ গোড়ে, ন বজাত সন্থা আৰু ৭৪ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ৭৪খন পতাকা উত্তোলন কৰিব ক্ৰমে কেন্দ্ৰীয় আটছাৰ সভাপতি ধীৰাজ গোৱালা, অভ্যৰ্থনা সমিতি, কেন্দ্ৰীয় সমিতি, জিলা সমিতি, প্ৰাক্তন সভাপতি-সম্পাদক, সমাজসেৱকসকলে। পুৱা ৯-৩০ বজাত ছহিদ তৰ্পণৰ লগতে 'কা' আন্দোলনৰ ছহিদ ঈশ্বৰ নায়কৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব আটছাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক অনন্ত সোণে। আনহাতে, পুৱা ১০ বজাত গছপুলি ৰোপণ কৰিব ক্ৰমে ওদালগুৰি জিলা বন বিষয়া প্ৰবোধ কুমাৰ ব্ৰহ্ম, বিশিষ্ট সমাজসেৱক বলিৰাম ডেকা, দলগাঁও শিক্ষক প্ৰশিক্ষণ বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰবক্তা ৰোমিঅ' খাকলাৰী আৰু মৌগাঁও মিলন হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক শম্ভুৰাম ৰাভাই। ইপিনে, সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব বিশিষ্ট শিল্পী পৱিত্ৰ ৰাভাই। পুৱা ১১-৩০ বজাত অনুষ্ঠিত হ'ব লগা মুকলি সভাত উদ্বোধনী ভাষণ দিব আটছাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক অনন্ত সোণেই, আদৰণীয় ভাষণ দিব অভ্যৰ্থনা সমিতিৰ সভাপতি ড° দিলীপ বৰুৱাই। আটছাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ধীৰাজ গোৱালাৰ সভাপতিত্বত অনুষ্ঠিতব্য মুকলি সভাতে 'চাহ জনজাতি ছাত্ৰ সন্থাৰ ইতিহাস' শীৰ্ষক গ্ৰন্থ উন্মোচন কৰিব অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মা আৰু সাহিত্যিক ময়ূৰ বৰাই।

ডিগবৈ আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাৰ উদ্যোগত টিংৰাইত তিহাৰ উৎসৱ আয়োজন

ডিগবৈ, ১৮ ডিচেম্বৰ ঃ ডিগবৈ টিংৰাইত গোৰ্খা জনগোষ্ঠীৰ জাতীয় উৎসৱ তিহাৰ উৎসৱৰ বিদায় সমাৰোহ গোৰ্খা ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত হ'ব। গোৰ্খা ছাত্ৰ সন্থাৰ টিংৰাই আঞ্চলিক সমিতিয়ে টকৌৱনী ৰাজহুৱা মঞ্চত অহা ২৫ ডিচেম্বৰৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিত কৰিবলৈ লোৱা তিহাৰ উৎসৱত গোৰ্খা জনগোষ্ঠীৰ বিভিন্ন গীত-নৃত্য প্ৰতিযোগিতা, সাংস্কৃতিক সমাৰোহ আৰু আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। উক্ত অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তুলিবলৈ সকলোৰে সহায় সহযোগিতা বিচাৰিছে টিংৰাই আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতি হৰিশ ছেত্ৰী, সম্পাদক মোহন ছেত্ৰীয়ে।

ADVERTISEMENT

In pursuance of Political (B) Department, Dispur Letter No.PLB.60/2020/124 dated 16.12.2020, applications are hereby invited in the Standard Form from intending candidates for filling up of the following temporary post which is lying vacant in the establishment of the Member, Foreigners Tribunal, Chirang in the Pay Band & Grade Pay with other allowances as admissible under the rule as shown below:-

Sl. No.	Name of the Post	No. of Vacancy	Requisite Qualification	Scale of Pay	Reservation
1.	U.D.A	1 (one)	By promotion from amongst the members of LDAs/Bench Assistants who have served for minimum of (7) seven years and from amongst the member of Typist who have served for minimum of 12(twelve) years and have satisfactory service record in Govt. Establishments	Rs.14000/- to 60,500/- &Grade Pay 8000/-	As per existing govt. rules

The application should reach the undersigned during office working hours within 15 days from the date of publication of this advertisement accompanied with all testimonials by post or by submitting in the drop box available at the address:- **O/o the Member, Foreigners Tribunal,Chirang. Kajalgaon (Santipara), Beside D.T.O Office, P.O- Kajalgaon, P.S- Dhaligaon, PIN- 783385, District- Chirang(BTR), Assam.** No application will be entertained after the last date.

Terms & Conditions:

1. Candidates must be Indian Citizen as defined in Articles 5 & 8 of the Consitution of India domiciled in the State of Assam.
2. Candidates serving in Govt. Department should submit their application through proper channel.
3. Candidates must not be less than 18 years or more than 40 years of age as on 01.01.2021. The upper age limit is relaxable as per Govt. O.M No.ABP.6/2016/15 dated 02.09.2020 for OBC/MOBC is 43 years, SC/ST is 45 years and ex-serviceman is as per norms.
4. The application in Standard Form must be accompanied with :
   (a) Self attested copies of Certificates/Mark sheets in support of educational qualification along with Age Proof Certificate, Caste Certificate, Employment Exchange Registration Certificate, Certificate/Diploma in Computer Application etc.
   (b) 2 (two) copies of recent passport size photograph duly signed by the candidate on the reverse side.
5. One self addressed envelope of 11 cm x 5 cm size affixing postal stamp of Rs.5.00 (five) must be enclosed with the application.
6. Date and venue of viva-voice/interview will be informed through process.
7. No TA/DA will be admissible to the candidates for attending the recruitment process.
8. The selected candidate will have to submit an undertaking to the appointing authority that he/she will abide by the New Pension Rule of the Government of Assam.
9. Application received late or without proper supporting documents and unsigned and incomplete will be summarily rejected.
10. The undersigned reserves the right to cancel the advertisement, alter any terms and conditions of the advertisement at any stage without assigning any reason thereof.
11. The post is purely temporary and will continue till the existence of Foreigners Tribunals.
12. Canvassing directly or indirectly in any form will disqualify the candidature of the candidate.

Sd/- Member,
Foreigners Tribunal, Chirang &
Chairman,
Selection Board for Promotion.

Janasanyog/D/11536/21

TENDER FOR REFILLING OF DIFFERENT TYPES OF FIRE EXTINGUISHER WITH RELATED CYLINDER AND ACCESSORIES UNIT,FAAMCH, BARPETA

Sealed tenders in duplicate affixing non-refundable Court fee stamp of Rs.8.25 (Rupees eight & twenty five paisa) only from the **Registered** *firms* are invited for "Tender for refilling of different types of Fire extinguisher with related Cylinder and accessories units at FAAMCH, Barpeta". The list of the items along with detailed terms & conditions may be collected on payment of Rs. 500/- *(Non-Refundable)* only from the office of the Principal-cum-Chief Superintendent FAAMCH, Barpeta during office hours of our website(*http://www.faamcassam.co.in*).

The last date and time of submission of tender is 30th December2021 up to 11.A.M. and the tender will be opened on the same day at 12.30 p.m. in presence of the intending suppliers or their authorized representatives. The tenders are to be submitted to the office of the Principal-cum-Chief Superintendent, Fakhruddin Ali Ahmed Medical College Hospital, Barpeta on all the working days during office hours.

Details of the tender is available at http://www.faamcassam.co.in and documents may be collected from the website. The tender document fees has to be deposited during the submission of documents.

Principal-cum-Chief Superintendent,
Fakhruddin Ali Ahmed Medical College & Hospital,
Barpeta, Assam.

Janasanyog/C/9367/21

ASSAM ADMINISTRATIVE STAFF COLLEGE
JAWAHARNAGAR:KHANAPARA:GUWAHATI – 781 022
PHONE NO.0361-2362372, FAX NO.0361-2362361
An Institute certified under the standards of ISO 9001:2015

No. AASC (IT) 49/2021/3

SHORT NOTICE INVITING QUOTATIONS

Sealed quotation in 2(two) bid system (Technical and Financial bids separately) affixed with non-refundable court fee stamp of **Rs. 8.25/- (Rupees Eight and Twenty five paisa)** only, GST Registration and Trade License are invited from experienced and reputed firms based in Guwahati for providing Laptop to this Directorate on an urgent basis as per specifications given below :

Sl	Item	Specifications	
1.	Laptop Computer	*Processor*	i-7 (10th of 11th Gen)
		Memory(RAM)	16 GB
		Wireless Network Adapter	Wi-Fi 6 (802.11ax)
		Hard Drive	512 SSD
		OS	Windows 10 Pro
		Other Required Softwares	MS Office standard 2016
		Display	14" LED
		Warranty	3 years (comprehensive)
		Bag	Standard

The last date of receipt of quotation is 11:00 AM of 23/12/2021 and the same will be opened on the same day at 11:30 AM. If the last day happens to be a holiday, quotations will be opened on the next working day at the same time.

Director of Training, Assam Administrative Staff College reserves the right to accept or reject any or all quotation without assigning any reason thereof.

Director of Training
Assam Administrative Staff

Janasanyog/C/9309/21

No. DSJE(G)16/2021/114

NOTICE

This is for general information that under Deendayal Disabled Rehabilitation Scheme (DDRS), the Central Government has been providing grant-in-aid to (i) Organizations registered under the Societies Registration Act, 1860 (XXI of 1860), or any relevant Act of the State/Union Territory; or, (ii) A Trust registered under the Indian Trust Act, 1882 or any other similar Act for the time being in force; or, (iii) A Not-for-Profit company registered under Section 8 of the Companies Act, 2013 or any relevant Act for the time being in force for projects relating to rehabilitation of persons with disabilities aimed at enabling them to reach and maintain their optimal, physical, sensory, intellectual, physic- social functional levels. Details schemes of the Department of Empowerment of Persons with Disabilities are available at website www.disabilityaffairs.gov.in as well as E-Anudaan portal i.e. www.grant-msje.gov.in.

Interested Organization / Trust and Company may apply for the scheme through the District Social Welfare officer of the concerned district.

Sd/-
Director,
Social Justice & Empowerment, Assam
Beltola, Guwahati-28

Janasanyog/D/11462/21

No.SR/QT-1/Pt-VII/2017/

NOTICE INVITING QUOTATIONS

Sealed quotations, affixing non refundable court fee stamps of Rs 8.25/- (Rupees eight and twenty-five paisa) only are invited from the intending govt. registered contractors/ firms, etc. for fixing of the rates of the items as per schedule and for the scheme mentioned below. The details of NIQ may be collected from the office of the undersigned during office hours on all working days upto 2.00 p.m. of date 28-12-2021. The quotations will be opened on the same date and hours and the intending quotationers or their authorised agents may remain present at the time of opening of the quotations. If the date of receiving of quotation happens to be a holiday or bandh, the quotations will be received/opened on the next working day at the same place and time.

Name of Scheme:- Annual maintenance for capacity building of officers of WRD & SA training under Soil Research WR Division for 2021-22 at AWRMI, Basistha, Ghy-29 (Flood Drill Phase-II).
Nature of works: In-house training for WRD Officials
Location of Work:- At Assam Water Research and Management Institute, Basistha, Ghy-29
Last date of submission:- 2.00 p.m. of date 28-12-2021

Terms and conditions:-

1. The rate should be quoted including GST and other taxes both in figures and words clearly and legibly against each item.
2. The rate quoted will be inclusive of all charges and demands including delivery of materials at AWRMI Campus. The tax will be deducted as per rates at the time of payment of bills as per existing rule in due course
3. No overwriting / incomplete quotations will be accepted and will be rejected forthwith.
4. The undersigned reserved the right to accept or reject any of the quotation assigning any reason thereof.
5. The quotationers should furnished their names in block letters with full address together with their registration number, PAN number from the Income Tax Deptt., GST Registration certificate from the Sale Tax Deptt., Assam, class and year of registration and work experience details of similar works (if available).
6. The undersigned dose not binds himself to accept the lowest rate.
7. This quotation is meant for fixation of rates and it does not confer any claim to get work order.

Sd/
Executive Engineer
Soil Research Division
Basistha, Ghy-29

Janasanyog/C/9299/21

NOTICE

ADVERTISEMENT FOR ENGINEEERING AND TECHNOLOGICAL MERIT SCHOLARSHIP FOR BOTH FRESH AND RENEWAL FOR THE YEAR 2021-22.

Online applications at **www.dte.assam.gov.in** are invited from the students of Assam who fulfill the following criteria :

1. The applicant should submit their Bank Account details i.e., name of the bank, branch, IFS Code and Account no. in the appropriate space of the application form. (also submit the copy of first page of the bank account along with the application).
2. The income of the beneficiary's parents/guardians shall not exceed Rs. 5.00 Lacs per annum. An income certificate in original from competent authority (Deputy Commissioner/ Addl. Deputy Commissioner/Sub-Divisional Officer/Circle Officer) must be submitted with hardcopy of application to be submitted through the respective Institutions.
3. The minimum qualifying marks for Undergraduate, Post Graduate courses should be 70% in PCM for BE/BTech , 70%in BE/Btech for ME/MTech for General/OBC/MOBC and 60% for SC/ST candidates in the relevant qualifying Examination. For Diploma courses, minimum qualifying marks shall be 65% for General/OBC/MOBC and 55% for SC/ST candidates in the relevant qualifying Examination .
4. The Scholarship and Book Grant will be renewed every year subject to the condition that the student secures at least 60% marks up to the previous semesters and passed all subjects in one attempt.
5. Only a candidate who is a permanent resident of Assam will be eligible for Scholarship and Book Grant. Permanent Resident Certificate to be submitted
6. The applicant should be a bonafide student of any of the Govt. Engineering Colleges or Polytechnics of Assam.
7. The student must not be in receipt of any other Scholarship or any other financial assistance from any other sources except Special Merit Scholarship for Girl Students. An undertaking is to be made by the candidate in the application form.
8. A form of bond (available at web site) must be submitted along with the application form.

(a) For students in Post-graduate degree in Engineering & Technology (all branches) @ Rs.1,000/- p.m. (both outside/inside the state).

(b) For students in Post-graduate degree/diploma courses in Business Management and Administration @ Rs.250/-p.m. (both outside/inside the state).

(c) For students in Degree course in Engineering & Technology (all branches) @ Rs.150/-p.m. for inside the state and @Rs.250/-p.m. outside the state + Rs.475/- Book Grants (one time) for both inside and outside the state.

(d) For students in Diploma Courses @ Rs.150/-p.m. (both outside/inside the state).

To submit the application form the candidate must mention the category of scholarship mentioning the subject and value of schularship for which he/she intends to apply. The application form [hard copy] duly filled in together with the duly self- attested copies of mark-sheet of examination of University/Board Passed and certificate of qualification, conduct and character, age, Permanent Residential certificate as detailed in the application form must reach the office of the undersigned through the head of institution in which the candidate is admitted within the period mentioned below :

Intending candidates must apply on-line at **www.dte.assam.gov.in** in between **23/12/2021 to 22/01/2022** and take print out after on line submission and submit it to the Principal/head of institution along with the necessary copies of certificates/mark-sheet etc.

The Principal/Head of institution are to send the applications after verifying to the office of the Director of Technical Education, Assam, Kahilipara, Guwahati-19 on or before **31/01/2022.**

For award of scholarship for each course of Engineering & Technology, the candidate must be fresh entrants to the course in the current academic session i.e. 2021-22 (for Fresh students only).

The undersigned reserves all rights to accept or reject an application or suspend award of scholarship.

Director of Technical Education,
Assam,Kahilipara, Guwahati-19.

Janasanyog/D/11481/21

কথাশিল্পী ইমৰান শ্বাহক বাসগৃহতে প্ৰদান পদ্মশ্ৰী বঁটা

বিশেষ সংবাদদাতা
শিৱসাগৰ, ১৮ ডিচেম্বৰ ঃ স্বাস্থ্যজনিত কাৰণত দিল্লীত উপস্থিত হৈ পদ্মশ্ৰী বঁটা গ্ৰহণ কৰিব নোৱাৰা প্ৰখ্যাত কথাশিল্পী ইমৰান শ্বাহক তেওঁৰ ধাই আলি বাসগৃহত আজি জিলা উপায়ুক্ত মেঘনিধি দাহালে প্ৰদান কৰে। উল্লেখ্য যে ৰাষ্ট্ৰপতি ভৱনে সন্মানীয় এই পদ্মশ্ৰী বঁটা অসম চৰকাৰলৈ প্ৰেৰণ কৰে। অসম চৰকাৰে জিলা উপায়ুক্তৰ যোগেদি আজি তেওঁৰ বাসগৃহত এই সন্মানীয় বঁটাটি প্ৰদানৰ ব্যৱস্থা কৰে। যোৱা আঠ নৱেম্বৰত নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত প্ৰদান কৰা হয় ২০২০ আৰু ২০২১ৰ ভাৰত প্ৰজাতন্ত্ৰই প্ৰদান কৰা পদ্ম বঁটা। ২০২০ৰ বঁটাসমূহ ক'ভিড পৰিস্থিতিৰ বাবে প্ৰদান কৰা হোৱা নাছিল। সেই বাবে ৰাষ্ট্ৰপতি ভৱনত ভাৰতৰ ৰাষ্ট্ৰপতি ৰামনাথ ক'ৱিন্দে দুয়োটা বৰ্ষৰ বঁটাসমূহ প্ৰাপকসকলক প্ৰদান কৰে। ইমৰান শ্বাহৰ ঘৰত কোনো বিশেষ আনুষ্ঠানিকতা ৰক্ষা নকৰি উপায়ুক্তই প্ৰদান কৰা সন্মান গ্ৰহণ কৰি ভাৰত চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে কথাশিল্পীগৰাকীয়ে। তেওঁ কয় যে তেওঁ কৰা কাম যে চৰকাৰৰ চকুত পৰিছে আৰু তেওঁক এই সন্মান প্ৰদান কৰিছে ইয়াৰ এক সুদূৰ প্ৰসাৰী প্ৰভাৱ নিশ্চয় সমাজত পৰিব। দুয়োটা বৰ্ষৰ বাবে অসমৰ ১৪গৰাকী বিভিন্ন শিতানত পাৰদৰ্শী লোকক বঁটা প্ৰদান কৰা হৈছিল। অৱশ্যে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কথাশিল্পী ইমাৰান শ্বাহে স্বাস্থ্যজনিত কাৰণত এই বঁটা ৰাষ্ট্ৰপতিৰ হাতৰ পৰা গ্ৰহণ কৰিব নোৱাৰিলে। উল্লেখ্য যে অসমৰ পৰা চলিত বৰ্ষত ইমৰান শ্বাহৰ লগতে দুলাল মানকি, ৰমন শৰ্মা, বীৰুবালা ৰাভা, মংগল সিং হাজোৱাৰি, গোপীৰাম বৰগায়ন, বিজয়া চক্ৰৱৰ্তী, য়েছে দৰজে ঠংচি আৰু লখিমী বৰুৱাই পদ্মশ্ৰী সন্মান লাভ কৰাৰ বিপৰীতে অসমৰ প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে লাভ কৰিছিল তৃতীয় সৰ্বোচ্চ অসামৰিক সন্মান পদ্মভূষণ। আনহাতে, ২০২০ৰ বাবে যোগেন্দ্ৰ নাথ ফুকন, ইন্দিৰা পি পি বৰা, লাল বাহাদুৰ ছেত্ৰী, ডাঃ ৰবি কান্নান আৰু ড° কুশল কোঁৱৰ শৰ্মাই পদ্মশ্ৰী সন্মান লাভ কৰিছিল।

ধনৰ সদ্ব্যৱহাৰেৰে নদন-বদন হ'ব বিটিচি

এক পৃষ্ঠাৰ পৰা নতুন গতি লাভ কৰিছে।' নতুন বিটিআৰ প্ৰশাসনে গৌৰৱৰ স'তে এবছৰ অতিক্ৰম কৰিলে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু তেওঁৰ সহযোগীসকলক অভিনন্দন জ্ঞাপন কৰে।

বিটিআৰৰ ইউপিপিএল, বিজেপি আৰু জিএছপি মিত্ৰজোঁটৰ পৰিষদৰ আজি প্ৰথম বৰ্ষপূৰ্তি অনুষ্ঠান দিনজোৰা বৰ্ণিল কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। এই উপলক্ষে আজি কোকৰাঝাৰৰ বডোফা নৌগৰস্থিত বিটিচি সচিবালয়ৰ খেলপথাৰত মিত্ৰজোঁটৰ পৰিষদৰ প্ৰথম বৰ্ষপূৰ্তি অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিটিআৰত শান্তি ঘূৰি অহাটো একাংশই বিচৰা নাছিল আৰু ঐতিহাসিক শান্তি চুক্তিখনৰ অপব্যাখ্যা কৰি আহিছিল। জনাকীৰ্ণ সভাত মুখ্যমন্ত্ৰীয়ে বিটিআৰ চুক্তিৰ সকলো দফা আখৰে আখৰে ৰূপায়ণৰ দিশে আগবাঢ়ি যোৱাৰ লগতে এনডিএফবিৰ সংস্থাপন, গোচৰ নিষ্পত্তি আৰু বড়ো ভাষাক চৰকাৰী সহযোগী ভাষাৰ মান্যতা তথা ৰায়মনা ৰাষ্ট্ৰীয় অভয়াৰণ্যৰ স্বীকৃতি প্ৰদান, অসম মালাৰ অধীনত বিভিন্ন পথ নিৰ্মাণ আৰু গুডউইল আঁচনি আৰু জলজীৱন আঁচনিৰ কাম সফলতাৰে ৰূপায়ণৰে অগ্ৰগতি পোৱা বুলি মন্তব্য কৰে। বিটিআৰৰ সীমা নিৰ্ধাৰণ সমিতিত অসম চৰকাৰে নতুন অধ্যক্ষৰূপে আশিষ ভূটানীক নিযুক্তি দি গাঁও কৰ্তন আৰু অন্তৰ্ভুক্তিকৰণৰ সমস্যা সমাধানৰ বিহিত পদক্ষেপ গ্ৰহণৰো আশ্বাস দিয়ে। বিটিআৰত ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানৰ ঋণ ৰেহাইৰ প্ৰসংগতো মুখ্যমন্ত্ৰীয়ে অহা ২৮-২৯ ডিচেম্বৰত বাগ্‌সা আৰু চিৰাং জিলাত আৰু আগন্তুক বৰ্ষৰ মাৰ্চত কোকৰাঝাৰ আৰু ওদালগুৰি জিলাত ৰেহাইৰ ব্যৱস্থা কৰা হ'ব বুলি ঘোষণা কৰে। ৰাইজৰ উদ্দেশি দিয়া ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই অহা তিনি বছৰত কোকৰাঝাৰ মহাবিদ্যালয়ক বিশ্ববিদ্যালয়লৈ উন্নীত কৰা আৰু আগন্তুক দুটা বছৰত ওদালগুৰিত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ চৌহদ স্থাপন কৰা, ২০২৩ত কোকৰাঝাৰত নিৰ্মীয়মাণ চিকিৎসা মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্তিকৰণৰে পাঠদান আৰম্ভ কৰা আৰু উক্ত বছৰৰ ১৫ আগষ্টত মহাবিদ্যালয়খনত চিকিৎসাৰ বাবে ৰাইজক সুবিধা কৰি দিয়াৰো প্ৰতিশ্ৰুতি আগবঢ়ায়। লগতে মুখ্যমন্ত্ৰীয়ে অহা ২৬ জানুৱাৰীত তামুলপুৰ নতুন জিলা হ'ব আৰু তামুলপুৰ চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণৰ বাবে ১৫ দিনত নিবিদা জাৰি কৰা হ'ব বুলি কয়। বিটিআৰত বসবাস কৰা অন্যান্য জনগোষ্ঠীৰ মাটি কিনা-বেচা আৰু নামজাৰিৰ সমস্যাৰ প্ৰসংগতো অসম চৰকাৰৰ বসুন্ধৰা প'ৰ্টেলৰ আৰ্হিত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য বড়োক এনে পদক্ষেপ গ্ৰহণৰ আহ্বান জনায়। তেওঁ স্বাধীনোত্তৰ ৭৫ বছৰৰ পাছতো অসমে হাত পাতিবলগীয়া হৈছে বুলি উদ্বেগ প্ৰকাশ কৰি অসমক ৰপ্তানি ৰাজ্যৰ দিশে আগবাঢ়ি নিবলৈ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আত্মনিৰ্ভৰশীল ভাৰত গঢ়াৰ দায়িত্ব সমাজখনে লওক বুলি আহ্বান জনায়। এইক্ষেত্ৰত অসমৰ লগতে বিটিআৰকো আত্মনিৰ্ভৰশীলৰূপে গঢ় দিয়াৰ আহ্বান জনায়। বিটিআৰৰ ক্ষমতা কৰ্তন কৰি উপায়ুক্তসকলক দিয়া বুলি সততে উঠা সমালোচনামূলক বিৰ্তক প্ৰসংগতো মুখ্যমন্ত্ৰীয়ে আজি প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয়, 'বিটিআৰৰ উপায়ুক্তসকলক বিটিআৰৰ প্ৰমোদ বড়োৰ অধীনতহে দিয়া হৈছে। যাৰ ফলত বিটিআৰ প্ৰমুখ প্ৰমোদ বড়োৰ ক্ষমতা ৭০ শতাংশৰ পৰা এশ শতাংশ বৃদ্ধিহে হৈছে।' মুখ্যমন্ত্ৰীয়ে বিটিআৰত উন্নয়ন বিচৰা মুখ্য কাৰ্যবাহী সদস্যজনক সহযোগিতা আগবঢ়াবলৈ ৰাইজক আহ্বান জনাই বিটিআৰত আঁচনিৰ টকা সদ্ব্যৱহাৰ কৰিব পাৰিলে বিটিআৰ নদন-বদন হৈ উঠিব বুলি কয়।

ইপিনে, সাংবাদিকৰ আগত মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্যৰ আন কে'বাটাও সমষ্টিৰ উপ-নিৰ্বাচন সন্দৰ্ভত কয়, 'মাজুলীত উপ-নিৰ্বাচন হ'ব, কিন্তু তাৎক্ষণিকভাৱে কোনো সমষ্টিৰ উপ-নিৰ্বাচনৰ মই পক্ষপাতি নহওঁ। উপ-নিৰ্বাচন ক'ত ক'ত হ'ব সেয়া অহা বিধানসভাৰ অধিবেশনতে আভাস পাব।' ৰাজ্যত অহা এটা বছৰত এক লাখ লোকক বিভিন্ন বিভাগত চাকৰি দিয়া হ'ব বুলি দোহাৰি মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বিটিআৰৰ তৃতীয়-চতুৰ্থ বৰ্গৰ চাকৰি বিটিআৰ পৰিষদেহে দিব, তাত অসম চৰকাৰৰ হস্তক্ষেপৰ কথা নাহে। তেওঁ কয়, 'পাৰিলে দ্বিতীয় বৰ্গৰ চাকৰি বিটিআৰে দিয়ক।' ইপিনে, কংগ্ৰেছৰ নতুন প্ৰভাত সন্দৰ্ভতো প্ৰতিক্ৰিয়া ব্যক্ত কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, 'কংগ্ৰেছে এনে শ্ল'গান দি পূৰ্বতে ভাল কাম নকৰাহে প্ৰতিপন্ন কৰিলে আৰু এতিয়া পুৰণি প্ৰভাতৰ ঠাইত নতুন প্ৰভাতৰ শ্ল'গান দিছে।'

আনহাতে, বৰ্ষপূৰ্তিৰ সভাত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য বড়োৱে ভাষণ দি ঐতিহাসিক শান্তি চুক্তিৰ দ্বাৰা বিটিআৰত বসবাস কৰা ৩২ লক্ষ জনতাই এক আশাৰ ৰেঙণি দেখা পোৱা বুলি সদৰী কৰে। তেওঁ বিটিআৰত শাসনৰ গাদী দখলৰ পাছত জনতাৰ মাজত শান্তি আৰু নিৰাপত্তা প্ৰতিষ্ঠা হোৱা বুলি দাবী কৰি বিটিআৰলৈ অহা কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ সকলো পুঁজি যথাযথভাৱে এশ শতাংশ ৰূপায়ণ কৰা হ'ব বুলি আশ্বাস দিয়ে। বড়োৱে লগতে কয়, 'বিটিআৰত চাকৰিৰ নামত পূৰ্বৰ পৰিষদে লাখ লাখ টকাৰ বেহা চলাইছিল, কিন্তু এইখন পৰিষদে চাকৰিৰ নামত ২৫ বা ৫০ পইচাও উৎকোচ নোলোৱাকৈ নিবনুৱাক চাকৰি দিব।' তেওঁ ৰাইজৰ আশীৰ্বাদত এটা বছৰ পূৰ্ণ কৰা বুলি মন্তব্য কৰি ৰাইজৰ স'তে থাকি আগন্তুক দিনত উন্নয়নৰ কাম কৰি যোৱাৰো প্ৰতিশ্ৰুতি প্ৰদান কৰে। আজিৰ সভাত আমন্ত্ৰিত অতিথিৰূপে কেন্দ্ৰীয় চৰকাৰৰ ৰেল আৰু বস্ত্ৰশিল্প দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী দৰ্শনা বিক্ৰম জাৰদশ উপস্থিত থাকি সমগ্ৰ দেশৰ ভিতৰত বিটিআৰত সৰ্বাধিক ৬৫ শতাংশ লোকে হস্ততাঁত বস্ত্ৰশিল্পৰ স'তে জড়িত হৈ অৰ্থনৈতিক বিপ্লৱৰ সূচনা কৰা বুলি প্ৰশংসা কৰে। আনহাতে, অসম চৰকাৰৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই সংক্ষিপ্ত ভাষণত বিটিচিত পূৰ্বৰ চৰকাৰৰ তুলনাত এই পৰিষদে নতুন পৰিৱৰ্তনৰ সূচনা ঘটোৱা বুলি মন্তব্য কৰাৰ লগতে মিত্ৰজোঁটৰ পৰিষদৰ শলাগ লয়।

উল্লেখ্য যে বিটিআৰৰ বৰ্ষপূৰ্তি অনুষ্ঠানত আজি মুখ্যমন্ত্ৰী ড° শৰ্মা আৰু কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী জাৰদশৰ উপস্থিতিত বিটিআৰ পৰিষদে 'বড়োলেণ্ড টেক্সটাইল মিছন আৰু বড়োলেণ্ড দুগ্ধ মিছন' নামৰে দুটা আঁচনি মুকলি কৰে। মিত্ৰজোঁট পৰিষদীয় চৰকাৰখনৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে মুখ্যমন্ত্ৰী ড° শৰ্মাই পোনে পোনে আজি কোকৰাঝাৰ গ্ৰীণ ফিল্ডৰ অস্থায়ী হেলিপেডৰ পৰা কোকৰাঝাৰ চহৰৰ নিলগৰ চান্দামাৰীত উপস্থিত হয় আৰু নতুনকৈ নিৰ্মিত হোৱা ৩৪ কোটি টকা ব্যয়সাপেক্ষ আইটি পাৰ্ক এখন মুকলি কৰে। ইয়াৰ পাছতে মুখ্যমন্ত্ৰীয়ে বডোফা নৌগৰস্থিত বিটিচি সচিবালয়ত উপস্থিত হৈ বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ প্ৰতিকৃতিত পুষ্পাৰ্ঘ্য অৰ্পণ কৰি সচিবালয়ৰ খেলপথাৰত জনাকীৰ্ণ মুকলি সভাত অংশ লয়।

মন কৰিবলগীয়া যে বৰ্ষপূৰ্তি উপলক্ষে ইয়াৰ পূৰ্বে পুৱা বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য বড়োৱে দোতমাস্থিত বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ সমাধিক্ষেত্ৰ আৰু প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ, কোকৰাঝাৰৰ ভাটিপাৰাস্থিত বডোলেণ্ড আন্দোলনৰ প্ৰথম ছহিদ সুজিত নাৰ্জাৰীৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ আৰু দেবৰগাঁওৰ ছহিদ উদ্যানত থকা বড়োলেণ্ড আন্দোলনৰ ছহিদৰ স্মাৰকত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আজিৰ বৰ্ষপূৰ্তি অনুষ্ঠানত মন্ত্ৰী ক্ৰমে অশোক সিংহাল, উৰ্খাও গৌৰা ব্ৰহ্ম, বিধায়ক জিৰন বসুমতাৰী, লবেন্স ইছলাৰী, জয়ন্ত বসুমতাৰী, কাৰ্বিআলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, বড়ো কছাৰী কল্যাণ পৰিষদৰ উপ-মুখ্য কাৰ্যবাহী সদস্য ৰমিত' পি নাৰ্জাৰী আৰু অবড়ো নেতা ব্ৰজেন মহন্তকে আদি কৰি বিটিআৰৰ কাৰ্যবাহী সদস্য, পাৰিষদ, এবছু, বড়ো সাহিত্য সভাৰ নেতৃত্ববৃন্দও উপস্থিত থাকে।

প্ৰতিষেধকৰ দ্বাৰাই ৰোধ হ'ব পাৰে বাৰ্ধক্যৰ

এক পৃষ্ঠাৰ পৰা ইতিমধ্যে সাধন কৰিছে। এইবাৰ জৰাগ্ৰস্ততা ৰোধৰ লগতে প্ৰতিষেধকৰ জৰিয়তে নানা বাৰ্ধক্যজনিত ৰোগকো প্ৰতিৰোধ কৰিবলৈ আগবাঢ়িছে চিকিৎসা বিজ্ঞান।

এদল গৱেষকে এন্দুৰৰ শৰীৰত এবিধ প্ৰতিষেধকৰ সফল পৰীক্ষা কৰিয়ে এই সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিলে। একাংশ বিশেষজ্ঞই এই সন্দৰ্ভত কৈছে, 'মানুহৰ শৰীৰত সফল হ'লে এই প্ৰতিষেধকে নতুন দিগন্তৰ সূচনা কৰিব। যাৰ বাবে মানুহে সভ্যতা আধুনিক হৈ উঠাৰ আগৰে পৰাই চেষ্টা অব্যাহত ৰাখিছিল।' আমেৰিকাৰ 'নেচনেল ইনষ্টিটিউট অব এজিং' (এনআইএ)ৰ বিজ্ঞানীসকলে এন্দুৰৰ শৰীৰত চলোৱা পৰীক্ষাৰ ফলাফল প্ৰকাশ পাইছে আন্তৰ্জাতিক বিজ্ঞান গৱেষণা পত্ৰিকা 'নেচাৰ এজিং'ত। গৱেষণা পত্ৰত উল্লেখ কৰিছে যে পৰীক্ষাত সফল হোৱা প্ৰতিষেধকে এন্দুৰৰ শৰীৰৰ পৰা বৃদ্ধ তথা বিকল হৈ পৰা কোষসমূহক আঁতৰাই পেলাবলৈ সক্ষম হৈছে। তাৰ ফলত পৰীক্ষা কৰা এন্দুৰখিনিৰ আয়ুস বৃদ্ধি পাইছে। লগতে সিহঁতৰ বহু বাৰ্ধক্যজনিত ৰোগো সম্পূৰ্ণৰূপে উপশম হৈছে।

অসমীয়া চলচ্চিত্ৰ উদ্যোগলৈ এটা ভাল খবৰ। কাঠমাণ্ডু বিশ্ব চলচ্চিত্ৰ মহোৎসৱত উজ্জ্বলি উঠিল মাকনপ্ৰিয়া প্ৰডাকচনৰ দ্বাৰা নিৰ্মিত অসমীয়া চলচ্চিত্ৰ 'দিঠকত হেৰাল সপোন' । চলচ্চিত্ৰখনৰ পৰিচালক পংকজ পল্লৱ শৰ্মাই জনোৱা মতে, চলচ্চিত্ৰখনে বিশ্বৰ পাঁচ শতাধিক চলচ্চিত্ৰই যোগদান কৰা মহোৎসৱখনত 'দিঠকত হেৰাল সপোন'-এ শেষৰ চাৰিটা স্থানত উপনীত হৈছে। এই সুখবৰ এক ই-মেইল যোগে মহোৎসৱ সমিতিয়ে জনাইছে বুলি উল্লেখ কৰি সাংবাদিকক জানিবলৈ দিয়ে পৰিচালক পংকজ পল্লৱ শৰ্মাই। মুক্তিৰ পূৰ্বেই এটাৰ পাছত আনটো সন্মান বঁটা পাবলৈ সক্ষম হৈছে মাকনপ্ৰিয়া প্ৰডাকচনৰ বেনাৰত নিৰ্মিত অসমীয়া কথাছবি 'দিঠকত হেৰাল সপোন' অহা ১৭ ডিচেম্বৰত অসমৰ প্ৰায় ১০টা চলচ্চিত্ৰ গৃহত মুক্তিলাভ কৰিব। 'কলাকৰি ইণ্টাৰনেছনেল ফিল্ম ফেষ্টিভেল ২০২১'ত মুখ্য শাখাত নমিনেচন লাভ কৰিছে 'দিঠকত হেৰাল সপোনে'। ইতিমধ্যে কথাছবিখনে টেগুৰ ইণ্টাৰনেছনেল ফিল্ম ফেষ্টিভেলত শ্ৰেষ্ঠত্ব প্ৰমাণ কৰিছে। লগতে লাভ কৰিছে আন কে'বাটাও পুৰস্কাৰ। প্ৰসংগক্ৰমে যোৱা ২৩ এপ্ৰিলত কথাছবিখনে অসমৰ ১০টা ছবিগৃহত মুক্তি পোৱাৰ কথা আছিল; কিন্তু ক'ভিড মহামাৰীৰ সংক্ৰমণৰ বাবে প্ৰদৰ্শন সাময়িকভাৱে বন্ধ ৰখা হৈছে। সম্প্ৰতি ক'ভিডৰ সংক্ৰমণ বহু পৰিমাণে কমি যোৱা বাবে চৰকাৰে চিনেমাগৃহবোৰ খুলিবলৈ দিয়াত ইতিমধ্যে কে'বাখনো অসমীয়া চিনেমাই মুক্তিলাভ কৰিছে। দিঠকত হেৰাল সপোনৰ কাহিনী ৰুদ্ৰকান্ত শৰ্মাৰ। চিত্ৰনাট্য, সংলাপ আৰু পৰিচালনা পংকজ পল্লৱ শৰ্মাৰ। প্ৰযোজনা কৰিছে অজিত বৰ্মনে। পৰিচালক পংকজ পল্লৱ শৰ্মাই লাভ কৰিছে পৰিচালনাৰ ইণ্ডিয়ান গ্ৰ'ৰী এৱাৰ্ড। ছবিখনৰ বিভিন্ন চৰিত্ৰত অভিনয় কৰিছে মুকুল দাস, পংকজ পল্লৱ শৰ্মা, নিলোৎপল শৰ্মা, দিগন্ত কুমাৰ নাথ, দ্বিজেন্দ্ৰ শৰ্মা, প্ৰাণজিৎ শৰ্মা, দিপু কাকতি, ৰুদ্ৰ শৰ্মা, জ্যোতিৰ্ময় কলিতা, ৰাজীৱ কাকতি, ৰিণ্টু কলিতা, ৰিতুমণি, মোহন কলিতা, গোপাল, ৰাকেশ, প্ৰদীপ বৰা, বিদ্যাকান্ত, তীৰ্থৰঞ্জন, পৰেশ চন্দ্ৰ বৰদলৈ, মিৰাজুল ইছলাম, ফাৰুক হুছেইন, মজিবৰ ৰহমান, প্ৰণৱ কুমাৰ দত্ত, প্ৰণৱজ্যোতি কলিতা, ইনামূল ইছলাম, দিপেন শৰ্মা, মদন বৰ্মন, নৃপাল বৰ্মন, ধৰণী বৰ্মন, কুলেন ডেকা, দিলজিৎ বৰ্মন, গংগাধৰ বৰ্মন, ডাঃ প্ৰণৱ কুমাৰ শৰ্মা, নিৰ্মল দাস, হৰিশ তালুকদাৰ, ৰামচৰণ ভৰালী, কন্দৰ্পেশ্বৰ শৰ্মা, যাদৱ কলিতা, উজ্জ্বল ডেকা, সঞ্জীৱ ভাগৱতী, ৰাজেশ মৌৰ, বিপুল তালুকদাৰ, কৌশিক, ভৱেশ ডেকা, মণি বৰা, কবিতা শইকীয়া, দিপালী তামুলী, ৰিমঝিম শইকীয়া, ইভলীনা, ময়ূৰী, জোনালী চক্ৰৱৰ্তী, ভনিতা শৰ্মা, বৰষা, বৰ্ণালী, গীতাঞ্জলি, মিনু ভৰালী, যমুনা ডেকা, দীপা ভট্ট, পঞ্চী বৰা, পল্লবী চহৰীয়া, লভিতা, আইজনী ডেকা, জয়শ্ৰী, লিচা, স্বপ্না ডেকা, স্বপ্না নাথ, পৰিস্মীতা, অনিন্দিতা, অশ্বনজয়া, ছন্দানিকা বৰ্মন, বৰ্ণালী ফুকন, ভায়োলিনা কাশ্যপ, বনশ্ৰী, ধনশ্ৰী, বৃতিষা, আৰিয়ন প্ৰীয়ম, হিমানজ্যোতি, ভৃতু বি কাশ্যপ, অৰ্পিত, প্ৰাচুৰ্য, জ্যোতিৰাদিত্য আৰু মুখ্য চৰিত্ৰত জজীয়া মেধী। ছবিখনৰ সংগীত আৰু গীতৰ কথা অপূৰ্ব বেজবৰুৱা আৰু অজিত বৰ্মনৰ। কণ্ঠশিল্পী অনিমা চৌধুৰী সুকন্যা গোস্বামী, দেবৰ্তনা কাশ্যপ আৰু অজিত বৰ্মন। আৱহ সংগীত অৱনী ৰঞ্জন পাঠকৰ। চিত্ৰগ্ৰহণ কৰিছে লক্ষী নাথ আৰু সদা হালৈয়ে। সহযোগ পংকজ প্ৰকাশৰ। মেক-আপ অঞ্জু কলিতাৰ। ছবিখনক লৈ দৰ্শক খুবেই আগ্ৰহী। ● **জয়ন্ত কুমাৰ শৰ্মা**

মুক্তি পাব কবিতা প্ৰডাকচনৰ দুটা ভিন্নস্বাদৰ নতুন গীত

নৱবৰ্ষক আদৰিৰ চয়নিকাই দুটাকৈ মনপৰশা নতুন গীতেৰে

সামাজিক মাধ্যমৰ যোগে ইতিমধ্যে সংগীত জগতত খলকনি তুলি অহা যুৱ প্ৰজন্মৰ জনপ্ৰিয় কণ্ঠশিল্পী চয়নিকা বৈশ্যই নৱবৰ্ষক দুটাকৈ নতুন মনপৰশা গীতেৰে আদৰাৰ ব্যাপক প্ৰস্তুতি চলাইছে। নৱবৰ্ষতে চয়নিকাৰ কণ্ঠত শুভমুক্তি লাভ কৰিব দুটাকৈ নতুন সুৰীয়া গীতে। ইতিমধ্যে দুটাকৈ গীতৰ কাম যুদ্ধকালীন তৎপৰতাৰে চলি আছে। গীত দুটিৰ সংগীত সংযোজনা কৰিছে নলবাৰীৰ অন্যতম এগৰাকী কণ্ঠশিল্পী তথা সংগীত ব্যৱস্থাপক (Music Arranger) ধ্ৰুৱজ্যোতি বৈশ্যই। উল্লেখ্য যে চলিত বৰ্ষত কবি, গীতিকাৰ দেৱজিত বৰাৰ ৰচনাৰে কবিতা প্ৰডাকচনৰ বেনাৰত প্ৰযোজিত আৰু নিৰ্মিত চয়নিকা বৈশ্যৰ কণ্ঠত মুক্তি লাভ কৰা 'মনে মনে কিয় আহি' আৰু 'গোপনে গোপনে বহু কথা' শীৰ্ষক গীত দুটি অভূতপূৰ্বভাৱে ইউটিউব (YouTube) আৰু সামাজিক মাধ্যমত (Social Media) জনপ্ৰিয় হৈ পৰিছিল। শ্ৰোতাৰ বিপুল দাবীৰ প্ৰতি সঁহাৰি জনাই কবিতা প্ৰডাকচনে এইবাৰ দেৱজিত বৰাৰ কথাৰে আৰু 'অসমীয়া প্ৰতিদিন' কাকতৰ জ্যেষ্ঠ সহকাৰী সম্পাদক, বিশিষ্ট গীতিকাৰ তথা সুৰকাৰ মণি মহন্তই সুৰ কৰা গীত এটি নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰে। মণি মহন্তই সুৰ কৰা 'তোমাৰ মৰম সনা হাঁহিটিয়ে' শীৰ্ষক গীতটি শ্ৰোতাই এক নতুনত্বৰ স্বাদ পাব বুলি ধাৰণা কৰিব পাৰি। আনহাতে অসমৰ অন্যান্য লেখিকাসকলৰ ভিতৰৰে অন্যতম এগৰাকী জনপ্ৰিয় লেখিকা তথা গল্পকাৰ, গীতিকাৰ চুইটশ্ৰী বৰা মহনৰ এটি গীত সুৰ কৰিছে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ স্বীকৃতিপ্ৰাপ্ত কণ্ঠশিল্পী তথা সুৰকাৰ গিৰীন্দ্ৰ হালৈয়ে। গীতটিৰ পৰিকল্পনা দেৱজিত বৰাৰ। 'কিমান কথা গোপনে ৰাখিম' শীৰ্ষক গীতটিক ভাবৰ গভীৰতাই এক নতুন মাত্ৰা প্ৰদান কৰিছে। উল্লেখ্য যে কবিতা প্ৰডাকচনৰ বেনাৰত প্ৰযোজিত, নিৰ্মিত আৰু মুক্তি লাভ কৰিবলগীয়া এই গীত দুটি চয়নিকাৰ আন আন গীতসমূহৰ দৰে এক উন্নত মান অটুট ৰাখিব বুলি কবিতা প্ৰডাকচনৰ স্বত্বাধিকাৰী কবিতা বুঢ়াগোহাঁইয়ে কাকতলৈ দিয়া এক প্ৰেছ বাৰ্তা যোগে জানিবলৈ দিয়াৰ লগতে ইউটিউবত (YouTube) কবিতা প্ৰডাকচন (Kabita Production), ইনষ্টাগ্ৰামত (Instagram) আৰু ফেচবুকত (Facebook) কবিতা প্ৰডাকচন অফিচিয়েল (Kabita Production Offical) , ক্ৰমে লাইক (Like), ছাবচ্ক্ৰাইব (Subscribe) আৰু আগতীয়াকৈ ফ'ল' (Follow) কৰিলে মুক্তি পোৱাৰ দিনা তাৎক্ষণিক ভাবে গীত দুটি উপভোগ কৰিব পাৰিব বুলি জানিবলৈ দিয়ে। চয়নিকা বৈশ্যৰ কণ্ঠৰ এই সুমধুৰ গীত দুটিৰ বাবে সংগীত প্ৰেমী শ্ৰোতাসকলে অধিক আগ্ৰহেৰে বাট চাব লাগিব নৱবৰ্ষলৈ।

খণ্ডতে চুলি খুৰাইছিল ছলমানে

বহু বছৰৰ আগৰ কথা। ইখনৰ পাছত সিখন ছবিত অভিনয় কৰিছিল ছলমান খানে । অধিকাংশ ছবিয়েই বক্স অফিচত সফল। ঠিক তেনে সময়তে আহিল 'তেৰে নাম'ত অভিনয়ৰ প্ৰস্তাৱ। একাংশ ঘনিষ্ঠ লোকে বাৰম্বাৰ সেই প্ৰস্তাৱ অগ্ৰাহ্য কৰিবলৈ ছলমানক পৰামৰ্শ দিছিল। অৱশ্যে বলিউদৰ ভাইজানে কেতিয়ানো আনৰ পৰামৰ্শ শুনিছে? সকলো হকা-বধাক অমান্য কৰি ছলমানে ছবিখনত অভিনয় কৰিছিল। সেই সময়ত ছলমানে আন এখন ছবিতো কাম কৰি আছিল। দুয়োখন ছবিৰ কাম একেলগে কৰি যাব বুলিয়েই তেওঁ ভাবিছিল, কিন্তু বিপাঙত পৰিল 'তেৰে নাম'ত প্ৰযোজকৰ কথাত। সম্প্ৰতি এক অনুষ্ঠানত ছলমানে এই ঘটনা সদৰী কৰিছে।

অনুষ্ঠানত ছলমানে কয়, 'এদিন ছবিৰ প্ৰযোজক তথা মোৰ প্ৰিয় বন্ধু সুনীল মনচান্দে আহি ক'লে যে মই সকলো চুলি খুৰাই দিব লাগিব। তেতিয়াহে হেনো চৰিত্ৰটোৰ স'তে একাত্ম হ'ব পাৰিম। আৰু ভালকৈ অভিনয় কৰিব পাৰিম।' একে সময়তে তেওঁ যিহেতু আন এখন ছবিতো অভিনয় কৰি আছিল, সেয়ে চুলি খুৰাই দিয়াৰ বিষয়টোৱে তেওঁক চিন্তাত পেলাইছিল। অথচ প্ৰযোজক আছিল আকোৰগোজ। অগত্যা বাধ্য হৈয়েই এদিন ছলমানে খণ্ডতে নিজৰ মূৰটো খুৰাই পেলালে। ৰূপান্তৰিত হ'ল বদমেজাজী 'ৰাধে'লৈ। ছলমানে কয়, 'এদিন খণ্ডতে আন একো কথা নাভাবি মই চুলিখিনি খুৰাই পেলালো। ইয়াৰ পাছতে ফোন কৰি সুনীলক ক'লো যে মই অভিনয় কৰিবলৈ ৰাজী। সকলোৱেই মোৰ এই সিদ্ধান্তৰ বিৰোধী আছিল, কিন্তু কোনো এক কাৰণত মই সেই চৰিত্ৰটো কৰিব বিচাৰিছিলো।' ছলমানৰ সিদ্ধান্ত যে ভুল নাছিল, সেয়া প্ৰমাণ কৰিছিল 'তেৰে নাম'ৰ অসাধাৰণ সাফল্যই।

পাৰ্থজ্যোতি বৰাৰ লোককৃষ্টিৰ যাত্ৰা

মহাপুৰুষ শ্ৰীশ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ অপূৰ্ব সৃষ্টি ভাওনা। এই ভাওনাৰ যোগেদি গুৰুজনাই সমাজ ব্যৱস্থাত শান্তি-সম্প্ৰীতি আৰু সমন্বয়ৰ ভেটি গঢ়ি তুলিছিল। মহাপুৰুষজনাৰ আদৰ্শক শিৰোগত কৰি পাৰ্থজ্যোতিয়ে অভিনয়ৰ লক্ষ্যৰূপে ভাওনাৰ নাটসমূহত নাৰী চৰিত্ৰক নিৰ্বাচিত কৰি লৈছে। গোলাঘাট নগৰৰ নাতিদূৰৰ বেঙেনাখোৱা গাঁৱৰ যুৱ অভিনেতা পাৰ্থই শৈশৱৰ সোণোৱালী সময়ৰ পৰা ভাওনাৰ নাটত নাৰী চৰিত্ৰত সাৱলীল অভিনয় কৰি ৰাইজৰ পৰা সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। ইতিমধ্যে প্ৰতিভাসম্পন্ন ভাৰৰীয়াজনে নিজৰ জিলাখনৰ উপৰি অসমৰ ভিন্ন প্ৰান্তৰ নামঘৰ-মঞ্চত অন্ধ মুণিৰ অভিশাপ, হৰিনামৰ মহিমা, বিপ্ৰ দামোদৰ আখ্যান, একলব্যৰ গুৰু দক্ষিণা, মৎস্য অৱতাৰ, চাৰিবেদ উদ্ধাৰ আদি নাটত নাৰী চৰিত্ৰত অভিনয় কৰি দৰ্শকৰ পৰা বিপুল জনপ্ৰিয়তা অৰ্জন কছে । উল্লেখ্য যে বাণিজ্য শাখাৰ স্নাতক পাৰ্থজ্যোতিয়ে পুৰস্কাৰো লাভ কৰিবলৈ সক্ষম হৈছে।

জয়ন্ত হাজৰিকা

দেৱীকাৰ অভিনয়ৰ যাত্ৰা

শৈশৱৰ সোণোৱালী সময়ৰ পৰা উদ্ভাসিত প্ৰতিভাৰে অভিনয়-কবিতা-সংগীত চৰ্চা কৰি সমাজত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে নৱপ্ৰজন্মৰ অভিনেত্ৰী দেৱীকাই। গোলাঘাট জিলাৰ দৈয়াং অঞ্চলৰ তৰানী কল্যাণপুৰ গাঁৱৰ বিশিষ্ট কবি-আদৰ্শ শিক্ষক আদিত্য শইকীয়া আৰু সমাজসেৱী মমী শইকীয়াৰ কন্যা দেৱীকাই ৰাষ্ট্ৰীয় নাট্য বিদ্যালয় দিল্লীৰ আৰ্হিত চাৰিবাৰকৈ অভিনয়ৰ প্ৰশিক্ষণ গ্ৰহণ কৰি অভিনয়ৰ যাত্ৰা অব্যাহত ৰাখিছে। উল্লেখ্য যে ইতিমধ্যে দেৱীকাই গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱন, তিনিচুকীয়াৰ ফি'লবাৰী, ৰাজগড়, ডিব্ৰুগড়ৰ উপৰি জিলাখনৰ ভিন্ন প্ৰান্তৰত সাৱলীল অভিনয় কৰি জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে দেৱীকাই সাৱলীল অভিনয় কৰা নাটককেইখন হ'ল মানুহৰ ৰং, অন্ধ শিক্ষা ভয়ানক, বন্ধু নকলচী, বন জুই বনত জ্বলে, ডাইনী, এই সমাজ কাৰ বাবে, ব'হাগৰ নাচনী, উৰুলি আদি। শিশু অভিনেত্ৰীগৰাকীয়ে গ্ৰন্থ-কবিতা স্বপ্ৰতিভাৰে সৃষ্টি কৰি অহাৰ উপৰি সমাজত এগৰাকী সুবক্তাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈ আহিছে। দেৱীকাৰ এই যাত্ৰা অবৰ্তমানলৈকে অব্যাহত থাকক এয়া আমাৰ কাম্য।

● **জয়ন্ত হাজৰিকা**

৪০ বছৰ আগতেই শিল্পীৰ ঐক্যমঞ্চৰ কথা উনুকিয়াই দিয়া অভিনেতা ৰূপধন পাঠক

১৯৭৮ৰ আগষ্ট মাহ, গোৱালপাৰা জিলাৰ অভয়াপুৰীত জন্মলাভ কৰা পেছাদাৰী-সমবায়ভিত্তিক থিয়েটাৰ নাট্যদল লখিমী থিয়েটাৰৰ তালিম আৰম্ভ হৈছে। তালিম ঘৰৰ আগচোতালত সুকণ্ঠৰ গৰাকী জয়ন্ত হাজৰিকাৰ নিচেই কাষত বহি আছিল গলগলীয়া মাতৰ চফল ডেকা ল'ৰা এজন, বয়স প্ৰায় ২২-২৩ বছৰ, নাম ৰূপধন পাঠক, ঘৰ বৰপেটা জিলাৰ সৰ্থেবাৰী-আমৃখোৱাত।

জয়ন্ত হাজৰিকাই পাঠকক ভাইটি বুলি মাতিয়েই পৰিচয় হৈছিল এক গভীৰ অন্তৰংগ আলাপেৰে। লখিমী থিয়েটাৰলৈ সংগীত পৰিচালক হিচাপে যোৱা জয়ন্ত হাজৰিকাই পাঠকক কৈছিল— 'ভাইটি, তুমি এইবাৰ প্ৰথম থিয়েটাৰলৈ আহিছা, নহয় জানো। এইবাৰ ইয়াতেই থাকা, অহাবাৰলৈ তুমি আৰু থিয়েটাৰত থাকিব নালাগে। মই তোমাক কথা কোৱাৰ সুৰ শিকাম মানে গান শিকাম, তোমাৰ দৰে মাতৰ সাধু ল'ৰা এজনৰ মোৰ প্ৰয়োজন আছে।'

সংগীত পৰিচালক জয়ন্ত হাজৰিকাৰ কথাকেইটাক সুঁৱৰি পাঠকে আজিও হুমুনিয়াহ কাঢ়ে। পাঠকৰ আৰু গান শিকা নহ'ল। হাজৰিকাই এৰি থৈ গ'ল অসমবাসীৰ প্ৰকৃত মাতৰ সুৰৰ গান।

সেই সময়ৰ 'লখিমী থিয়েটাৰ'ৰ নাট পৰিচালক, নাট্যকাৰ ভবেন বৰুৱাই পাঠকক শিকালে শিল্পী কলা-কৌশল, মঞ্চত অভিনয় কৰাৰ অপূৰ্ব কৌশল। যি অভিনয় কৌশলেই পাঠকৰ পেছা আৰু অভিধা হৈ পৰিল গোটেই জীৱন সুঁতিৰ মাজভাগলৈ । মৰমৰ পাত্ৰ হৈছিল বোলছবি অভিনেতা বিজু ফুকনৰ, সহপাঠী কৌতুক অভিনেতা হৰেণ মালাকৰৰ।

আজিও তেওঁ অভিনয়ক ভালপোৱা একনিষ্ঠ, তেওঁক দিয়া চৰিত্ৰত অভিনয় কৰাৰ উপৰি যিকোনো চৰিত্ৰৰে শুদ্ধকৈ সংলাপৰ স'তে অভিনয় কৰিব পৰা সাহস লখিমী, কহিনুৰ, আৰাধনা, ৰংঘৰ, বৰ্ণালী, হেঙুল আৰু ভাগ্যদেৱী আদি থিয়েটাৰৰ মঞ্চই বিৰাজমান।

১৯৮২ত শিল্পী বাৰ্তালোচনী 'ৰূপকাৰ'ৰ এটা সংখ্যাত ডাঃ নয়নজ্যোতি শৰ্মাই লোৱা সাক্ষাৎকাৰত অভিনেতা ৰূপধন পাঠকে কৈছিল— 'অসমৰ ভ্ৰাম্যমাণ মঞ্চ শিল্পই ২৫ বছৰত ভৰি দিবলৈ অগ্ৰসৰ হৈছে। অথচ আজিলৈকে ভ্ৰাম্যমাণ নাট্যদলৰ প্ৰযোজক, শিল্পী আৰু কৰ্মীৰ এখন উমৈহতীয়া মঞ্চ গঠন নহ'ল। গতিকে এতিয়া অসমৰ ভ্ৰাম্যমাণ নাট্যদলৰ প্ৰযোজক, শিল্পী আৰু কৰ্মীবৃন্দই ঐক্যবদ্ধ হৈ এখন মঞ্চ (সংস্থা) গঠন কৰা উচিত। যিখন মঞ্চই শিল্পীৰ ভৱিষ্যৎ নিৰাপত্তা, নাট্যদলৰ আৰ্থিক সমস্যা আদি বিভিন্ন সমস্যাৰাজি চৰকাৰৰ দৃষ্টিগোচৰলৈ আনিব পাৰিব।'

অভিনেতা ৰূপধন পাঠকে উমৈহতীয়া মঞ্চ এখনৰ কল্পনা কৰিয়েই ১৯৮৯ত 'আমৃখোৱা'ত জন্ম দিছিল 'গিৰিৰাজ থিয়েটাৰ' নামৰ নাট্যদলটোৰ। দেশৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দুবছৰ পূৰ্ণ নৌহওঁতেই ১৯৯০ৰ ১১ নৱেম্বৰত অসমত জাৰি কৰা ৰাষ্ট্ৰপতি শাসনৰ ফলতেই হেনো বন্ধ কৰি দিয়া হৈছিল 'গিৰিৰাজ থিয়েটাৰ'। বন্ধ হোৱাত আটাইবোৰ শিল্পীকে মঞ্চৰ আচৰাব সাধ্যানুসাৰে অভিনেতা পাঠকৰ

কৰেন কলিতা

অনুমতিত নিজ নিজ ঘৰলৈ নিব দিয়া হৈছিল। যাতে তেওঁলোকেও সেইখিনি লৈ গৈ ভাল কামত খটুৱাই জীৱন নিৰ্বাহ কৰাৰ পথ ল'ব পাৰে। তেনেই মহানুভৱতাৰ শিল্পীজন তাৰ পাছত দুবছৰ ঘৰতে শিল্প সাধন কৰি থাকি শিল্পীমনে তেওঁক পুনৰ টানি লৈ গ'ল হেঙুল থিয়েটাৰলৈ। সেই সময়ৰ হেঙুল থিয়েটাৰৰ প্ৰযোজক প্ৰশান্ত হাজৰিকাৰ সান্নিধ্যত অভিনেতা পাঠকে অভিনয়ৰ লগতে দৰ্শক তথা আমন্ত্ৰণক

আজিৰে পৰা গুৱাহাটীত পূব মণ্ডল ছাব-জুনিয়ৰ ৰোলবল প্ৰতিযোগিতা

গুৱাহাটী, ১৮ ডিচেম্বৰ ঃ অসম ৰোল বল সন্থাৰ উদ্যোগত কাইলৈৰ পৰা অনুষ্ঠিত হ'ব দুদিনীয়া পূব মণ্ডল ছাব-জুনিয়ৰ ৰাষ্ট্ৰীয় ৰোলবল প্ৰতিযোগিতা। ল'ৰা-ছোৱালীৰ উভয় শাখাৰ উক্ত পূব মণ্ডল ছাব-জুনিয়ৰ ৰাষ্ট্ৰীয় ৰোলবল প্ৰতিযোগিতাত প্ৰায় দুশ খেলুৱৈ-কৰ্মকৰ্তাই অংশ ল'ব। অসম ৰোল বল সন্থাই ইতিমধ্যে অসমৰ ল'ৰা-ছোৱালীৰ দল দুটা ঘোষণা কৰিছে। প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব দিছপুৰ ৰোলাৰ স্কেটিং ৰিঙত। উল্লেখ্য যে অসম ৰোল বল সন্থাই অলপতে গুৱাহাটীত আয়োজন কৰিছিল পাৰবিন আখতাৰ-লাচিত ডেকা সোঁৱৰণী আন্তঃজিলা ৰোলবল প্ৰতিযোগিতাৰ। অসম ৰোল বল সন্থাই জনোৱা অনুসৰি এই প্ৰতিযোগিতাৰ প্ৰদৰ্শন ভিত্তিতে অসম দল ঘোষণা কৰা হৈছে। উল্লেখ্য যে চতুৰ্থ আন্তঃজিলা মিনি আৰু ছাব-জুনিয়ৰ ৰোল বল প্ৰতিযোগিতাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ প্ৰায় দুশ খেলুৱৈয়ে অংশ লৈছিল।

কৰ'নাত আক্ৰান্ত কেৰিবিয়ান দলৰ সদস্য

পাকিস্তান-ৱেষ্টইণ্ডিজৰ এদিনীয়া শৃংখলা বাতিল

কৰাচি, ১৮ ডিচেম্বৰ ঃ বিশ্ব ক্ৰিকেটত পুনৰ কৰ'নাৰ বাধা আহিছে। উল্লেখ্য যে পাকিস্তান ভ্ৰমণলৈ অহা ৱেষ্ট ইণ্ডিজ দলে তিনিখনীয়া টি-20 শৃংখলাটো খেলিলে যদিও দলৰ ছগৰাকীকৈ সদস্য কৰ'নাত আক্ৰান্ত হোৱাত এতিয়া এদিনীয়া শৃংখলা নেখেলাকৈয়ে স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰাৰ সিদ্ধান্ত লৈছে। পাক ক্ৰিকেট ব'ৰ্ডে জনোৱা অনুসৰি অহা বছৰ জুনত এদিনীয়া শৃংখলাটো হোৱাৰ সম্ভাৱনা আছে। উল্লেখ্য যে পাকিস্তানে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাৰ অন্তিমখন মেচতো জয়লাভ কৰি 3–0 ৰ ব্যৱধানৰে শৃংখলা জয় নিশ্চিত কৰিছে। তৃতীয়খন মেচত পাকিস্তানে সাত উইকেটত জয় অৰ্জন কৰে। পোনতে বেটিং কৰা ৱেষ্ট ইণ্ডিজে তিনি উইকেটত সংগ্ৰহ কৰে 207 ৰাণ। দলৰ হৈ প'ৰানে 64, ব্ৰুকছে 49 আৰু কিঙে 43 ৰাণ কৰে। প্ৰত্যুত্তৰত, পাকিস্তানে দুই অপেনাৰ মহম্মদ ৰিজৱান [87] আৰু বাবৰ আজমৰ (79] বেটিঙৰে তিনি উইকেটত 208 ৰাণ কৰি বিজয়লক্ষ্যত উপনীত হয়। উল্লেখ্য যে ইয়াৰপূৰ্বে দ্বিতীয়খন মেচত পাকিস্তানে ন ৰাণত পৰাস্ত কৰিছিল কেৰিবিয়ান বাহিনীক। পোনতে বেটিং কৰা পাকিস্তানে 20 অভাৰত আঠ উইকেট হেৰুৱাই সংগ্ৰহ কৰিছিল 172 ৰাণ। দলৰ হৈ অপেনাৰ মহম্মদ ৰিজৱানে 38, হাইদৰ আলীয়ে 31 আৰু ইফটিকাৰে 32 ৰাণ কৰে। প্ৰত্যুত্তৰত, ৱেষ্ট ইণ্ডিজ 163 ৰাণত অলআউট হয় আৰু পৰাজয় স্বীকাৰ কৰে। ৱেষ্ট ইণ্ডিজৰ হৈ ব্ৰেণ্ডন কিঙে 67, ৰ'মাৰিআ'ই 35 আৰু প'ৰানে 26 ৰাণ কৰে। শৃংখলাৰ প্ৰথমখন মেচত পাকিস্তানে 63 ৰাণত পৰাস্ত কৰিছিল কেৰিবিয়ান বাহিনীক। পোনতে বেটিং কৰা পাকিস্তানে 20 অভাৰত ছয় উইকেট হেৰুৱাই সংগ্ৰহ কৰে 200 ৰাণ। দলৰ হৈ অপেনাৰ মহম্মদ ৰিজৱানে 78, হাইদৰ আলীয়ে 68 আৰু মহম্মদ নাৱাজে 30 ৰাণ কৰে। প্ৰত্যুত্তৰত, ৱেষ্ট ইণ্ডিজ 19 অভাৰত 137 ৰাণত অলআউট হয় আৰু দলে 63 ৰাণত পৰাজয় স্বীকাৰ কৰে। ৱেষ্ট ইণ্ডিজৰ হৈ ছাই হ'পে 31, পাৱেলে 23 আৰু স্মিথে 24 ৰাণ কৰে। পাকিস্তানৰ হৈ মহম্মদ ৱাছিমে চাৰিটা আৰু ছাদাব খানে তিনিটা উইকেট পায়।

আন্তৰ্জাতিক টেবুল টেনিছ খেলুৱৈ ড° নন্দিনী বৰুৱাৰ মৃত্যু

গুৱাহাটী, ১৮ ডিচেম্বৰ ঃ অসমৰ আন্তৰ্জাতিক টেবুল টেনিছ খেলুৱৈ ড° নন্দিনী বৰুৱা শৰ্মাৰ (62) আজি নতুন দিল্লীত এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। উল্লেখ্য যে যোৱা কিছুমাহ ধৰি তেওঁ নতুন দিল্লীতে চিকিৎসাধীন হৈ আছিল। অসমৰ প্ৰথম টেবুল টেনিছ খেলুৱৈ হিচাপে দেশক প্ৰতিনিধিত্ব কৰাৰ গৌৰৱ লাভ কৰিছিল নন্দিনী বৰুৱাই। জাপানত হোৱা এছিয়ান টেবুল টেনিছ প্ৰতিযোগিতাত অংশ লৈছিল পেডলাৰগৰাকীয়ে। আনহাতে, 1970 ত অসমৰ মহিলা দলে ৰাষ্ট্ৰীয় টেবুল টেনিছ প্ৰতিযোগিতাৰ চেম্পিয়ন হৈ যি পদ্মাৱতী ট্ৰফী লাভ কৰিছিল সেই দলৰ সদস্যা আছিল নন্দিনী বৰুৱা। যোৰহাটৰ কে কে বৰুৱা পৰিয়ালত জন্মগ্ৰহণ কৰা নন্দিনী বৰুৱাই খেলৰ লগতে শিক্ষাতো পাৰদৰ্শিতা লাভ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত ডক্টৰেট সন্মানৰে মাষ্টাৰ ডিগ্ৰী লাভ কৰে। পৰৱৰ্তী সময়ত দিছপুৰ মহাবিদ্যালয়ত প্ৰবক্তা হিচাপে যোগদান কৰি উপাধ্যক্ষাৰূপে অৱসৰ গ্ৰহণ কৰে। প্ৰয়াত ড° নন্দিনী বৰুৱা ভাৰতীয় টেবুল টেনিছ ফেডাৰেছনৰ উপ সভাপতিৰ দায়িত্ব লোৱাৰ লগতে অসম টেবুল টেনিছ সন্থাৰো উপ সভাপতি হিচাপে আছিল। আনহাতে, অসম টেবুল টেনিছ সন্থাৰ বিভিন্ন প্ৰশিক্ষণ শিবিৰত অংশ লৈ নতুন খেলুৱৈ উলিওৱাত অন্যতম ভূমিকা লৈছিল। মৃত্যুৰ সময়ত তেওঁ মাতৃ, স্বামী অৱসৰপ্ৰাপ্ত আই এ এছ বিষয়া হেমাংগ কিশোৰ বৰুৱা আৰু পুত্ৰ-কন্যাক সংসাৰত এৰি থৈ গৈছে। অসম টেবুল টেনিছ সন্থাই তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

এছিয়ান চেম্পিয়নশ্বিপত জাপানৰ বিৰুদ্ধে আজি ফাইনেল খেলিব ভাৰতীয় হকী দলে।

অনুশীলন আৰম্ভ কৰিলে ভাৰতে

চেঞ্চুৰিয়ন, ১৮ ডিচেম্বৰ ঃ দক্ষিণ আফ্ৰিকাত তিনিখনীয়া টেষ্ট শৃংখলা খেলাৰ বাবে ইতিমধ্যে গৈ মেগুলাৰ দেশত উপস্থিত হৈছে ভাৰতীয় ক্ৰিকেট দল। আজিৰে পৰা টীম ইণ্ডিয়াৰ সদস্যসকলে অনুশীলন আৰম্ভ কৰে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাত ভাৰতীয় দলে তিনিখন টেষ্টৰ এক শৃংখলা খেলিব। আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলা। উল্লেখ্য যে দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম টেষ্ট 26–30 ডিচেম্বৰত, দ্বিতীয় টেষ্ট তিনিৰ পৰা সাত জানুৱাৰী আৰু তৃতীয় টেষ্ট 11–15 জানুৱাৰীত অনুষ্ঠিত হ'ব। দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত উক্ত তিনিখনীয়া টেষ্ট শৃংখলাত খেলিব লগা ভাৰতীয় দলটো হ'ল ঃ বিৰাট কোহলি, লোকেছ ৰাহুল, মায়ংক আগৰৱাল, চেতেশ্বৰ পূজাৰা, অজিংক্য ৰাহানে, শ্ৰেয়াছ আয়াৰ, হনুমা বিহাৰী, প্ৰিয়াংক পাঞ্চল, ঋষভ পণ্ট, ঋদ্ধিমান সাহা, ৰবিচন্দ্ৰন অশ্বিন, জয়ন্ত যাদব, ঈশান্ত শৰ্মা, মহম্মদ ছামি, উমেশ যাদব, যশপ্ৰীত বুমৰাহ, ছাৰ্দুল ঠাকুৰ আৰু মহম্মদ চিৰাজ।

আৰ জি বৰুৱা ক্ৰিকেট

মৰিগাঁৱক হৰুৱাই ছেমিত বৰপেটা

গুৱাহাটী, ১৮ ডিচেম্বৰ ঃ চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ এলিট গ্ৰুপৰ আজি বৰ্যাপাৰা ষ্টেডিয়ামত হোৱা মেচত বৰপেটা জিলা দলে 124 ৰাণত মৰিগাঁৱক জিলা দলক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। পোনতে বেটিং কৰি বৰপেটা জিলা দলে 210–10 ৰাণ কৰাৰ প্ৰত্যুত্তৰত, মৰিগাঁও জিলা দলে 89–9 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। ইফালে, বৰ্যাপাৰা ষ্টেডিয়ামতে আজি হোৱা অন্য এখন মেচত যোৰহাট জিলা দলে 6 ৰাণত পৰাস্ত কৰে শিলচৰ জিলা দলক। পোনতে বেটিং কৰি যোৰহাট জিলা দলে 134–10 ৰাণ কৰে। প্ৰত্যুত্তৰত শিলচৰ জিলাই 128–9 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ সূচী অনুসৰি এলিট আৰু প্লেট দুটা ভাগত 41 টা দলক ভাগ কৰা হৈছিল। কাইলৈ ছেমিফাইনেলত বৰপেটাই খেলিব গুৱাহাটীৰ বিৰুদ্ধে।

অসম হেণ্ডবল সন্থাৰ ৰেফাৰী পৰীক্ষা সম্পন্ন

গুৱাহাটী, ১৮ ডিচেম্বৰ ঃ অসম হেণ্ডবল সন্থাই গুৱাহাটী হেণ্ডবল সন্থাৰ উদ্যোগত আয়োজন কৰা দুদিনীয়া ৰেফাৰী পৰীক্ষাৰ আজি সামৰণি পৰিছে। উদয়ন কৃষ্টি সংঘৰ খেলপথাৰত হোৱা এই দুদিনীয়া ৰেফাৰী পৰীক্ষাত ৰাজ্যৰ শতাধীক যুৱক-যুৱতীয়ে অংশ লৈছিল। আজিৰ সমাৰণি অনুষ্ঠানত অংশ ৰেফাৰী পৰীক্ষাত লোৱা যুৱক-যুৱতীক ট্ৰেক ছ্যুট বিতৰণ কৰে অসম হেণ্ডবল সন্থাৰ সভাপতি অমল নাৰায়ণ পাটোৱাৰীয়ে।

দক্ষিণ আফ্ৰিকাত টেষ্ট দলৰ সহ অধিনায়ক পদত ৰাহুল

চেঞ্চুৰিয়ন, ১৮ ডিচেম্বৰ ঃ দক্ষিণ আফ্ৰিকাত ভাৰতীয় ক্ৰিকেট দলে খেলিব লগা তিনিখনীয়া টেষ্ট শৃংখলা খেলাৰ বাবে ইতিমধ্যে দল ঘোষণা কৰা হৈছিল যদিও সহঃঅধিনায়ক কোন হ'ব সেয়া নিৰ্ণয় হোৱা নাছিল। উল্লেখ্য যে টীম ইণ্ডিয়াৰ এদিনীয়া আৰু টি-20 ৰ অধিনায়ক ৰোহিত শৰ্মাক এইবাৰ টেষ্ট দলৰ সহঃঅধিনায়কৰ দায়িত্ব দিয়া হৈছিল পূৰ্বৰ অজিংক্য ৰাহানেৰ স্থানত। কিন্তু এতিয়া ৰোহিতে দক্ষিণ আফ্ৰিকাত হ'বলগা টেষ্ট শৃংখলাত অংশ ল'ব নোৱাৰিব। মুম্বাইত অনুশীলন কৰি থকাৰ সময়তে আঘাত পাই ৰোহিতে। তেওঁৰ স্থানত নিৰ্বাচকে অন্তৰ্ভুক্ত কৰিছে প্ৰিয়াংক পাঞ্চলক। আনহাতে, টেষ্ট দলৰ সহঃঅধিনায়কৰ দায়িত্ব দিয়া হৈছে লোকেছ ৰাহুলক। উল্লেখ্য যে ইয়াৰপূৰ্বে আঘাতৰ বাবে বিৰাট কোহলিৰ নেতৃত্বত ঘোষিত দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰিব লগা ভাৰতীয় টেষ্ট দলটোত স্থান পোৱা নাছিল ৰবীন্দ্ৰ জাডেজা, শুভমন গিল আৰু অক্ষৰ পেটেলে। তিনিখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম টেষ্ট 26–30 ডিচেম্বৰত, দ্বিতীয় টেষ্ট তিনিৰ পৰা সাত জানুৱাৰী আৰু তৃতীয় টেষ্ট 11–15 জানুৱাৰীত অনুষ্ঠিত হ'ব। আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলা।

প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপত ত্ৰিনয়ন গোষ্ঠীৰ জয় অৰ্জন

অগ্ৰদূত বাৰ্তা

বেৰেজীয়া, ১৮ ডিচেম্বৰ ঃ ঃ অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি নগাঁৱৰ নৰুল আমিন ষ্টেডিয়ামত হোৱা মেচত ত্ৰিনয় গোষ্ঠীয়ে তিনি উইকেটত পৰাস্ত কৰে শ্বাইন'ছ প্লেয়াৰ্ছক। পোনতে বেটিং কৰি শ্বাইন'ছ প্লেয়াৰ্ছে 139–10 ৰাণ কৰে। প্ৰত্যুত্তৰত, ত্ৰিনয় গোষ্ঠীয়ে সাত উইকেটত 140 ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাখন তিনিটা স্তৰত অনুষ্ঠিত হ'ব। প্ৰথম ৰাউণ্ডৰ মেচ অনুষ্ঠিত হ'ব জিলা, ছাব ডিভিজন, বিশ্ব বিদ্যালয় পৰ্যায়ত। এই স্তৰত স্থানীয় ক্লাবে নিজৰ নিজৰ এলেকাত হোৱা মেচত অংশ ল'ব। 31 ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব প্ৰাৰম্ভিক ৰাউণ্ডৰ মেচ। উল্লেখ্য যে অসম ক্ৰিকেট সন্থাৰ স্বীকৃত মুঠ জিলা গোট হ'ল 41 টা। সেয়ে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ পাৰম্ভিক ৰাউণ্ডৰ মেচ ৰাজ্যৰ 41 টা স্থানত অনুষ্ঠিত হ'ব। প্ৰতিটো স্থানতে জিলাৰ পঞ্জিয়ন থকা গড় 10 টা ক্লাবে প্ৰথম ৰাউণ্ডৰ মেচ খেলিব। আনহাতে, এই চাৰিশ ক্লাবৰ হৈ প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ খেলিব এ চি এৰ পঞ্জিয়ন থকা প্ৰায় ছয় হেজাৰ ক্ৰিকেটাৰে।

আজি সামৰণি পৰিব সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতা

গুৱাহাটী, ১৮ ডিচেম্বৰ ঃ গুৱাহাটীৰ উত্তৰ-পূব টেনিছ ফাউণ্ডেছনত চলি থকা 31 সংখ্যক সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাৰ ফাইনেলিষ্ট নিৰ্ধাৰণ হৈছে। সেই অনুসৰি ল'ৰা-ছোৱালীৰ 10 বছৰ অনূৰ্ধ শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে নিব্ৰাছ হুছেইন আৰু নৱন বৰা। তেওঁলোকে পৰাস্ত কৰে ৰিক কুমাৰ আৰু এহছানদ্বীপ বড়োক। ইফালে, ল'ৰাৰ 12 বছৰ অনূৰ্ধ শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে মহাৰ্ণাব বৰুৱা আৰু পাৰ্থিৰ কলিতা। ছোৱালীৰ 14 বছৰ অনূৰ্ধ শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে আদ্ৰিকা ৰাজকুমাৰী আৰু বিষ্ণুপ্ৰিয়া বৰগোঁহাই। ল'ৰাৰ 18 বছৰ অনূৰ্ধ শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে অন্তৰীশ তামুলী আৰু বসন্ত পি বৰা। ছোৱালীৰ 18 বছৰ অনূৰ্ধ শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে নম্ৰতা দাস আৰু তানিয়া কুমাৰী। আনহাতে, পুৰুষ শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে কৃতান্ত শৰ্মা আৰু টুটু থাপা। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জনোৱা অনুসৰি কাইলৈ সকলো শাখাৰ ফাইনেল অনুষ্ঠিত হ'ব। উল্লেখ্য যে অসম টেনিছ সন্থাই ইতিমধ্যে নতুন ছিজনৰ বিভিন্ন প্ৰতিযোগিতাৰ দিন আৰু স্থান নিশ্চিত কৰি সূচী ঘোষণা কৰিছে। অহা 25 আৰু 26 ডিচেম্বৰত নৰ্থ ইষ্ট টেনিছ ফাউণ্ডেছনৰ ক'ৰ্টতে অনুষ্ঠিত হ'ব প্ৰসন্ন কুমাৰ শৰ্মা সোঁৱৰণি সদৌ অসম প্ৰবীন ডাবলছ শাখাৰ টেনিছ প্ৰতিযোগিতা। পুৰুষ আৰু মহিলাৰ উক্ত ৰাজ্যিক প্ৰবীন ডাবলছ শাখাৰ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ বয়স শাখা তিনিটা হ'ল 35, 45 আৰু 55 বছৰ উৰ্ধ্বৰ তথা মহিলাৰ একমাত্ৰ শাখাতো হ'ল 55 বছৰ উৰ্ধ্বৰ।

আজি ছেমিত ডিব্ৰুগড়ৰ বিৰুদ্ধে ধেমাজি

গুৱাহাটী, ১৮ ডিচেম্বৰ ঃ ডিব্ৰুগড় জিলা দলে চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। আজি আমিনগাঁও খেলপথাৰত আজি হোৱা মেচত ডিব্ৰুগড় জিলা দলে 90 ৰাণত পৰাস্ত কৰে তেজপুৰ জিলা দলক। পোনতে বেটিং কৰি ডিব্ৰুগড় জিলা দলে 149–10 ৰাণত ইনিংছ সামৰে। প্ৰত্যুত্তৰত, তেজপুৰ জিলা দলে মাত্ৰ 59–10 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। কাইলৈ ছেমিফাইনেলত ডিব্ৰুগড়ে খেলিব ধেমাজিৰ বিৰুদ্ধে। ইতিমধ্যে গুৱাহাটী আৰু ধেমাজিয়ে চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। ইফালে, আজি নেহৰু ষ্টেডিয়ামত হোৱা মেচত গোলাঘাট জিলা দলে 100 ৰাণৰ ব্যৱধানত পৰাস্ত কৰে বঙাইগাঁও জিলা দলক। পোনতে বেটিং কৰি গোলাঘাট জিলা দলে 195–5 ৰাণ কৰে। প্ৰত্যুত্তৰত, বঙাইগাঁও জিলা দলে 96–10 ৰাণ কৰি ইনিংছ সামৰে আৰু পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ সামৰণি পৰিব অহা 21 ডিচেম্বৰত। এই প্ৰতিযোগিতাৰ পাছতে অসম ক্ৰিকেট সন্থাই বিজয় মাৰ্চেণ্ট ট্ৰফীৰ বাবে অসম দলটো নিৰ্বাচন কৰিব।

দিবা-নৈশ টেষ্টত ইংলণ্ডৰ বিৰুদ্ধে প্ৰথম ইনিংছত অগ্ৰগতি অষ্ট্ৰেলিয়াৰ

এডেলেইড, ১৮ ডিচেম্বৰ ঃ চলিত এছেজ শৃংখলাৰ দ্বিতীয়খন টেষ্টত ইংলণ্ডৰ বিৰুদ্ধে প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছে অষ্ট্ৰেলিয়াই। উল্লেখ্য যে এডেলেইডত হোৱা দিবা-নৈশ টেষ্টখনত পোনতে বেটিং কৰি অষ্ট্ৰেলিয়াই 473–9 ৰাণত প্ৰথম ইনিংছ ঘোষণা কৰিছিল। প্ৰত্যুত্তৰত কালি দ্বিতীয়দিনাৰৰ খেলৰ অন্তত ইংলণ্ডে প্ৰথম ইনিংছ আৰম্ভ কৰি দুই উইকেটত 17 ৰাণ কৰাৰ পাছত আজি 236 ৰাণত অলআউট হয়। ইংলণ্ডৰ হৈ মালানে 80 ৰাণ আৰু জ' ৰুটে 62 ৰাণ কৰে। অষ্ট্ৰেলিয়াৰ হৈ মিচেল ষ্টাৰ্কে চাৰিটা আৰু লিয়নে তিনিটা উইকেট পায়। ইফালে, আজি তৃতীয় দিনাৰ খেলৰ অন্তত অষ্ট্ৰেলিয়াই দ্বিতীয় ইনিংছ আৰম্ভ কৰি এক উইকেটত 45 ৰাণ কৰিছে। অষ্ট্ৰেলিয়াই সামগ্ৰিকভাৱে 282 ৰাণত আগবাঢ়ি আছে। উল্লেখ্য যে দিবা-নৈশ টেষ্টখনত পোনতে বেটিং কৰি অষ্ট্ৰেলিয়াই প্ৰথম দিনা প্ৰথম ইনিংছত দুই উইকেটত 221 ৰাণ কৰি দৃঢ় আৰম্ভণি কৰিছিল। অষ্ট্ৰেলিয়াই অপেনাৰ হেৰিছৰ (3] উইকেটতো ইনিংছৰ আৰম্ভণিতে হেৰুৱাই যদিও আনজন অপেনাৰ ডেভিদ বাৰ্ণাৰে (95] অনবদ্য ইনিংছ খেলি দলৰ ইনিংছ আগুৱাই নিয়ে। বাৰ্ণাৰ শতকৰ পৰা বঞ্চিত হয় যদিও তেওঁক যোগ্য সহযোগ কৰা লাবুচেঙে 103 ৰাণৰ শতকীয় ইনিংছ খেলে। তদুপৰি স্মিথে 93 তথা এলেক্স কেৰীয়ে 51 ৰাণ কৰে। উল্লেখ্য যে অষ্ট্ৰেলিয়াই এছেজ শৃংখলাৰ প্ৰথমখন টেষ্টত ন উইকেটত জয়লাভ কৰি শৃংখলাত 1–0 ৰ অগ্ৰগতি লৈছে। দলৰ আত্মবিশ্বাস তুংগত থকাৰ বিপৰীতে চাপত আছে ইংলণ্ড। উল্লেখ্য যে প্ৰথম টেষ্টতো উভয় ইনিংছতে বেটিং বিপৰ্যয়ৰ সন্মুখীন হৈছিল ইংলণ্ড।

বৰপেটাৰ পৰা চেম্পিয়ন ক্লাব

গুৱাহাটী, ১৮ ডিচেম্বৰ ঃ ঃ অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ বৰপেটাৰ পৰা চেম্পিয়ন হৈছে ক্লাব ত্ৰিৰংগা। আজি হোৱা মেচত দলে 234 ৰাণৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে ক্লাব ৰাইনোক। পোনতে বেটিং কৰি ক্লাব ত্ৰিৰংগাই তিনি উইকেটত 293 ৰাণ কৰে। প্ৰত্যুত্তৰত, ক্লাব ৰাইনো দলে 59–10 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ চেম্পিয়ন দলে লাভ কৰিব 10 লাখ টকা। ৰানাৰ্ছআপ দলে পাঁচ লাখ টকা। ছেমিফাইনেলত পৰাস্ত হোৱা দল দুটাই দুই লাখকৈ। মাগুলিক স্তৰৰ চেম্পিয়ন দলে ডেৰ লাখ তথা ৰানাৰ্ছআপ দলে এক লাখ টকা পাব। আনহাতে, জিলাৰ চেম্পিয়ন দলে লাভ কৰিব এক লাখ। উল্লেখ্য যে প্ৰথম ৰাউণ্ডৰ পাছত দ্বিতীয় স্তৰত হ'ব মাগুলিক ৰাউণ্ডৰ মেচ। এইবাৰ দুটা স্থানত কৰা হ'ব মাগুলিক ৰাউণ্ডৰ মেচ। এ চি এৰ মুঠ মণ্ডলৰ সংখ্যা কিন্তু ছটা। উল্লেখ্য যে প্ৰথম স্তৰত যিসলক চেণ্টাৰত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল হ'ব প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাগুলিক ৰাউণ্ডৰ মেচলৈ। অহাবৰ্ষৰ 28 জানুৱাৰীৰ পৰা 15 ফেব্ৰুৱাৰীলৈ হ'ব ছটা মণ্ডলৰ খেলসমূহ। আনহাতে, এই ছটা মণ্ডলৰ পৰা শীৰ্ষ দুটাকৈ দল অৰ্থাৎ 12 দলে খেলিব ফাইনেল ৰাউণ্ডৰ মেচ। ফাইনেল ৰাউণ্ড আৰম্ভ হ'ব 10 মাৰ্চৰ পৰা 10 এপ্ৰিললৈ।

দেওবৰীয়া দৈনিক
অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023
গুৱাহাটী, ১৯ ডিচেম্বৰ, ২০২১ দেওবাৰ পৃষ্ঠা ১৬

বৰপেটাৰোডত সন্ধানহীন কিশোৰীৰ মৃতদেহ লৈ ৰাইজৰ থানা ঘেৰাও

অগ্ৰদূত বাৰ্তা
বৰপেটাৰোড, ১৮ ডিচেম্বৰ ঃ বৰপেটাৰোড চহৰৰ মানসপুৰ নিবাসী নেপাল সাহাৰ কন্যা ইছিকা সাহা (১৭)ৰ হত্যাকাণ্ডক কেন্দ্ৰ কৰি আজি স্থানীয় ৰাইজে বৰপেটাৰোড থানা ঘেৰাও কৰে। উল্লেখ্য যে বৰপেটাৰোডৰ আদৰ্শ একাডেমীৰ একাদশ শ্ৰেণীৰ ছাত্ৰী ইছিকা সাহা ১৫ ডিচেম্বৰ সন্ধিয়াৰ পৰা নিৰুদ্দেশ হৈ আছিল। উক্ত ঘটনাৰ পাছতে পৰিয়ালৰ লোকে নিশা ১২ বজাতে বৰপেটাৰোড আৰক্ষী থানাত ইছিকাৰ নিৰুদ্দেশ সম্পৰ্কীয় এক এজাহাৰ দাখিল কৰে। এই ঘটনাক লৈ পৰিয়ালটোৰে উদ্বিগ্নতাৰ মাজেৰে সময় পাৰ কৰাৰ সময়তে কালি ইছিকাৰ সন্ধান পোৱা যায়। হাউলী আৰক্ষী থানাৰ অন্তৰ্গত জয়পুৰৰ নুনমাটি গাঁৱত বেঁকী নদীত ওপঙি থকা এটা মৃতদেহ ইছিকাৰ বুলি পৰিয়ালৰ লোকে নিশ্চিত কৰে। হাউলী আৰক্ষী থানাৰ অন্তৰ্গত অঞ্চলত যিহেতু মৃতদেহটো উদ্ধাৰ হৈছে সেয়ে হাউলী আৰক্ষীয়ে এই ঘটনাৰ তদন্ত আৰম্ভ কৰাৰ লগতে মৃতদেহটো চমজি লয়। আজি আৰক্ষীয়ে মৃতদেহটোৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰি পৰিয়ালৰ লোকক মৃতদেহটো চমজাই দিয়ে। কিন্তু এই মৃতদেহ বৰপেটাৰোডত পৰাৰ লগে লগে স্থানীয় হেজাৰ হেজাৰ লোক প্ৰতিবাদমুখৰ হৈ পৰে। বিশেষকৈ আৰক্ষী প্ৰশাসনৰ ব্যৰ্থতাৰ বাবে এগৰাকী নিৰীহ কিশোৰীয়ে অকালতে মৃত্যুক আঁকোৱালি ল'ব লগা হোৱা বুলি ৰাইজে অভিযোগ কৰে।

ইয়াৰ পাছতে এইসকল প্ৰতিবাদকাৰী সকলে আজি বিয়লি ৪.৪৫ বজাত ইছিকাৰ মৃতদেহটো এখন গাড়ীত তুলি লৈ বৰপেটাৰোড চহৰত প্ৰতিবাদী সমদল উলিওৱাৰ লগতে থানা ঘেৰাও কৰে। কে'বা হেজাৰ লোকে নাৰীৰ সুৰক্ষা নিশ্চিত কৰক, ইছিকাৰ হত্যাকাৰীৰ শাস্তি হওক আদি বিভিন্ন শ্লো'গানেৰে প্ৰতিবাদমুখৰ হৈ পৰে। প্ৰতিবাদকাৰী লোকসকলে আধাঘণ্টাৰ অধিক সময় ধৰি প্ৰতিবাদ সাব্যস্ত কৰে। অৱশ্যে বৰপেটা জিলাৰ আৰক্ষী অধীক্ষক প্ৰদীপ শইকীয়াই আৰক্ষী প্ৰশাসনে অচিৰেই এই হত্যাৰ তদন্ত কৰি যদিহে এয়া হত্যাকাণ্ড তেন্তে অপৰাধীক কৰায়ত্ত কৰিব বুলি আশ্বাস দিয়াৰ পাছতহে প্ৰতিবাদী ৰাইজে থানা ঘেৰাও কাৰ্যসূচী প্ৰত্যাহাৰ কৰে।

উত্তৰ শালমাৰাৰ নৈপৰীয়া অঞ্চলত দূৰ দিগন্তলৈ হালধীয়া-সেউজীয়াৰ সমাহাৰ

অগ্ৰদূত বাৰ্তা
অভয়াপুৰী, ১৮ ডিচেম্বৰ ঃ এতিয়া ৰবি শস্যৰ বতৰ। কৃষকসকল সদাব্যস্ত কৃষি কাৰ্যত। আন আন অঞ্চলৰ দৰে নামনি অসমৰ নৈপৰীয়া অঞ্চলকে ধৰি প্ৰায়ভাগ অঞ্চলতো কৃষকসকল পুৱাৰ পৰাই ব্যস্ত হৈ পৰিছে পথাৰত। অৱশ্যে এতিয়া পথাৰত দেখিবলৈ পোৱা নাযায় নাঙল-যুঁৱলি। ইয়াৰ পৰিৱৰ্তে ট্ৰেক্টৰ, পাৱাৰ টিলাৰ, পানী উত্তোলনৰ পাম্পছেট মেচিনৰ ধপ্‌ধপ্ শব্দই দোভাগ নিশালৈ ৰজনজনাই থাকে পথাৰসমূহ।

বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ আই, মানাহ, চম্পা, ব্ৰহ্মপুত্ৰ নৈৰ বিধৌত অঞ্চল বিশেষে কোকিলা, কীৰ্তনপাৰা, কাছাৰীপেটী, আমবাৰী, ডুমেৰগুৰী, লেংটিছিঙা, সন্তোষপুৰ, বৰজানা, মেৰেৰচৰ, বৰঘোলা, কুশবাৰী, মালেগড়, কাবাইটাৰী, ঔডুবি, পাচনীয়া, কচুদোলা, যোগীঘোপা আদি অঞ্চলৰ পথাৰসমূহৰ মাজে মাজে শাক-পাচলিৰ খেতিৰ উপৰি হেজাৰ হেজাৰ হেক্টৰ কৃষিভূমিত কেৱল সৰিয়হ, মাকৈ, মাটি মাহৰ খেতি। সেয়ে দূৰ-দূৰণিলৈ চকুৰে মনিব নোৱাৰালৈকে কেৱল হালধীয়া আৰু সেউজীয়া। সৰিয়হ ফুলৰ হালধীয়া আৰু মাকৈ, মাটি মাহৰ খেতিৰ সেউজীয়াত আনন্দত আত্মহাৰা কৃষক ৰাইজ। সৰিয়হ ফুলৰ হালধীয়াত বিভোৰ হৈ ইতিমধ্যে বহু কবিৰ কাপত নিগৰি ওলাইছে 'ফুলা সৰিয়হ ডৰা'কে ধৰি বহু কবিতা। উল্লেখ্য যে উত্তৰ শালমাৰা মহকুমাত সৰিয়হ খেতিৰ দৰে মাকৈ, মাটিমাহ খেতিৰে লাভান্বিত হৈছে কৃষকসকল। ইয়াতে উৎপাদিত সৰিয়হ, মাটি মাহ, মাকৈ হেজাৰ হেজাৰ মেট্ৰিকটন বহিঃৰাজ্যলৈ সৰবৰাহ কৰা হয়। ইয়াৰে উৎপাদিত ফচলৰ ওপৰত নিৰ্ভৰ কৰিয়েই বহু উদ্যোগ গঢ়ি উঠিছে বহিঃৰাজ্যত। আনকি নামনি অসমৰ মাকৈৰ ওপৰতে কে'বাখনো ৰাজ্যত গৰু, হাঁহ, কুকুৰাৰ দানা, বিয়েৰ উদ্যোগ গঢ়ি উঠিছে।

তামুলপুৰত পথ দুৰ্ঘটনা নিহত এক ঃ প্ৰাণৰক্ষা ৪৫ ছাত্ৰ-ছাত্ৰীৰ

অগ্ৰদূত বাৰ্তা
তামুলপুৰ, ১৮ ডিচেম্বৰ ঃ তামুলপুৰ মহকুমা নাগ্ৰীজুলি আৰক্ষী চকীৰ সমীপৰ কলেজ চ'কত আজি পুৱা এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। এই দুৰ্ঘটনাত থিতাতে নিহত হয় এজন চাইকেল আৰোহী। অৱশ্যে কথমপি প্ৰাণ ৰক্ষা পৰে ৪৫ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু চাৰিগৰাকী শিক্ষকৰ। তামুলপুৰ মহকুমা আৰক্ষী বিষয়া ৰূপজ্যোতি কলিতাই সদৰী কৰা মতে, বৰপেটা জিলাৰ বালিকুৰি আঞ্চলিক হাইস্কুলৰ পৰা ভূটান সীমান্তৰ বগামাটিলৈ শিক্ষামূলক ভ্ৰমণৰ বাবে এএছ-১৫এচি-১০৪০ নম্বৰৰ এখন অলট্ৰা বাছেৰে শিক্ষানুষ্ঠানখনৰ চাৰিগৰাকী শিক্ষকৰ লগতে ৪৫গৰাকী ছাত্ৰ-ছাত্ৰী কঢ়িয়াই লৈ আহিছিল। বাছখন তামুলপুৰ-ওদালগুৰি পথেৰে বগমাটিলৈ গৈ থকা অৱস্থাত নাগ্ৰীজুলি কলেজ চ'ক পোৱাত বাছখনে এগৰাকী চাইকেল আৰোহীক খুন্দিয়ায় মহটিয়াই নিয়ে। ফলত ঘটনস্থলীতে প্ৰাণ বায়ু উৰি যায় চাইকেল আৰোহীজনৰ। অৱশ্যে কথমপি প্ৰাণৰক্ষা পৰে বাছখনৰ ভিতৰত থকা ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ। দুৰ্ঘটনাটোৰ পাছতে বনভোজলৈ অহা ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট আতংকিত হৈ পৰে যদিও দুৰ্ঘটনাটো সংঘটিত হোৱাৰ পাছতেই বাছখনৰ চালকজন ঘটনাস্থলীৰ পৰা পলায়ন কৰে। ইপিনে, ঘটনা সংঘটিত হোৱাৰ খবৰ লাভ কৰাৰ লগে লগে তামুলপুৰ মহকুমা আৰক্ষী বিষয়া ৰূপজ্যোতি কলিতাৰ লগতে আৰক্ষীৰ লোক ঘটনাস্থলীত উপস্থিত হয় আৰু ঘটনাৰ বুজ লয়। পাছত মৃতদেহটো আৰক্ষীয়ে তামুলপুৰ আৰক্ষী থানালৈ আনে। বাতৰি যুগুতোৱে পৰৱৈক মৃতদেহটো চিনাক্ত হোৱা নাই যদিও নাগ্ৰীজুলি অঞ্চলৰ বুলিয়ে সন্দেহ কৰিছে একাংশ লোকে।

জনবসতি অঞ্চলত হাতীৰ উপদ্ৰৱ, পশুধনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
তামাৰহাট, ১৮ ডিচেম্বৰ ঃ ধুবুৰী জিলাৰ তামাৰহাটত পুৱাৰ ভাগত হুলস্থূল পৰিৱেশৰ সৃষ্টি হয়। গাঁৱৰ চৌদিশে হাতে হাতে লাঠি, জোং লৈ দৌৰিছে ৰাইজ। হঠাৎ এটা হাতী জনবসতি গাঁৱত প্ৰৱেশ কৰাৰ পাছত ৰাইজৰ মাজত আৰম্ভ এই আতংক। ধুবুৰী জিলাৰ তামাৰহাটত বান্দৰৰ পাছত এইবাৰ হাতীৰ মুক্ত বিচৰণ। বংগৰ পৰা অহা প্ৰকাণ্ড এটা হাতী গংগাধৰ নদী সাঁতুৰি তামাৰহাট অঞ্চলৰ উজান পেটলা গাঁৱত প্ৰৱেশ কৰি আৰম্ভ কৰে সন্ত্ৰাস। চৰ অতিক্ৰম কৰি জনবসতি অঞ্চলত প্ৰৱেশ কৰাৰ পাছত গাঁওখনত আতংকৰ সৃষ্টি হয়। তমাৰহাট অঞ্চলৰ নিকটৱৰ্তী উজান পেটেলা গাঁৱৰ যুৱক তথা কুমাৰগঞ্জ আঞ্চলিক আক্ৰাছুৰ সম্পাদক কনক ৰায়ে হাতীক দেখা পাই আগুৱাই গৈ ফটো ল'বলৈ চেষ্টা কৰোতে যুৱকজনক আক্ৰমণ কৰাত তেওঁ আহত হয়। বঞ্চিত ৰাইজে ৰায়ক ততাতৈয়াকৈ স্থানীয় তামাৰহাট প্ৰাথমিক চিকিৎসালয়ত নিয়ে যদিও অৱস্থা জটিল হোৱাত উন্নত চিকিৎসাৰ বাবে ধুবুৰীলৈ নিয়ে। পাছত চিকিৎসকে তেওঁক গুৱাহাটীলৈ প্ৰেৰণ কৰে। ইপিনে, উক্ত হাতীটোৱে একেখন গাঁৱৰ এটা গৰু আৰু দুটা ছাগলীক নিধন কৰে। পাছত হাতীটো উজান পেটেলা গাঁৱৰ পৰা বিটিচিৰ পৰ্বতঝোৰা বনাঞ্চলত প্ৰৱেশ কৰে।

লক্ষীপুৰত বিদ্যুৎস্পৃষ্ট হৈ বন্যহস্তীৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
লক্ষীপুৰ, ১৮ ডিচেম্বৰ ঃ যোৱা-নিশা বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু হয় এটা দঁতাল হাতীৰ। হৃদয়বিদাৰক ঘটনাটো সংঘটিত হৈছে গোৱালপাৰাৰ লক্ষীপুৰ বন বিভাগৰ অধীনৰ গুৱালগুলি গাঁৱত। লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ অধীনৰ সংৰক্ষিত বনাঞ্চলত বিগত তিনি বছৰ ধৰি আশ্ৰয় লৈ আছে ৪৫টা হাতী থকা এটা জাক। খাদ্যৰ সন্ধানত ক্ষুধাৰ্ত বন্যহস্তীৰ জাকটো যোৱা নিশা বনাঞ্চলৰ সম্পূৰ্ণভাৱে গাতে লাগি থকা গুৱালগুলি গাঁওখনত প্ৰৱেশ কৰে। ইপিনে, বন্যহস্তীৰ গতিবিধি নিৰীক্ষণৰ উদ্দেশ্যে এজন গৃহস্থই উক্ত স্থানত আগতীয়াকৈ এটা বিদ্যুৎ সংযোগী হেল'জিন লাইট জ্বলোৱাৰ ব্যৱস্থা কৰিছিল। আনহাতে, নিশা দুৰ্ভাগ্যবশতঃ বন্যহস্তীটো বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু হৈছে বুলি সন্দেহ কৰিছে একাংশ ৰাইজে। পাছত, বন বিষয়া মৃত হাতীটোৰ কাষতে হেল'জিন লাইট আৰু বিদ্যুৎ সংযোগী তাঁৰৰ টুকুৰা পৰি থকা দেখা পাই বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু ঘটা বুলি সন্দেহ প্ৰকাশ কৰে। শেষত বন বিভাগে মৃত দঁতাল হাতীটোৰ পশু চিকিৎসকৰ দ্বাৰা মৰণোত্তৰ পৰীক্ষা সম্পৰ্কীয় কাৰ্য সম্পন্ন কৰি কিছু নিলগত পুতি থয়।

সুতখোৰৰ বিৰুদ্ধে গোচৰ তৰিবলৈ ভুক্তভোগীক আহ্বান আৰক্ষী অধীক্ষৰ

বিশেষ সংবাদদাতা
নগাঁও, ১৮ ডিচেম্বৰ ঃ যোৱা ১৫ ডিচেম্বৰত নগাঁও আৰক্ষীয়ে চহৰখনৰ হয়বৰগাঁও এ টি ৰোডৰ ব্যৱসায়ী ৰাম অৱতাৰ মণিহাৰৰ এজাহাৰ মৰ্মে পঞ্জীয়ন হোৱা এক গোচৰত নগাঁও চহৰৰ কুখ্যাত সুতখোৰ ইমৰাণ হুছেইন ওৰফে ইৰাণক গ্ৰেপ্তাৰ কৰাৰ পাছত পোহৰলৈ আহিছে ইৰাণৰ দৰে আন বহু সুতখোৰৰ তথ্য। পোহৰলৈ আহিছে সুতৰ ধন পৰিশোধ কৰিব নোৱাৰি নিজৰ ঘৰ-বাৰী হেৰুৱাই আত্মহত্যা কৰা বহু দুৰ্ভগীয়া লোকৰ কাহিনীও। সুতখোৰক ঋণৰ ধন পৰিশোধ কৰিব নোৱাৰি চফল ডেকায়ো আত্মহননৰ পথ বাচি ল'বলগীয়া হোৱাৰো তথ্য উন্মোচিত হৈছে। মুঠতে নগাঁৱত ইৰাণ, কমল, জেকী, চম্পক আৰু ৰূপজ্যোতিৰ দৰে শতাধিক সুতখোৰৰ বাবেই ধ্বংস হ'ল বহু পৰিয়াল। আৰ্থিক দীনতাত ভোগা লোকক ঋণ প্ৰদানৰ নামত অধিক হাৰত সুত আদায় কৰি বহু পৰিয়ালৰ নিঃশেষ কৰা ইৰাণৰ দৰে বহু মাফিয়াৰ কলংকিত অধ্যায় পোহৰলৈ আনিবলৈ সক্ষম হৈছে নগাঁও আৰক্ষী। নগাঁৱৰ পৰ্যটন নিগমৰ কৰ্মচাৰী ৰাজেন মহন্তই বিগত ২২ মাৰ্চত তেওঁৰ একমাত্ৰ পুত্ৰ বিজিত মহন্তই সুতখোৰৰ পৰা লোৱা ঋণ পৰিশোধ কৰিব নোৱাৰি আত্মহননৰ পথ বাচি ল'বলগীয়া হ'ল বুলি আজি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। মহন্তই অভিযোগ কৰা অনুসৰি, নগাঁৱৰ সুতখোৰ কমল ছেত্ৰীৰ পৰা মাত্ৰ এক লাখ টকা সুতত লৈ তেওঁৰ পুত্ৰই পৰিশোধ কৰিবলগা হৈছিল ৩৮ লাখ টকা। বিনিময়ত হেৰুৱাইছিল নিজৰ ঘৰ-মাটি। তাৰ পাছতো কমল ছেত্ৰী, ৰূপজ্যোতি কাশ্যপ, চম্পক শইকীয়া আৰু জেকী শৰ্মা নামৰ কেইটামান সুদখোৰৰ নিৰ্যাতন সহিব নোৱাৰি যোৱা ২২ মাৰ্চত আত্মহত্যা কৰিবলৈ বাধ্য হৈছিল তেওঁৰ পুত্ৰ বিজিত মহন্তই। মৃত্যুৰ পূৰ্বে বিজিতে তেওঁৰ আত্মহত্যাৰ কাৰণ সন্দৰ্ভত সকলো স্বীকাৰোক্তি সন্নিৱিষ্ট কৰি লিখি থৈ গৈছিল আত্মহত্যাৰ টোকা। উল্লেখ্য যে এই সংক্ৰান্তত নগাঁৱৰ ইটাচালিত পৰিয়ালটোৱে উল্লিখিত লোককেইজনৰ বিৰুদ্ধে গোচৰ তৰিছিল যদিও কোনো সুফল পোৱা নাছিল। এতিয়া এইকেইজন অভিযুক্তৰ বিৰুদ্ধে নগাঁৱৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰই কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া হ'ব লক্ষ্যণীয়। ইপিনে, আজি নগাঁও জিলাৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰই কয়, 'কেৱল ইৰাণেই নহয়, নগাঁৱত আৰু বহু সুতখোৰ আছে। এই সুতখোৰৰ বাবে সৰ্বস্বান্ত হোৱা ৰাইজ বহি থাকিব নালাগে। ৰাইজে অভিযোগ দাখিল কৰক আৰু ন্যায় লাভ কৰক। আমি ৰাইজক ন্যায় দিবলৈ সাজু আছো।' তেওঁ আৰু কয়, 'ইৰাণৰ দৰে আৰু বহুতো কুখ্যাত সুতখোৰৰ নাম আমি পাইছো। আইনৰ বিৰুদ্ধে কাম কৰি কোনো সাৰি যাব নোৱাৰিব।'

বকোৰ তিনি সন্ধানহীন পৰীক্ষাৰ্থী উদ্ধাৰ হ'ল কলৰ ছোপাত

অগ্ৰদূত বাৰ্তা
বকো, ১৮ ডিচেম্বৰ ঃ পৰীক্ষা দিবলৈ আহি কালিৰে পৰা সন্ধানহীন হৈ আছিল বকোৰ ডনবস্ক' হাইস্কুলৰ অষ্টম শ্ৰেণীৰ তিনিজন ছাত্ৰ। বিদ্যালয়খনৰ ইউনিট টেষ্ট পৰীক্ষাৰ পাছৰ পৰা সন্ধানহীন হোৱা ছাত্ৰকেইজন হৈছে বকো দুই নম্বৰ জামবাৰীৰ কঠালপাৰাৰ। ছাত্ৰকেইজন নিশাৰ ভাগলৈ নিজ নিজ গৃহলৈ উভতি নোযোৱাত পিতৃ-মাতৃ বকো আৰক্ষীৰ কাষ চাপে। নিশাৰ পৰা আৰক্ষী, পৰিয়াল-আত্মীয়-স্বজন, স্থানীয় লোকে ছাত্ৰ তিনিজনৰ সন্ধানত বকোৰ বাকাৰাপাৰা ৰেলৱে ষ্টেছন, বকো নদীৰ কাষৰীয়া অঞ্চল, বাকাৰাপাৰা অঞ্চলত ছাত্ৰ তিনিজনক বিচাৰি অভিযান অব্যাহত ৰাখে। প্ৰত্যক্ষদৰ্শীৰ মতে ছাত্ৰকেইজনক উক্ত অঞ্চলসমূহত প্ৰত্যক্ষ কৰিছিল। আনকি ছাত্ৰ তিনিজনে স্কুল বেগ তিনিটা বাকাৰাপাৰা অঞ্চলত পথাৰত এৰি থৈ গৈছিল। আজি দিনৰ ভাগত স্কুল বেগ তিনিটা পৰিয়াল তথা স্থানীয় লোকে উদ্ধাৰ কৰি আৰক্ষীক চমজাই দিয়ে। উল্লেখ্য যে, ছাত্ৰ তিনিজনৰ ভিতৰত এজনে পৰীক্ষাত নকল কৰিছিল। ফাদাৰে ছাত্ৰজনক পৰীক্ষা কোঠাৰ পৰা মাতি নিয়ে। ছাত্ৰজনে পিতৃক কয় যে অসমীয়াৰ পৰীক্ষা দিবলৈ যোৱা পুত্ৰই নকল কৰিছিল। যাৰ বাবে বিদ্যালয় কৰ্তৃপক্ষৰ তৰফৰ পৰা ছাত্ৰজনক পৰীক্ষা দিয়াৰ পৰা বিৰত ৰাখে। আনকি ভাষ্যও লিপিবদ্ধ কৰে। আলমৰ ওপৰ, মানসিক নিৰ্যাতন চলায় বুলি অভিযোগ তুলিছে পিতৃয়ে। বিদ্যালয় কৰ্তৃপক্ষৰ তৰফৰ পৰা অভিভাৱকক ঘটনা সন্দৰ্ভত অৱগত কৰা হৈছিল যদিও গুৱাহাটীত যোৱা বাবে বিদ্যালয়খনত উপস্থিত হ'ব নোৱাৰাত বিদ্যালয় কৰ্তৃপক্ষৰ তৰফৰ পৰা আজি উপস্থিত থকাৰ আহ্বান জনাইছিল বুলিও জনায়। নিশাৰ পৰা ছাত্ৰকেইজনক বিচাৰি অভিযান অব্যাহত ৰাখিছে বকো আৰক্ষী আৰু স্থানীয় লোকে। উল্লেখ্য যে পুৱাৰ ভাগত স্থানীয় লোকে বকোৰ বাকাৰাপাৰাত প্ৰত্যক্ষ কৰিছিল ছাত্ৰকেইজনক। আৰক্ষী আৰু স্থানীয় লোক উপস্থিত হোৱাৰ পূৰ্বেই স্কুলবেগ এৰি পলায়ন কৰিছিল ছাত্ৰ তিনিজন।

বকো আৰক্ষী, পৰিয়ালৰ লোক, স্থানীয় ৰাইজৰ অভিযান অব্যাহত থকাৰ মাজতে নিশাৰ ভাগত বাকাৰাপাৰাৰ পৰিয়াল এটাই বাৰীৰ কলৰ ছপাত তিনিওজন ছাত্ৰক লুকাই থকাৰ পৰা বাকাৰাপাৰা গাঁওৰক্ষী বাহিনীৰ সহযোগত উদ্ধাৰ কৰি বকো আৰক্ষীক গতাই দিয়ে। দৰাচলতে ছাত্ৰ তিনিজনে কি উদ্দেশ্যত কালিৰে পৰা পৰিয়ালৰ কাষলৈ উভতি নগৈ আত্মগোপন কৰি আছিল সেয়া ছাত্ৰকেইজনক সোধ-পোছ কৰাৰ পাছতহে জানিব পৰা যাব। ইতিমধ্যে ছাত্ৰ তিনিজনক বকো খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত স্বাস্থ্য পৰীক্ষা কৰা হৈছে।

অভিযুক্তক কৰায়ত্ত কৰিবলৈ গৈ দাৰ ঘাপত গুৰুতৰভাৱে আহত দুই আৰক্ষী বিষয়া

অগ্ৰদূত বাৰ্তা
সোণাপুৰ ১৮ ডিচেম্বৰ ঃ সোণাপুৰ আৰক্ষী থানাৰ অন্তৰ্গত মাগুৰচিলাত আজি এজন লোকে দুজনকৈ আৰক্ষী বিষয়াক দাৰে ঘপিয়াই আহত কৰা ঘটনাই অঞ্চলটোতে ব্যাপক চাঞ্চলৰ সৃষ্টি কৰিছে। আৰক্ষীয়ে প্ৰকাশ কৰা মতে, মাগুৰচিলাৰ হমধন ফাংচু(৩৫) নামৰ ব্যক্তিজনে কিছুদিন ধৰি গাঁৱৰ লোকসকলক চোকা অস্ত্ৰৰে ভীতিগ্ৰস্ত কৰি আহিছিল। এই কথা গাঁওৱাসীয়ে আৰক্ষী থানাত অভিযোগ দাখিল কৰাত আজি দুপৰীয়া বাৰমান বজাত সহকাৰী উপ-পৰিদৰ্শক শৰৎ কলিতাৰ নেতৃত্বত এটা দলে অভিযুক্ত লোকজনক কৰায়ত্ত কৰিবলৈ ফাংচুৰ ঘৰত উপস্থিত হয়। আৰক্ষী বিষয়াগৰাকীয়ে বহু বুজাই-বুঝাই অভিযুক্ত লোকজনক থানালৈ আহিবলৈ কাবৌ কৰি থকা সময়তে হঠাতে ফাংচুই চোকা দাৰে কলিতাক ঘপিয়াবলৈ ধৰাত কলিতা কথমপি প্ৰাণৰক্ষা পৰে। হাত আৰু বাহুত গুৰুতৰভাৱে আঘাত পোৱা কলিতাক লগে লগে সোণাপুৰ জিলা চিকিৎসালয়ত ভৰ্তি কৰা হয় যদিও উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। আৰক্ষীক আক্ৰমণ কৰাৰ পাছতো অভিযুক্ত ফাংচুই চোতালতে দাঁলে তৰ্জন-গৰ্জন কৰি অৱস্থান গ্ৰহণ কৰি থাকে। ফলত পুনৰ সোণাপুৰ থানাৰ উপ-পৰিদৰ্শক নবজ্যোতি দাসৰ নেতৃত্বত আৰক্ষীৰ এটা দলে অভিযুক্ত ফাংচুক কৰায়ত্ত কৰিবলৈ ঘটনাস্থলীলৈ যায়। কিন্তু অনুৰূপ ধৰণে দাসকো ফাংচুই দাৰে ঘপিয়াই দিয়াত উপ-পৰিদৰ্শকজনে হাতত আঘাতপ্ৰাপ্ত হয়। অৱশ্যে আৰক্ষী দলটোৱে শেষত ফাংচুক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। ইপিনে, আটকাধীন ফাংচু মানসিকভাৱে বিকাৰগ্ৰস্ত বুলি জানিব পৰা গৈছে।

■ জব্দ পৰিমাণৰ ১৭০ বেগ ইউৰিয়াসহ বহু সাৰ
■ সাৰভৰ্তি ছয়খন ট্ৰাক পলুৱাই পঠালে মধ্যভোগীয়ে

মৈৰাবাৰীত অবৈধ সাৰৰ ছিণ্ডিকেট

অগ্ৰদূত বাৰ্তা
ভূৰাগাঁও, ১৮ ডিচেম্বৰ ঃ মৰিগাঁও জিলাৰ মৈৰাবাৰী থানাৰ অন্তৰ্গত চহৰীয়া গাঁও নতুন বজাৰত অবৈধ সাৰৰ বৃহৎ ক'লা বজাৰ চলাই থকাৰ ব্যাপক অভিযোগ উত্থাপিত হৈ থকাৰ সময়তে আজি মৰিগাঁও জিলা কৃষি বিভাগৰ বিষয়াৰ এটা দলে মৈৰাবাৰী থানাৰ অন্তৰ্গত চহৰীয়া গাঁও নতুন বজাৰত এটা চক্ৰই ট্ৰাকে ট্ৰাকে অবৈধ সাৰ আনি গুদামত ভৰাই থকা অৱস্থাতে ইফটিকাৰ হুছেইন ওৰফে জুৱেলৰ গুদামৰ পৰা আইপিএল ব্ৰেণ্ডৰ ১৭০ বেগ ইউৰীয়া, এমআ'পি ২৮ বেগৰ লগতে বহু পৰিমাণৰ আইএফএফচিআ' ব্ৰেণ্ডৰ ইউৰীয়া সাৰ জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে মৰিগাঁৱত সাৰৰ যোগান প্ৰায় বন্ধ হৈ থকা সময়ত আজি চহৰীয়া গাঁও নতুন বজাৰত নগাঁৱৰ পৰা অহা ছখনকৈ সাৰভৰ্তি ট্ৰাকৰ পৰা সাৰ নমাই থকা অৱস্থাতে একাংশ স্থানীয় লোকে ট্ৰাক কেইখন আবদ্ধ কৰি কৃষি বিভাগক খবৰ দিয়ে যদিও অৱশেষত একাংশ আবদ্ধকাৰীৰ ৰহস্যজনক ভূমিকাৰ বাবে গোপন বুজাবুজিৰে ট্ৰাক কেইখনৰ পৰা কিছু সাৰ নমোৱাৰ পাছতে আৰক্ষী আৰু কৃষি বিভাগৰ লোক সেই স্থান পোৱাৰ আগতে সুকলমে ট্ৰাক কেইখন উভতি যাবলৈ

সক্ষম হয়। পৰৱৰ্তী সময়ত কৃষি বিভাগৰ লোক ঘটনাস্থলীত উপস্থিত হৈ মাত্ৰ এজন ব্যৱসায়ীৰ পৰা কিছু পৰিমাণৰ সাৰ জব্দ কৰিবলৈ সক্ষম হয়। ঘটনাটোৰ বাবে একাংশ আবদ্ধকাৰীলৈ সন্দেহৰ আঙুলি টোঁৱাইছে অঞ্চলবাসী লোকসকলে। বৰ্তমান সময়ত মৰিগাঁও জিলাৰ কৃষিৰ প্ৰাণ কেন্দ্ৰ স্বৰূপ মৈৰাবাৰীৰ বৃহত্তৰ অঞ্চলত সাৰৰ যথেষ্ট নাটনি হৈছে। এনে অৱস্থাত মৈৰাবাৰীত বগা সাৰৰ ক'লা ব্যৱসায় চলাই একাংশ লোকে লুটি পুটি খাইছে। মৈৰাবাৰীৰ নতুন বজাৰত দীৰ্ঘ দিনৰ পৰা চলিছে বগা সাৰৰ এই ক'লা বেপাৰ। মৰিগাঁও জিলাৰ মৈৰাবাৰীত একাংশই চলাইছে বগা সাৰৰ এই ক'লা ছিণ্ডিকেট। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে ছিণ্ডিকেটৰ বিৰুদ্ধে যথেষ্ট কঠোৰ স্থিতি অৱলম্বন কৰিছে যদিও বৰ্তমান এনে স্থিতি বাস্তৱিক ক্ষেত্ৰত আগফালে দাং পাছফালে ঢোবাংবাঙৰ দৰে হৈছে। মৰিগাঁও জিলাৰ মৈৰাবাৰী থানাৰ অন্তৰ্গত চহৰীয়া গাঁও নতুন বজাৰৰ ইফটিকাৰৰ দৰে বহু ব্যৱসায়ীয়ে এখন অনুজ্ঞাপত্ৰ লৈ দুই-তিনিটা স্থানত সাৰৰ দোকান চলোৱা অভিযোগ উঠিছে। সমগ্ৰ মৰিগাঁও জিলাত এই চক্ৰটোৱে অবৈধভাৱে অনা আইপিএল আৰু আইএফএফচিআ' বেণ্ডৰ ইউৰীয়া কৃষি সাৰৰ ৰমৰমীয়া ব্যৱসায় কৰি কৃষকৰ মূৰত ৰামটাঙোন শোধাইছে। কোনো বৈধ নথিপত্ৰ নোহোৱাকৈ এনেদৰে কৃষি বিভাগৰ একাংশ বিষয়াক মেনেজ কৰি সমগ্ৰ মৰিগাঁও জিলাত এই চক্ৰটোৱে চলাইছে বগা সাৰৰ অবৈধ ব্যৱসায়। যি সময়ত কৃষকে সাৰৰ বাবে হাহাকাৰ কৰিব লগা হৈছে সেই সময়তে ইফটিকাৰৰ দৰে একাংশ ক'লা ব্যৱসায়ীয়ে কেনেকৈ সাৰৰ অবৈধ ব্যৱসায় চলাবলৈ সক্ষম হৈছে সেয়া অতি ৰহস্যজনক। বিশেষকৈ মৰিগাঁও জিলাত ইউৰীয়া সাৰৰ যোগান বন্ধ থকাৰ সময়ত মৈৰাবাৰীৰ নতুন বজাৰত নগাঁও জিলাৰ পৰা অবৈধভাৱে ইউৰীয়া সাৰৰ কোনে যোগান ধৰিছে সেই চক্ৰটোক কৃষি বিভাগে উৎখাত কৰিব পাৰিবনে সেয়াহে হ'ব লক্ষ্যণীয়।

উদুলি-মুদুলি গোলাঘাট সমন্বয় ক্ষেত্ৰৰ বাকৰি

অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱসৰ লাইখুঁটা স্থাপন

বিশেষ সংবাদদাতা
গোলাঘাট, ১৮ ডিচেম্বৰ ঃ অহা ২৭ ডিচেম্বৰত গোলাঘাট নগৰৰ সমন্বয় ক্ষেত্ৰত উদ্‌যাপিত হ'বলগীয়া জাতীয় সংগঠন অসম সাহিত্য সভাৰ ১০৫ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ লাইখুঁটা স্থাপনৰ মাংগলিক কাৰ্য আজি উদুলি-মুদুলি পৰিৱেশত সম্পন্ন হৈ যায়। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া তথা